

অসম এছোচিয়েছন, দিল্লী
ASSAM ASSOCIATION, DELHI

# সাঁকো

## The Bridge

ৰঙালী বিহুৰ স্মৰণিকা



Scanned by CamScanner


रुडयार्ड किपलिंग ने

# उन्हें अपनी कल्पनाओं

में बसाया और अब हम

# उन्हें बसा रहे हैं,

एक नए परिवेश में।



## "ओएनजीसी बारासिंघा (ईस्टर्न स्वैम्प डीअर) संरक्षण परियोजना"

### एक दुर्लभ प्रजाति को विलुप्त होने से बचाने के लिये ओएनजीसी की सीएसआर पहल।

असम में पाये जाने वाले बारासिंघा या ईस्टर्न स्वैम्प डीअर *(Rucervus duvaucelii ranjitsinhi)* आज विलुप्त होने की कगार पर है। प्रसिद्ध लेखक रुडयार्ड किपलिंग ने जिस से मंत्रमुग्ध हो कर उसकी सुन्दरता को अपनी दूसरी किताब 'द सेकंड जंगल बुक' में कैद किया हो, उस जीव के लिये यह काफी दुखद स्थिति है।

ओएनजीसी ने इस प्रजाति को विलुप्त होने से बचाने के लिये अपने कदम बढ़ाये, और वो भी बिल्कुल सही समय पर।

इसके पहले चरण के अन्तर्गत इनकी अनुमानित आबादी, अनुकूल पर्यावरण, पशु–चिकित्सा अंतःक्षेप एवं सामान्य अध्ययन और जागरूकता अभियान किया गया। इनके स्थानांतरण के लिये मानस राष्ट्रीय उद्यान को चुना गया, जो इनके रहने के लिये बिल्कुल उपयुक्त स्थान था।

काज़ीरंगा राष्ट्रीय उद्यान से 19 बारासिंघो को मानस में स्थानांतरित करना बहुत ही कठिन काम था। योजना के इस अत्यंत कठिन दूसरे चरण को दक्षिण अफ्रीका से बुलाये गये वन्यजीव विशेषज्ञों ने बहुत खास तरीके से अंजाम दिया। 19 बारासिंघो का स्थानांतरण खास तंबुओ में किया गया, जिनको अन्दर से उनके प्राकृतिक आवास जैसा ही बनाया गया था। कुछ ही महीनों में 6 नवजात बारासिंघो ने झुण्ड में जुड़कर, स्थानांतरण की खुशी को दुगना कर दिया।

इस योजना के विस्तार के तीसरे चरण के अन्तर्गत 20 अतिरिक्त बारासिंघो का स्थानांतरण किया जा रहा है।

यह परियोजना संतुलित पर्यावरण की ओर ओएनजीसी की एक शुरुआत है। लुप्तप्राय प्रजातियों का संरक्षण करने के लिये प्रेरित, हमारा संगठन प्रकृति की असली सुंदरता को बनाये रखने के लिये प्रतिबद्ध है।

ओएनजीसी

ONGC

ऑयल एण्ड नेचुरल गैस कॉरपोरेशन लिमिटेड

पंजीकृत कार्यालयः– पंडित दीनदयाल उपाध्याय ऊर्जा भवन, 5, नैलसन मंण्डेला मार्ग, वंसत कुँज, नई दिल्ली-110070
दूरभाषः 011-26752021, 26122148, फैक्सः 011-26129091 www.ongcindia.com /ONGC Limited @ONGC_

Scanned by CamScanner

# সাঁকো-*The Bridge*

**ESTD : 1947**

## ৰঙালী বিহুৰ স্মৰণিকা

**১৫ এপ্ৰিল, ২০১৮**

**১ ব'হাগ, ১৪২৫ ভাস্কৰাব্দ**

**সম্পাদকঃ মাণিক চন্দ্ৰ দাশ**

**ASSAM ASSOCIATION, DELHI**
Srimanta Sankaradeva Bhawan
A-14-B, Satsang Vihar Marg,
Qutab Institutional Area, New Delhi - 110067
Phone : 26510426, 26537786
E-mail : info@assamassociationdelhi.com
assamassociation2015@gmail.com
Website : www.assamassociationdelhi.com

Scanned by CamScanner

# সাঁকো

১ এপ্ৰিল, ২০১৮

এই সংখ্যাত আছে ঃ


- সভাপতিৰ একাষাৰ ঃ অচ্যুৎ কুমাৰ শইকীয়া
- সাধাৰণ সম্পাদকৰ একাষাৰ ঃ দীপক শইকীয়া
- সম্পাদকীয় ভাৱনা ঃ মাণিক চন্দ্ৰ দাশ
- ৰঙৰ ৰ'হঘৰা ৰঙালী বিহু ঃ ড. মলয়া খাওন্দ
- কল্লোলিনী ঃ অনন্যা টেৰণ
- বিহুটি আদৰৰ - বিহুটি সাদৰৰ ঃ বিৰেণ বৰগোঁহাই
- অসম এছোচিয়েছন সাংস্কৃতিক তথা শৈক্ষিক ন্যাস, দিল্লী ঃ ডা. নীলমণি শৰ্মা
- গীত ঃ শৰৎ বৰকাকতি
- সাতাম পুৰুষীয়া বাটাম ঃ ডাঃ বিপুল কুমাৰ বৰুৱা
- স্বাধীনতা দিৱসৰ দিনলিপি ঃ পাৰ্থ পি বৰা
- চাইবাৰ সাহিত্য ঃ ড. ৰবীন গগৈ
- শ্ৰদ্ধাঞ্জলি - বিজু ফুকনলৈ ঃ নৰেশ্বৰ সোণোৱাল
- তোমাৰ ৰূপৰ শিখাত (কবিতা) ঃ ৰোহিনী কুমাৰ বেজবৰুৱা
- কবিতা নহয় (কবিতা) ঃ চন্দন বেজবৰুৱা
- মোৰ ভাল লগা সেই ছোৱালীজনী (কবিতা) ঃ শৰ্মীষ্ঠা বৰ্মান
- নকবা মোক মোৰ ছবি আৰু সাঁথৰ ভাঙিব (কবিতা) ঃ নৱাকাশ
- ব্ৰহ্মপুত্ৰ মই ঃ দীপক শৰ্মা
- স্বৰ্গীয় সুখ ঃ গোলাপ চেতিয়া
- স্বয়ং শিৱ-পাৰ্ব্বতীৰ আতিথ্য গ্ৰহণ ঃ ড. গৌৰী কান্ত সন্দিকৈ
- *A crisp commentary on contemporary Assam and its neighbours* ঃ *Manoj K Das*
- *In the Avian Company* ঃ *Deshna Mahanta*



**সম্পাদক ঃ মাণিক চন্দ্ৰ দাশ**

উপদেষ্টা মণ্ডলী ঃ ড. মলয়া খাওন্দ, হিৰণ দত্ত

সম্পাদনা সহযোগীঃ অমৃতজ্যোতি মহন্ত, অংশুমান বৰুৱা

বেটুপাত ঃ চন্দন বেজবৰুৱা

ডি.টি.পি. ছেটিং আৰু মুদ্ৰণঃ- স্বৰ্ণগিৰি চাৰ্ভিচেছ, মুনিৰ্কা, নতুন দিল্লী (09873763811), swarnagri.pvt.ltd@gmail.com

অসম এছোচিয়েছন, দিল্লীৰ সাধাৰণ সম্পাদক দীপক শইকীয়াৰ দ্বাৰা প্ৰকাশিত




Scanned by CamScanner

# ‘অসম এছোচিয়েছন, দিল্লী’ৰ সভাপতিৰ একাষাৰ



সৌ সিদিনা আমি ভোগালী বিহু পাতিছিলোহে। আকৌ ৰঙালী বিহু আহি পালেহিয়েই।

প্ৰত্যেক বছৰৰ দৰে এইবাৰো ‘অসম এছোচিয়েছন, দিল্লী’য়ে ৰঙালী বিহু পালনৰ যো-জা চলাইছে। ভোগালীৰ ভোজ-ভাত নাথাকিলেও গচকত যঁতৰ ভাঙি যোৰা নাচনীৰ ওলাহেৰে ৰঙালীৰ ৰং সানি বিহুটি আকৌ আহিল। অসমীয়া জাতিৰ আয়ুসৰেখা, আমাৰ বাপতি সাহোন ৰঙালী বিহুটিক আদৰিবলৈ আমিও সাজু হৈছোঁহক।

‘অসম এছোচিয়েছন, দিল্লী’ ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰত গঠন হোৱা বৃহত্তৰ অসমীয়া জাতিৰ সৰ্বপ্ৰথম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান। এই সংস্থাই অসম তথা উত্তৰ-পূৰ্বৰ উৎসৱ-অনুষ্ঠানকে আদি কৰি সময়ে সময়ে বিভিন্ন কাৰ্য্যক্ৰম কৰি আহিছে। অসমৰ সকলো জাতি জনজাতিকে একেখন মঞ্চতে একত্ৰিত কৰি বৃহত্তৰ অসমীয়া সমাজৰ চেনেহৰ, সম্প্ৰীতিৰ, একতাৰ এনাজৰীডাল অধিক কটকটীয়া কৰি ৰাখিছে। কিন্তু, সাম্প্ৰতিক সময়ত দেখা গৈছে- অসমৰ বিভিন্ন জাতি, উপ-জাতিৰ নামতো কেতবোৰ সৰু সৰু সংগঠন দিল্লীত গঢ় লৈ উঠিছে। ইয়াৰ ফলত সেই এনাজৰীডাল দুৰ্বল হৈ পৰাৰ আশংকাই দেখা দিছে।

আজিৰ এই অনুষ্ঠানৰ আয়োজনত যিসকলে প্ৰত্যক্ষ বা পৰোক্ষভাৱে আমাক সহায় কৰিলে, তেওঁলোক সকলোলৈকে মোৰ কৃতজ্ঞতা জনাইছো। আমাৰ সকলো প্ৰকাৰৰ আন্তৰিক প্ৰচেষ্টাৰ স্বত্তেও সীমিত সামৰ্থ্যৰে কৰা আয়োজনত অনিশ্চাকৃত ভাৱে কিবা দোষ-ত্ৰুটী থাকিলে, তাৰবাবে এছোচিয়েছনৰ হৈ ক্ষমা প্ৰাৰ্থনা কৰিছো। শেষত, সকলো ৰাইজলৈকে আমাৰ অতিকৈ চেনেহৰ ৰঙালী বিহু তথা অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা যাঁচিলো।■

শ্ৰী অচ্যুৎ কুমাৰ শইকীয়া



Scanned by CamScanner

# 'অসম এছোচিয়েছন, দিল্লী'ৰ সম্পাদকৰ একাষাৰ



"অতিকৈ চেনেহৰ মুগাৰে মহুৰা,
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।"

অতিকৈ চেনেহৰ ৰঙালী বিহুটিক আদৰিবৰ বাবে অসম এছোচিয়েছন, দিল্লীয়ে আগৰ কেইবছৰৰ দৰেই এইবাৰো পূৰ্ণ উদ্যমেৰে উঠি-পৰি লাগিছে। ৰঙালী বিহুৰ সংস্কৃতিয়ে ধনী-দুখীয়া, ভাষা-ধৰ্ম, জাতি-জনজাতি নিৰ্বিশেষে অসমৰ সকলোকে চেনেহৰ ডোলেৰে বান্ধি ৰাখিছে। বিহুগীত, বিহুনাচ, ঢোলৰ গুমগুমনি, বাঁহী-পেঁপাৰ সুৰেৰে অসমৰ লৰাৰ পৰা বুঢ়ালৈকে সকলোৰে দেহ-মনত সঞ্চাৰ কৰা অনাবিল আনন্দ অনুভূতিৰ ব্যতিক্ৰম হোৱা নাই প্ৰবাসী অসমীয়াৰো। তাৰেই পৰিপ্ৰেক্ষিতত'অসম এছোচিয়েছন, দিল্লী'য়ে নিয়মীয়াকৈ পালন কৰি আহিছে, চেনেহৰ এই ৰঙালী বিহুটি।

বছৰৰ আৰম্ভণিত আজি ৰঙালী বিহুৰ দিনটোত অসম এছোচিয়েছনৰ হৈ ৰাইজৰ পৰা আশীৰ্বাদ বিচাৰিছোঁ, যেন আমি এই মহান অনুষ্ঠানটিৰ জৰিয়তে অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰচাৰ আৰু উন্নতিৰ বাবে সেৱা আগবঢ়াই যাব পাৰোঁ।

সামৰণিত, সমূহ ৰাইজলৈ ৰঙালী বিহুৰ শুভেচ্ছা জনালো। অজানিতে হোৱা ভুল-ক্ৰটীৰ বাবে ৰাইজৰ ওচৰত ক্ষমা মাগিছো। ■

দীপক শইকীয়া

দীপক শইকীয়া

Scanned by CamScanner

সাঁকো

# সম্পাদকীয় ভাৱনা



(ক)

"যোগ্য ভোগ্যা বসুন্ধৰা" এই চিৰন্তন সত্য টিকে পৰৱৰ্তী সময়ত বিজ্ঞানেও নিঃসংকোচে ঘোষণা কৰিলে "Survival of the fittest" এই পৃথিৱীত যোগ্য জনেহে আত্মসন্মানেৰে উচ্চ শিৰে জীয়াই থাকিব পাৰে , কেৱল যোগ্য জাতিয়েহে নিজৰ অস্তিত্ব অক্ষত ৰাখি উন্নত জাতি হিচাপে নিজৰ স্বাভিমান অক্ষুন্ন ৰাখিব পাৰে। যোগ্য জাতি হৈ জীয়াই থাকিবলৈ হ'লে সাহিত্য-কলা-সংস্কৃতিৰ সমান্তৰালকৈ আৰ্থ-সামাজিক দিশতো জাতিটো স্বাৱলম্বী হ'ব লাগিব। তাৰ বাবে লাগিব কৰ্ম-সংস্কৃতিৰ প্ৰতি গভীৰ স্পৃহা আৰু সময় জ্ঞানৰ কঠোৰ অনুশীলন। কিন্তু বৰ্তমান সময়ত অসমীয়া সমাজত কৰ্ম-বিমুখতাৰ লগে লগে উৎসৱ প্ৰৱণতাহে বাঢ়ি অহা পৰিলক্ষিত হৈছে। প্ৰায় প্ৰতিটো উৎসৱ অনুষ্ঠানেই মেলামুখী হোৱাৰ লগতে দীৰ্ঘদিনীয়া হৈ পৰিছে, এয়া জাতিটোৰ বাবে কিমান কল্যাণকাৰক সেইটো চিন্তাৰ বিষয়! কৰ্ম-সংস্কৃতি ধোঁৱা চাঙত তুলি থৈ, হকে-বিহকে বন্ধ পালনৰ নামত জাতীয় সম্পত্তি ধ্বংস কৰাটো নীতিসংগত হয় জানো? এনে নেতিবাচক মানসিকতা তথা আত্মক্ষয়ী বিলাসিতা পৰিত্যাগ কৰিব নোৱাৰিলে এই বৃহত্বৰ অসমীয়া জাতিটো এদিন হয়তু ইতিহাসৰ এক গুৰুত্বহীন পৃষ্ঠা হৈ পৰি ৰ'ব! আমি মনত ৰখা উচিত- নিজে যোগ্য হ'ব নোৱাৰিলে কোনেও কাকো যোগ্য কৰি তুলিব নোৱাৰে, জাতি এটাৰ অস্তিত্ব ৰক্ষাৰ দায়িত্ব জাতিটোৱে সদায় নিজেই পালন কৰিব লাগিব। পৰমুখাপেক্ষী জাতিৰ কোনো মান-সন্মান নাথাকে, তেনে জাতিৰ অস্তিত্বও বেছি দিনলৈ টিকি থাকিব নোৱাৰে। জাতিৰ এনে সংকট কালত অসময়ৰ সকলো জাতি-জনজাতিয়ে নিজিৰ নিজৰ সংকীৰ্ণ জাত্যাভিমান পৰিহাৰ কৰি এক বৃহত্বৰ অসমীয়া জাতিৰূপে একজোঁট হৈ ওলাই আহিব লাগিব , সুপৰিকল্পিত কৰ্ম-সংস্কৃতিৰে সুসজ্জিত হৈ আত্মনিৰ্ভৰশীল কৰি নিজৰ অস্তিত্ব সুৰক্ষিত কৰিব লাগিব। এসময়ৰ অতি কৰ্মঠ, নিপুণ, পৰাক্ৰমী এই জাতিটোৰ কথা আমাৰ বুৰঞ্জীয়ে, আমাৰ ইতিহাসে আজিও সোঁৱৰাই থাকে , শৰাইঘাটৰ ৰণত লাচিতৰ হাতত পৰাজিত হৈ মহা প্ৰতাপী মোগলৰ প্ৰধান সেনাপতি ৰাজা ৰামসিংহই নিঃসংকোচে কৰি যোৱা স্বীকাৰুক্তি আজিও অসমৰ আকাশে বতাহে ধ্বনিত প্ৰতিধ্বনিত হৈ আছে- "প্ৰতিজন সেনাই কাঁড় মাৰিব জানে, তৰুৱাল চলাব জানে, বৰটোপ চলাব জানে, গড় সাজিব জানে, নাও বাব জানে, ঘোঁৰা চলাব জানে- এনে কৰ্মঠ সেনা মই ভাৰতৰ ক'তো দেখা নাই।" সেয়ে আমি আশাবাদী , আমাৰ গৌৰৱময় ইতিহাসে আমাক কেতিয়াও আশাহত হ'ব নিদিয়ে। "পৰিও নপৰা, মৰিও নমৰা, বান-ভগদত্ত-চুকাফা জাত'ৰ উত্তৰ পুৰুষ কেতিয়াও কাপুৰুষ হৈ জীয়াই থাকিব নোৱাৰে। স্বভূমিৰ স্বজাতিৰ গৌৰৱ গাঁথাৰ মহিমাৰে উদ্ভাষিত হৈ এই বৃহত্বৰ অসমীয়া মহাজাতি এক কালজয়ী, স্বাৱলম্বী, স্বাভিমানী জাতিৰূপে চিৰউজ্জ্বল হৈ থাকক- এই পৱিত্ৰ কামনা তথা গভীৰ আত্ম প্ৰত্যয়ৰে আপোনালোক সকলোকে আমাৰ নতুন বছৰত তথা চেনেহৰ ৰঙালী বিহুটিৰ আন্তৰিক ওলগ যাচিলোঁ।

(খ)

মুদ্ৰণৰ ব্যয় সংকোচন কৰিবলগীয়া হোৱাত এইবাৰ স্মৰণিকাখনিৰ অৱয়ব কিছু সৰু কৰা হ'ল। এনে কৰোঁতে কিছুসংখ্যক লেখাও প্ৰকাশ কৰিব পৰা নগ'ল। তাৰবাবে আমি দুঃখিত।

যিসকল লেখক-লেখিকা, বিজ্ঞাপন দাতা তথা সদাশয় ব্যক্তি-প্ৰতিষ্ঠানৰ প্ৰত্যক্ষ বা পৰোক্ষ সহায়-সহযোগিতাৰে এই স্মৰণিকাখনি সমৃদ্ধ হ'ল, সেই সকলোলৈকে আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো। এই সুযোগতে আমাৰ উপদেষ্টা মণ্ডলী ড. মলয়া খাওন্দ আৰু শ্ৰী হিৰণ দত্ত, সম্পাদনা সহযোগীদ্বয় শ্ৰী অমৃত্জ্যোতি মহন্ত আৰু শ্ৰী অংশুমান বৰুৱা, বেটুপাতৰ শিল্পী শ্ৰী চন্দন বেজবৰুৱা আৰু "অসম এছোচিয়েছন, দিল্লী"ৰ হৈ "সাঁকো" খন প্ৰকাশকৰোঁতা শ্ৰী দীপক শইকীয়ালৈও আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সামৰণিত স্মৰণিকাখনিত ৰৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত মই ক্ষমাপ্ৰাৰ্থী।■

সেৱাৰে

মাণিক চন্দ্ৰ দাশ

Scanned by CamScanner



# ৰঙৰ ৰ'হঘৰা ৰঙালী বিহু

ড° মলয়া খাওন্দ

ভাৰতীয় হিন্দু পঞ্জিকাৰ প্ৰথম মাহটোৰেই হ'ল ব'হাগ—যি বৃহত্তৰ অসমৰ লোকজীৱনৰ অতি আকাংক্ষিত মাহ। কাৰণ জাতি, ধৰ্ম, গোষ্ঠী নিৰ্বিশেষে সকলোৰে প্ৰিয় ৰঙালী বিহু বা বসন্তোৎসৱৰ জন্ম লগ্নও ব'হাগ মাহতেই। দৰাচলতে এনেধৰণৰ ঋতু উৎসৱসমূহ সৰ্বকালৰ, সৰ্বদেশৰ, সৰ্বজাতিৰ একোটাহঁত জনপ্ৰিয় লোক উৎসৱ। অসমৰ সৰ্ব-সমাদৃত জাতীয় উৎসৱ ৰঙালীবিহুও তাৰ অন্যথা নহয়।

ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা প্ৰকৃতি পালিত কৃষিজীৱী সকল নিৰ্ভৰশীল মূৰৰ ঘাম মাটিত পেলাই কৰা সোণোৱালী শইচপূৰ্ণ ধাননি পথাৰখনিৰ ওপৰত। গতিকে যিদিনাই পথাৰৰ সোণগুটি হেন লখিমী আহি ভৰাঁল শুৱনি কৰিলে, সেইদিনাই সেইসকলৰ চিন্তামুক্ত মন-প্ৰাণত জাগি উঠিল—কেৱল জানো ক্ষুধা নিবাৰণেই জীৱনৰ একমাত্ৰ উদ্দেশ্য? লগে লগে উপলব্ধ হ'ল সময়-সাপেক্ষে পালন কৰিব পৰা ৰঙৰ ৰহঘৰা পৰিপূৰ্ণ আনন্দ-উল্লাসৰ উৎসৱ-অনুষ্ঠানো জীৱনৰ অন্যতম এক সাধন হোৱাত কোনো বাধা নাই। অসমৰ জন-জীৱনো সময়ত উৎফুল্লিত হৈ পৰিল কৃষি কৰ্মভিত্তিক বিহুক জাতীয় উৎসৱ হিচাপে লাভ কৰি—

'অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকোঁ
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নাপাতি কেনেকৈ থাকো।'

অতি চেনেহৰ ৰঙালী বিহু বা বসন্তোৎসৱ পালনো প্ৰকৃতিৰ লগত সঙ্গতি ৰাখি পতা এক বহু প্ৰত্যাশিত ঋতু উৎসৱ। শীতৰ লঠঙা প্ৰকৃতি বৰষুণৰ সংস্পৰ্শত সৰস হৈ পৰে, পৃথিৱী হৈ পৰে শস্য সম্ভৱা। উদং পথাৰৰ বুকুত মুক্ত আকাশৰ তলত মুক্তমনে ডেকা-গাভৰুৱে নৃত্য-গীতৰ উত্তাল জোঁৱাৰ তোলে। সৃষ্টিৰ অংকুৰ সিঁচে। মূলতঃ ই প্ৰজনন উৎসৱ। বহুত পণ্ডিতে ব'হাগ বিহুক উৰ্বৰতা বা প্ৰজননৰ উৎসৱ (Fertility rite) বুলিও ক'ব খোজে। সেয়ে আমি বিহুগীতত পাওঁ—

'বিহু মাৰি থাকিবৰ মনে সমনীয়া
বিহু মাৰি থাকিবৰ মন,
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।'

—'বসন্ত আহিলে কুলিটি বিনালে বিহু বিহু লাগিছে গাত', 'নাহৰ ফুল ফুলিবৰ বতৰ'ত গছকত যেন যঁতৰেই ভাঙিব' 'বিহু থাকে মানে বিহুকে বিনাবা বিহু গ'লে বিনাবা কাক'—কত যে আৱেগিত গীত!

দৰাচলতে গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত আদি ঋতু সমূহৰ সময়বিশেষে হোৱা বিভিন্ন পৰিবৰ্তনসমূহে প্ৰকৃতিৰ লগত চিৰন্তন যোগসূত্ৰ স্থাপন কৰি অহা মানুহৰ ওপৰত যি সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাই আহিছে, সি নিতান্তই বিস্ময়কৰ। সেয়ে ঋতুৰাজ বসন্তৰ আগমনিত যেন মানৱ-প্ৰাণতো বসন্তৰ বা লাগে। গছে-বনে কুঁহিপাত মেলে, কুলি-কেতেকীৰ সুৰীয়া কল-কলনিৰ লগতে গোলাপ, তগৰ, কপৌ নাহৰ ফুলৰ সুবাস। অসমৰ আকাশ-বতাহ যেন আলোকিত-উত্তোলিত হৈ পৰে। সমগ্ৰ চিৰি লুইতৰ পাৰ চিৰ সেউজীয়া, সজীৱ হৈ পৰে, ঢোল-টকা-গগণা-পেঁপাৰে ৰজনজনাই যোৱা ৰঙালীৰ নৃত্য-গীত মাতত অসমীয়াৰ জাতীয় জীৱনত যেন ছন্দ জাগে—

'ল'ৰা বুঢ়া জীয়াৰী ৰঙতে বলিয়া
ব'হাগৰ বিহুৱা ডেকা'
'গাভৰু ছোৱালী নাচে জুমে জুমে
চ'তৰ বিহু লাগিছে গাত'।

ৰঙালী বিহু কেৱল ৰঙৰ ৰহঘৰাই নে? চ'ত মাহ আৰু ব'হাগৰ সংক্ৰান্তিত হোৱা গৰু বিহু উৎসৱলৈ চাওক। কৃষি আৰু গো সম্পদ ফেৰা অসমৰ গ্ৰাম্য গৃহস্থালি এখনৰ পৰম বৈভৱ। গৰুৰ প্ৰতি জনোৱা এই শ্ৰদ্ধাসম্বলিত উৎসৱত আছে আৰ্য-সংস্কৃতিৰে প্ৰভাৱ। ধনী-দুখীয়া সকলোৰে গৰু বিহুৰ দিনা মাহ-হালধিৰে নৈত গৰুক গা ধুৱায়— লাও, কেৰেলা, বেঙেনা, আৰু কেঁচা হালধিৰ টুকুৰা সী লোৱা বাঁহৰ শলা বা চাটেৰে। লগে লগে লৰাই-বুঢ়াই গায়—

"লাও খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু
তই হ'বি বৰ বৰ গৰু।"

—এই লৌকিক প্ৰবচনশাৰী গৃহস্থৰ অন্তৰ্স্থলীৰ পৰাই আহে। যিহেতু ভাৰতীয় পৰম্পৰাত গাখীৰক অমৃত বুলিও কোৱা হয়। সেই অমৃতৰ গৰাকী গো-সম্পদৰ উন্নয়নহে গৃহস্থী এখনৰ কাম্য। তদুপৰি গৰু চাটত থকা বতৰৰ পাচলি কেইবিধ বসন্তৰোগৰো প্ৰতিযেধক। মানুহে বিহুৱান লোৱাৰ দৰে গৰুক দিয়ে নতুন পঘা। ম'হ-ডাহৰ পৰা ৰক্ষা পাবৰ বাবে গোহালি চাফ-চিকুণ কৰি জাগ দিয়ে। স্বাস্থ্যসন্মত এই চিৰাচৰিত ৰীতিসমূহ আজি পৰ্যন্ত অসমৰ গাঁৱে-ভূঞে চলি আছে।

অসমীয়া জাতীয় উৎসৱ বিহুৰ ৰীতি-নীতিতো সৰ্বভাৰতীয় ঐতিহ্যৰ সংক্ৰান্তিৰ প্ৰভাৱ লক্ষ্যণীয়। সেয়ে ৰঙালী বিহুৰ সংক্ৰান্তিত 'গোঁসাই বিহু' আখ্যা দি গোঁসাই থাপনাত নিজ হাতে বোৱা ফুলাম গামোচাৰে সু-শোভিত কৰে। শৰাই সঁফুৰা যাচি নাম-কীৰ্তন কৰে বছৰটোৰ মঙ্গল কামনা কৰি। ঘৰৰ সুৰক্ষাৰ বাবে ছালত নাহৰ পাত লগাই থয়, য'ত লিখি ৰখা হয় দেৱাদিদেৱ মহাদেৱৰ স্তুতি।

'মানুহ বিহু'ত মাহ-হালধিৰে গা ধুই ন-বিহুৱান দিয়া লোৱাৰ আদান প্ৰদান চলে। অসমৰ লোক সংস্কৃতিত মান্যজন বা গুৰুজনক নিতে সেৱা কৰা প্ৰথা নাই। মান্যজনক নম্ৰতা আৰু সদাচাৰেৰে শ্ৰদ্ধা প্ৰদৰ্শন কৰি



Scanned by CamScanner

অহা অসমীয়াই অৱশ্যে ত্রি-বিহু, সংক্রান্তি, বিবাহাদি উৎসৱ পর্বত মান্য জনক ভবি স্পর্শ কৰি মূৰ দোওৱা বিধান আজিও আছে। গতিকে এনে উৎসৱবোৰ সমাজ এখনৰ মূল্যবোধৰ সকীয়নীঃ বয়োজেষ্ঠ্যক যথোচিত সন্মান প্রদর্শণ আৰু কনিষ্ঠজনক স্নেহাশীবাদ। জেতুকাৰে হাত বোলায়। বৰহমুখৰিৰে ওঁঠ ৰাঙলি কৰি জীয়ৰী-বোৱাৰীয়ে মনত ৰং বোলায়, নিজৰ কর্তব্য পথত অগ্রসৰ হয়, বিহুবান শেষ কৰি চিৰা-পিঠা লাৰু আদি মিষ্টান্ন-পকান্নৰে ভোজন আৰু আপ্যায়ণৰ পৰ্ব আনন্দ-আহ্লাদৰ মাজেদি সমাপ্ত কৰিবলৈ।

গতিকে ই স্পষ্ট যে অসমীয়াৰ জাতীয় জীৱনৰ প্ৰাণৰ স্পন্দন হ'ল বিহু। 'কৈয়ে থাকে মানে ওৰকে নপৰে ৰঙালী বিহুটি' 'হুচৰি' ৰ উল্লেখ অবিহনে আধৰুৱা হৈ ৰ'ব। 'হুচৰি' হ'ল ৰঙৰ ৰহঘৰা ৰঙালী বিহুৰ এক আৱাহনী তোৰণ। উৰুকাৰ দিনা গধূলি নামঘৰৰ প্ৰাঙ্গনত বয়োজ্যেষ্ঠসকলৰ দিহা-পৰামৰ্শত হুচৰি আৰম্ভ হয়। 'গৃহস্থৰ কুশলৰ অৰ্থে জয় হৰি বোল, জয় ৰাম বোল' ধ্বনিৰে ওচৰ-চুবুৰীয়া গৃহস্থৰ ঘৰত হুচৰি দলটো প্ৰৱেশ কৰি সমবেত কণ্ঠৰে ঘূৰি ঘূৰি গায়—

'দেউতাৰ পদুলিত গোন্ধাইছে মধুৰী
কেতেকী আমোল-মোলায়
গোবিন্দাই ৰাম।'

ভিন ভিন বাদ্যধ্বনি আৰু চাপৰিৰে সন্ধালনিকৈ গৰু-গম্ভীৰ স্বৰত আৰম্ভ কৰে—

'ৰাধাই বোলে কৃষ্ণই মোকে পাৰ কৰা
এই যমুনাৰে জল হে
গোবিন্দাই ৰাম।'

প্ৰেম-পীৰিতি আধাৰিত বিহুগীতৰ বিপৰীতে হুচৰিত আছে গুৰু-গোঁসাই প্ৰতি থকা ভক্তি বিগলিত মনোভাব। হুচৰিৰ ক্ষন্তেক বিৰতিত ডেকা চামে হেঁপাহেৰে আহ্বান কৰে—

'ছাগৰ ছাল চেলাবৰ ডবুৱা কটাৰী
পহুৰ ছাল চেলোৱা মিত,
গাঁৱৰ বুঢ়া-মেথা দায় নধৰিবা
গাই যাওঁ বতৰৰ গীত।"

কিন্তু সেই 'বতৰৰ গীত' নিৰ্দিষ্ট সীমাৰেখাৰ ভিতৰতে। শেহান্তৰত গৃহস্থই হুচৰি দলক শৰাইত তামোল-পাণ আৰু যথাসাধ্যে ধন-বিত্তেৰে অৰিহণা যাচি ৰাইজক মূৰ দোঁৱাই বছৰটোৰ সৰ্বতোপ্ৰকাৰ কল্যাণৰ অৰ্থে আৰ্শীবাদ লয়—যি হ'ল এই অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ দিশ।■



# কল্লোলিনী

অনন্যা টেৰণ

তুমি...
তুমি কল্লোলিনী
তুমি চিৰ প্ৰবাহিনী,
বৈ যোৱা
তুমি বৈ যোৱা কল্লোলিনী,
বৈ যোৱা... আনৰ বাবে
এইয়াই তোমাৰ কৰ্ম, তোমাৰ ধৰ্ম
এয়াই তোমাৰ সন্মান।
তোমাৰ পৰশৰ বাবে
সকলো চিৰ অপেক্ষাৰত।
স্ৰোতস্বিনীৰ পৰশত
প্ৰকৃতি ন কৈ সৃষ্টি হয়,
একেদৰেই তোমাৰ পৰশত
ন ন জীৱনৰ সৃষ্টি হয়,
তোমাৰ প্ৰেমত দূৰ হয়
প্ৰিয়জনৰ ক্লান্তি, হতাশা,
তোমাৰ শুশ্ৰূষাত প্ৰস্ফুতিত হয়
জ্যেষ্ঠজনৰ সুখ তথা শান্তিৰ নিশ্বাস,
তোমাৰ ইচ্ছাতেই বৰ্তি আছে
বিলুপ্ত নোহোৱাকৈ এই মানৱ সমাজ।
এই সকলোবোৰ তোমাৰ ঋণী।
কিন্তু এয়াতো তোমাৰ ত্যাগ নহয়,
নহয় এয়া তোমাৰ দুৰ্বলতা।
তেন্তে তুমি কিয় নিৰ্বাক নিষ্পন্দভাৱে
কঠোৰ যন্ত্ৰনা সহিব লাগে?
কিয় ?
হয়তো এয়া নাজানে
তোমাৰ সন্মানৰ, তোমাৰ অধিকাৰৰ
বৈৰীসকলে।
এই যে শান্ত, নিশ্চুপভাৱে
বৈ যোৱা প্ৰৱাহিনীয়ে
সহ্যৰ বান্ধ ভাঙি গৈ
তুলিব পাৰে বিধ্বংসৰ হুংকাৰ,
আনিব পাৰে অনিয়ন্ত্ৰণাধীন
ক্ষোভৰ প্লাৱন।
সেয়ে.. তুমি বৈ যোৱা
নিৰ্ভয়ে, নিচিন্তে,
বৈ যোৱা তুমি
হৈ শ্ৰুতস্বিনী,
নাৰী...
তুমি মহীয়সী।
তুমি কল্লোলিনী।



Scanned by CamScanner

# বিহুটি আদৰৰ-বিহুটি সাদৰৰ

বীৰেণ বৰগোঁহাই,

এইয়া মই আহি দিল্লীৰ দ্বাৰকা নগৰীৰ প্ৰাগজ্যোতিষপুৰত। ই মূলতঃ এটি অসমীয়া হাউছিং চছাইটি যদিও আন ঠাইৰ বহুলোকো ইয়াকে বাসিন্দা হৈছেহি। ইয়ালৈ আহি নিজ ভাষাৰে কথা পাতি, হাঁহি মাতি মই যেন অসমৰ ঘৰতহে। চণ্ডীগড় আৰু পঞ্চকুলাত থাকি ঘৰৰ কিজনৰ বাহিৰে আনৰ  লগত অসমীয়া কথা পাতিব নোৱৰা বাবেই ইয়াত কথা-বতৰাৰে প্ৰাণখোলা অসমীয়া হাঁহি মাৰি মনত বৰ প্ৰশান্তি অনুভৱ কৰিছো।

কথাৰ আড্ডা- বন্ধু  ভালেকেইজন। কথা ওলাল এজন যাব লাগিব বিদেশলৈ- আমেৰিকাৰ ছানফ্ৰেন্সিস্কোত মাল্টিনেছনেল কোম্পানীত কাম কৰা পুতেকৰ ঘৰলৈ, তেওঁৰ কেঁচুৱা নাতিনীয়েকক লগ দি খেলা-ধূলাৰ কৰোৱাই ৰাখিবলৈ। এইয়া যে ককা আৰু নাতিৰ সম্বন্ধ। তেওঁ এইবাৰ বিহুটি 'মিচ' কৰিব। তেওঁলোকৰ ঘৰৰ দুজনেই বেছ বিহুৱা। আন এজনে প্লেন কৰিছে বিহুত অসমৰ ঘৰলৈ যাবলৈ। এই ব'হাগৰ বিহুটিৰ সময়ত অসমখন যে কেনে সুন্দৰ হৈ পৰে। নষ্টালজিক হৈ বৰুৱাদেৱে কৈ গ'ল, "প্ৰতিবছৰেই এই সময়ত এমাহ মানৰ বাবে হ'লেও ঘৰলৈ যাওঁ, গাঁৱৰ কাষৰে নৈ খনত গৰু গা ধুৱওঁ, গোটাই-পিতাই অনা বৰথেকেৰা, কেৰেলা, বেঙেনা কেটুৰি আদি বৰচালনিত কাটি তাকে বাঁহৰ চাট সজাই এতিয়াও বৰ চখ পাওঁ। নিজেও গৰু চাটৰ মাহ-হালধী সানি  দীঘলীয়াকৈ আশীৰ্বাদ দি লাহনীৰ পানী মাৰি গৰু গা ধুৱাৰ লগতে ইটোৱে-সিটোলৈ পানী মাৰি খেদা-খেদি কৰাৰ সেই আনন্দ ইয়াত ক'ত পাব। এনেতে ডাঃ হাজৰীকাই ক'লে—'এৰা, সেই দিনবোৰ গ'লেই, ধানৰ ফলিয়া তুঁহত বিহলঙনী, দিঘলতী, মাখিয়তি আদিৰে জাত দি তৰাৰে পকোৱা পঘাৰে বান্ধি-বিছনীৰে বিচি মহ খেদোৱা আৰু গৰুক কলপাতত পিঠা-পনা খুওৱা কথাবোৰ ভাবিয়েই আজিও ভাল লাগে। এৰা, কথাত কথা ওলায়, গা ধুই নতুন গামোচা- কাপোৰ আদি লৈ গোঁসাই সেৱা কৰি সকলোৱে একেলগে খোৱা বিহুৰ জলপানটোত পোৱা তৃপ্তিৰ কথা বৰ্ণাই যোগদান দিয়ে আন এজনে। "গাঁৱত কিমান বিহুৰ জলপান খাবহে। চুবুৰীয়াৰ ঘৰলৈ যাবই লাগিব। নগ'লে যে উপায় নাই। খাই-খাই একেবাৰে পেট বেয়া হৈ যাইগৈ। তেনেতে আন এজনে যোগ দি কৈছিল, "তেওঁ হেনো বিহুৰ কেইদিন পিঠা সেয়ে নাখায়েই। বিহুৰ আগৰাতি চানেকিত পিঠা পুৰি থাকোতেই গৰমে-গৰমে যথেষ্ট পৰিমাণে তিলপিঠা, ঘিলাপিঠা, সুতুলি পিঠা আদি হেঁপাহ পলুৱাই খাই লৈছিল। হ'লেও তেওঁৰ মনটো হেনো ভালপোৱা পণ্য-বৰাচাউলেৰে বনোৱা টেকেলিৰ সাজতহে আছিল। হাতীখুজীয়া বাটিত গাঁৱত সজাই দিয়া মিঠা বৰধানৰ 'ৰহি' খোৱা তৃপ্তিৰ কথা বৰ্ণাই থাকোতেই তেওঁৰ মুখৰ পৰা লোভৰ পানী ওলাই আহিছিল। এৰা, কথাৰ লগে লগে মোৰ মনটো উৰি গৈছিল গাঁৱৰ অনেক দৃশ্যলৈ। এই সাজপানীৰ লগতে বহুজনে এৰি-মুগাৰ পলু ভজা, খৰিকাত দিয়া গাহৰি মাংস, আৰু আম লিচু বা মৰলীয়া গছত আগ পাত মেৰিয়াই সজা বাঁহৰ আমৰলী পৰুৱাৰ টোপ পাৰি তৃপ্তিৰে খোৱাৰ দৃশ্য মনলৈ আহে। আক' টোপ পাৰোতে আমৰলি পৰুৱাৰ কামোৰ খাই জপিয়াই থকা হাঁহি উঠা দৃশ্যও মনলৈ আহে। এজনে ক'লে, 'আনৰ আগত বাহাদুৰি মাৰি খাইছো বুলি ক'লেনো কি হ'ব। মই হ'লে আজিলৈকে আমৰলি টোপ বা লেটা খোৱা নাই। মিছা ক'লে কিডাল হ'ব।' আন দুজনে ক'লে-  'এই আপুনি তেনেহ'লে বহুখিনি মিচ কৰিলে। পলুৰ আৰু টোপৰ যে কি সোৱাদ- ই পুষ্টিকৰেই নহয়, আমৰলিৰ কামোৰ আৰু টোপ খালে হেনো এৱাঁভঙা অসুখ আৰু নহয়। ই মহৌষধি। দৰৱৰ কথালে আহোঁতেই কৈ থওঁ যে, বিহুৰ দিনা দুপৰীয়া ঘৰৰ কাষৰ কঠিয়াতলী আৰু শাকনি বাৰীৰ পৰা এশ এবধি বন শাক গোটাই বুঢ়ী আইতাই ভাজি আমাক খাবলৈ দিছিল। ই হেনো বছৰেকলৈ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়ায়।

বিহুত কণী যুঁজোৱা কথা ওলাল। এজনে ক'লে আমাৰ পিনে জা-জলপান খাই জ্যেষ্ঠজনক সেৱা কৰি আহৰি হৈহে কণী যুঁজৰ বাবে সকলো ঘৰৰ সন্মুখৰ বহল ঘাঁহনিখনত লগ হৈছিল। সকলোৰে হাতত কণীৰ মোনা। কি চাবা কণীৰ বাহাৰ—শিলসৈয়া, বালিসৈয়া, পানীসৈয়া আৰু ফুচুকা। বিহুৰ বহু দিনৰ আগৰ পৰাই টান কণী গোটোৱাৰ কামত ব্যস্ত হৈ পৰিছিল বহুজন। বুঢ়ী মাহী হাঁহজনীক শামুক, বৰাধান, বোন্দাকেঁচু আদি আনি খাবলৈ দিছিল। যাতে কণীৰ চোকোৰা ডাঠ হৈ সি সৈয়াকণী হয়গৈ। কিমান সঁচা নাজানো, এইবোৰ কোৱা কথা। হ'লেও এই কণী যুঁজাই জিকাৰ আনন্দ লভিবলৈ কোনে যে কি নকৰিছিল। ডেকাচামে কণী যুঁজাই থাকোতে বুঢ়াসকলে কড়ি আৰু পাশা  খেলিছিল। কি যে 'জমনী' হৈছিল। কড়িখিনি দেহৰ ভঙ্গিমাৰে জোকাৰ মাৰোতেই দহ দহ দহ বা কোনোৱে 'পশ্চি পশ্চি বুলি উল্লাসতে চিঞৰি নিজৰ আঁঠু বা মাটিত হাতেৰে জোৰকৈ চপৰিয়াই আনন্দত মচগুল হৈ পৰিছিল। এনে জমোৱা কথাবোৰৰ মাজতেই গৰু বিহুৰ দিনাৰ পৰিক্ৰমাৰে অসমৰ সমাজখনলৈ দিল্লীৰ পৰাই তীব্ৰবেগী মনেৰে ঘূৰি গৈছিলো!

"বৰুৱাদেউ-বিহুত ঘৰলৈ যাওঁতে পাতি হাঁহ চাগে বহুত মৰিব



Scanned by CamScanner

দেই''- এইবুলি এজনে কোৰাত সকলোৰে বৰুৱাদেৱলৈ চাই গিজনি মাৰি হাঁহিলে। তেখেতে মিচিকি হাঁহিৰে হয়ভৰ দি ক'লে 'হয়', বুজিছে আমাৰ শিৱসাগৰৰ আৰু উজনী অসমত আলহি আহিল মানে হাঁহ মৰিলেই, আৰু বিহুততো কথাই নাই। ঘৰতেই জাক জাক হাঁহ। হাঁহ ধৰা নিয়মটোও কৈছিল, যে হাঁহজাক খেদি দৌৰাই লৈ ফুৰিছিল আৰু তেল ধৰা, শকত জাকত পিছ পৰি যোৱা লেধেমা হাঁহটোকে ধৰিছিল। তাৰ কি তেল, কি সোৱাদ, নোখোৱাজনে কি বুজিব। সঁচা কথাষাৰ লোভ লগোৱা। কণী যুঁজোৱা চাই বৰ ৰস পাইছিলো। যুঁজুৱাৰ আগতে কি 'দৰ' সেই , 'মোৰ মুখেৰে তোমাৰ তলীত এচাত তালিয়ে-তালিয়ে, মুখে মুখে ঠাকে-ঠাকে দৰে-দৰে মিলিলেহে ক'ব 'পাতক আপুনি' আনজানে ক'ব নহয়, আপুনিহে পাতক, মই খুলিম। ঠিক আছে বাৰু বুলি কৈ যুঁজাব খোজোতে তেওঁলোকৰ মনক অৱস্থা চাবলগীয়া। এবাৰ ঈশ্বৰৰ নাম লৈ কণীটো কঁপালত লাগি দাঙি খুন্দা মৰাৰ আগ মুহূৰ্তত কিবা ভাবি হঠাতে ৰৈ যায়গৈ। মনতে প্ৰশ্ন- মোৰটোহে ভাগিব নেকি বুলি অনেক চিন্তা-চৰ্চা কৰা সেই মুহূৰ্তটোৱে দৰ্শায় তেওঁলোকৰ মনৰ সংঘাট আৰু ল'বলগীয়া ৰিস্কৰ কথা। যুঁজোৱাৰ আগতে ইজনে সিজনৰ কণী হাতত লৈ চলোৱা কিমান পৰীক্ষা নিৰীক্ষা। কড়িমাৰি পইচা মাৰি বা দাঁতত মাৰি চোৱা মানা। কেৱল যুঁজোৱাৰ আগতে সূৰ্যৰ পোহৰক বিপৰীত দিশৰ পৰা কণীটো হাতেৰে ধৰি দূৰবীণৰ দৰে জুমি জুমি চাইছিল। কণীৰ 'ঘনত্ব' পৰীক্ষা কৰাটো যুঁজোৱাৰ সকলৰ অভিজ্ঞতাৰ ওপৰতহে নিৰ্ভৰ কৰে। খুন্দাটো মাৰোতে, ভগা কণীটোৰ মালিকে তেওঁৰ কণীটো জিকাজনক দিবলগীয়া হয়। কণীৰ ভগা অংশৰে ওলোৱা বিজল বন্ধ কৰিবলৈ লগত লৈ ফুৰা কাগজ সৰু গোলকৈ কাটি কণীটোৰ ভগা অংশত লগাই দিয়া হয়, আৰু কণী 'ছিল' হৈ পৰে। এই কণী যুঁজত কি যে হৰ্ষ উল্লাহ আৰু আনন্দৰ চিঞৰ। লগে লগেই ভঙা কণী গৰম অঙঠাৰ ওপৰত কাহৰ বাটিত মিঠা তেল অলপমান দি বাটি ভজা কৰে, ই সঁচাই বৰ সোৱাদ। আকৌ ভগা কণী সৰু সৰু কণবিলাহীৰ লগত ফেটি বনোৱা সেই কণীৰ সোৱাদ আজিও জিভাত অনুভৱ কৰো। সঁচা, এইয়া ভাবিয়েই আমি দিল্লীত থাকিও আহিব ধৰা গাঁৱৰ ব'হাগী বিহুৰ আনন্দ আগতিয়াকৈ উপভোগ কৰিছো।

হুচৰি আৰু বিহুটিৰ কথা সুঁৱৰি মি. দেউৰী আনন্দত আত্মহাৰা হৈ পৰিছিল আৰু তেখেতৰ মুখত গুণগুনাই বিহুনাম এষাৰ ওলাইয়েই আহিল। দেউৰীসকল বেছ বিহুৱা লোক আৰু সেয়ে বিহু বুলি ক'লেই তেওঁলোকৰ মনৰ আবেগ বান্ধি ৰাখিব নোৱাৰা। এইয়া যে ব'হাগী স্পিৰিত। ৰং ৰহইছৰে এই বিহুটি সঁচাই অদ্বিতীয়, লুইতপৰীয়া এই কৃষিজীৱি উৎসৱত উদ্‌যাপন কৰা সেই প্ৰাকৃতিক পৰিৱেশটো চকুৰ আগত ভাঁহি আহে। টুকুৰা টুকৰি অলেখ মেঘে আৱৰা নিলীম আকাশখন, গাঁৱৰ নিজ ঘৰ-বাৰী, তামোল, কলনি, বাঁহনি বাৰীৰে দূৰ দিগন্তত দেখা পোৱা চতাই পৰ্বতটো, গছ-বন ন কুঁহি পাতেৰে সেউজীয়া হৈ পৰা ধৰণী- ফুলে ফলে জাতিস্কাৰ হৈ পৰা গছবোৰ, সেই আম আৰু লিচুত থুপি থুপি কৈ ফুলা সোণালী আৰু কঁহ বৰণীয়া ফুলৰ মলবোৰ চাইয়েই ভাল লাগে। প্ৰকৃতিৰ কাননত কত যে বাৰে বৰণীয়া ফুল, তাকে দেখি স্বকীয় অসমীয়া জাতি হিচাপে গঢ় দিয়া চাওলুং ছ্যুকাফাই এই ঠাইৰ বৰ্ণনা দিছিল "মুন্দুন চুনখাম" বুলি- অৰ্থাৎ সোণৰ বাগিছাৰে ভৰা দেশ বুলি। এইয়া নাহৰ ফুলা বতৰ। ওখ গছেৰে দূৰৰ পৰাই দেখা চৌদিশ উজলাই জকমকাই ফুলি থকা শিমলুক সেয়ে 'ফ্লেম অব দি ফৰেষ্ট' বোলা হৈছে।

বিহুৰ আগলি বতৰা জনাই ভাহি অহা বুলি কেতেকীৰ সুৱদী মাত শুনা পাইছো। বৰষুণ জাকৰ আগে আগে মাজৰাতিও 'তেলিয়াসাৰেং' জনীয়ে আতু হৈ চিঞৰি জাননী দিব। আকৌ মৌপিয়াজনীয়ে আকাশমাৰ্গলৈ উৰি গৈ বৰষুণৰ প্ৰথমটোপা পানী খাব। সকলো যেন ৰৈ আছে আশাৰে বৰদৈচিলা জনীলৈ!

প্ৰকৃতিক আমি অনুকৰণ কৰিম। প্ৰকৃতি ৰাণী যে আমাৰ নিচেই চিনাকী, অতিকৈ আপোন। আমি ঢোল, পেঁপা বজাম, গাম, ভংগিমাৰে বাহুমেলি নাচিম। অন্তৰৰ হেঁপাহ, হাবিয়াস, চেনেহ মৰম আৰু প্ৰেম পিৰিতি এই সকলো ৰঙালী বিহুটিৰ মাজেৰেই প্ৰতিফলিত হৈ ওলাব। আকৌ তাৰ মাজেৰেই অন্তৰৰ যাতনা-বেদনায়ো উফুপি উঠিব। হয়, এই সকলোবোৰ যে জীৱন্ত হৈ ওলাই আহিব সুৰীয়া বিহু-নাম আৰু নাচ পাক হৈ। বিহু সুৰতেই প্ৰকাশ পাব অন্তৰৰ হতাশা আৰু কাৰুণ্যও। এইয়েই যে জীৱন- ইয়াৰেই যে গঢ়ি লৈ উঠিছে আমাৰ লুতপৰীয়া সাতাম পুৰুষীয়া ঐতিহ্যৰ কৃষ্টি-সংস্কৃতি, সাহিত্য আৰু সভ্যতা।

এতিয়া আহো, "কৈনো থাকো মানে ওৰকে নপৰে" বোলা ৰঙালী বিহুটিৰ কথাৰে গোৱা বিহুনামৰ মাজলৈ। আবেগিক হৈ অন্তৰৰ কথাবোৰ স্বতঃস্ফূৰ্তভাৱে ওলাই অহা সুৰীয়া ৰচনাবলীৰেই এই বিহুনামবোৰ। ই অতি সহজ-সৰল অথচ অৰ্থপূৰ্ণ যি বহন কৰে মৰম-চেনেহৰ একো একোটা আবেগিক সংবাদ। হুঁচৰি যোজনা আৰু বিভিন্ন নামবোৰত জীৱনৰ কোনো এটা দিক বাদ পৰি যোৱা নাই। সেইকথা মন কৰিবলগীয়া হ'লেও মূলত ডেকা-গাভৰুৰ প্ৰেম পিৰিতি আৰু আনন্দ উল্লাসৰ লগতে ব্যৰ্থ প্ৰেমিকৰ বিৰহ বেদনাবোৰো সুক্ষ্মভাৱে প্ৰকাশ পায়। জনজাতীয় লোকসংগীত আৰু কৃষি কলা বুলি অভিহিত কৰিলেও ই অসমীয়া কাব্য সাহিত্যতো এক বিশেষ ভূমিকা লোৱাৰ সমল আছে। এইখিনিতে এটা কথা উল্লেখ কৰিব খুজিছো যে এই বাপতি সাহোন বোলা বিহুটিক হেয় কৰা হ'ল আমাৰেই ভব্য-গব্য অনেকজনৰ লিখনীৰে। "ই অশ্লীল, তলখাপৰ হালোৱা-হজুৱা, গৰখীয়া আদি লোকে চিঞৰ বাখৰ কৰি উদণ্ড হৈ বিহু গাই সময় পাৰ কৰা এই বিহু"। এনে মানসিকতাৰ বাবেই অসমীয়া সমাজখনত এটা দিশ পাছ পৰি গ'ল। ভাগ্য ভাল যে পদ্মনাথ গোঁহাই বৰুৱা, অমলেন্দু গুহ আদিৰ দৰে মনিষীয়ে ইয়াক



Scanned by CamScanner

খণ্ডন কৰিলে। গুহ ডাঙৰীয়াৰ দৰে লোকে, ৰাছিয়াত বিহু ঢোল বজাই বিশ্বক বিস্মিত আৰু মুহিত কৰা মঘাই ওজাক সমাজলৈ উলিয়াই আনি প্ৰতিষ্ঠা কৰিলে।

বিহুটিনো অসমীয়াৰ বাবে কি বুলি প্ৰশ্ন কৰিলে তাৰ উত্তৰ পাম এই নামষাৰতেই—"অতিকৈ চেনেহৰ মুগাৰে মহুৰা, তাতোকৈ চেনেহৰ মাঁকো, তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি নেপাতি কেনেকৈ থাকো।" নামষাৰৰ মাজতেই সোমাই আছে জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভূয়সী প্ৰসংশা কৰা অসমৰ কুটীৰ শিল্প আৰু বৈ উলিওৱা "ছাঁতে শুকুৱা, মুঠিতে লুকুৱা" সুনিপুণ শিল্পীৰ দক্ষতাৰে গৌৰৱময় অধ্যায়। তাঁতশাল অসমত সকলোৰে ঘৰে ঘৰে আছিল। প্ৰকাশ পাইছিল নামষাৰত—"বাৰী পিছফালে আইদেউ তাঁতৰ শালে, কি চৰাইয়ে ছিঙিলে সূতা।"

চেনাইলৈ মৰম আৰু একাগ্ৰতাৰে বৈ গৈছিল চেনেহৰ দীঘ দি মৰমৰ বানীৰে সেই বিহুৰ উপহাৰ বিহুৱানখন। আজি এটা ভাল খবৰ যে এই মুগা সূতাডালে বিশ্ব বজাৰত সমাদৰ লাভ কৰিছে। ৰেম্পত খোজ দিয়া লিছ পিচিয়া গাভৰুৰ দেহত শোভাবৰ্ধন কৰা এই মুগা সূতাৰ বস্ত্ৰই সকলোকে মুহিছে। এইয়া জানো অসমীয়াৰ কলা কৃষ্টিৰ নিদৰ্শন নহয়। আকৌ গাইছিল—"আইজনী ঐ মাকোৰ নো খিত-খিতনী ঐ, আইজনী ঐ গৰকাতে টিপনি ঐ, আইজনী ঐ, আইজনী ঐ দোৰেপতীৰ শুৱলা ঐ মাত.." গাইছিল—"পেপাঁটি বজাবলৈ তিনিটি আঙুলি- মাজৰটি, আঙুলি ঐ লৰে, বহো তাঁতৰ পাতত চকু আলিবাটত মাঁকো সৰি সৰি পৰে.."

আকৌ কষ্ট কৰি দিন ৰাতি একাকাৰ কৰি ধনু-বাটলুগুটি লৈ সেই চোমনীত মুগা ৰখা, মুগা চুণীয়াজনৰ অৱস্থা এই নামষাৰতেই সুন্দৰকৈ প্ৰকাশ পাইছিল এনেদৰে....'কাউৰি শতৰু মুগাকৈ চুণীয়া পৰিবলৈ নিদিয়ে ডালত, তোমাৰ আমাৰ শতৰু গাঁৱৰ বুঢ়া-মেথা ফুৰিবলৈ নিদিয়ে লগত..."

প্ৰেম আৰম্ভ হয় চকুৰে চকুৰে- "চকুৰে চকুৰে কি চোৱা লাহৰি, মই চালে তলমূৰ কৰা, তুমি নামাতোতে মাতিব পাৰো মই, জানোচাই কেতেৱা মাৰা'... সেই মধুৰ চাৱনীৰে সাহ পাইছিল, আগবাঢ়ি গৈ গাইছিল...তোমালোকৰ ঘৰলৈ সদাই যাব পাৰো মই দিলে তুমি মৰমৰ মাত, মই যোৱা দেখিলে তোমাৰ মাৰ বাপেৰে থয়নো মূৰে কপালে হাত'...

সাহিত্যৰ দৃষ্টি ভঙ্গীৰ পৰা চালে দেখা যাব যে বিহু নামৰ ভাষা অতি সহজ সৰল সাৱলীল আৰু প্ৰকাশযভঙ্গী সুন্দৰ। কালিদাসৰ শকুন্তলাজনীৰ সৌন্দৰ্য বৰ্ণনাৰ দৰেই চহা অসমীয়া প্ৰেমিক ডেকাটোৱে গাইছিল, "তোমাৰ গাল দুখনী পাভ মাছৰ নিচিনা ঘোঁৰা ফানৰ নিচিনা চুলি, আউলি বাউলি প্ৰেমৰে কোলাতে আঙুলি হৈ যাব ফণী".. গাইছিল "উজায়ো চালো মই, ভটিয়াই চালো মই তোমাৰ সমান ধুনীয়া নাই, আশা কৰাই কৰাই নিৰাশা কৰালা, তোমাৰ সমান নৰকী নাই..." তাতোকৈও ৰূপজীৱনৰ বৰ্ণনা অতি সুন্দৰকৈ দিয়া দেখা যায়। 'হাতৰে আঙুলি পবালি পবালি ভৰিৰে আঙুলি ঘন, কোন জন বিধাতাই নিজানত স্ৰজিলে চাইনো চাই থাকিবৰ মন..."

দীঘল কিচ কিচিয়া চুলি টাৰিৰে কলডিলীয়া খোপা, ডালিম গুটিয়া দাঁত, হৰিণীৰ চাৱনী, কঁকাল খামুচিয়া, কুন্দত কটা দেহা আৰু সেই লাৱনী হাতৰ পৰশ এনে হেন সুন্দৰ বৰ্ণনা বিহু নামত দেখা পোৱা যায়। হেলা-হজুৱা নিৰক্ষৰ লোক সকলৰ এই প্ৰতিভাৰ কথা চিন্তা কৰিলেই তন্ময় হৈ ৰওঁ।

প্ৰেমৰ কথাৰে নাম এষাৰতে ইয়াৰ স্বৰূপ প্ৰকাশ পাইছে। প্ৰেম হৈ যায়, জাতকুল বিচাৰ নকৰা প্ৰেম। গাইছিল—"তোমালৈ চাওঁতে জপনা ডেওঁতে ফুটিলে অঘৈয়া হুলে, তোমাৰ মনে গ'লে আমাৰ মনে গ'লে কি কৰিব অজাতি কুলে??" বাধা পালে বিহুতলীৰ পৰাই আনকি পলুৱাই নিছিল। সঁচা এই বিহু নামে জীৱনৰ সকলো দিনকেই সামৰি লৈছে। ইয়াত ব্যৰ্থ প্ৰেমিকৰ অন্তৰৰ বেদনা আৰু হা-হুতাশেৰে গোৱা দুই এটা নাম নাগালে লিখনী আধৰুৱা হৈ ৰোৱা যেন লাগিব। গাইছিল—"মতামহৰ বেজাৰত মাইকী মহ বেচিলো, কঁড়িয়া তুলিলো চাওত, তোমাৰে বেজাৰত ঘৰবাৰী এৰিলো, সোমালো মিলিটেৰিৰ কামত..." । আকৌ ব্যৰ্থ প্ৰেমিকে দগ্ধ হৈ গাইছিল—"তোমাৰে যে বেজাৰত ঐ পৰি মৰো ব্ৰহ্মপুত্ৰত ঐ মাকণ, সোঁতে নো মোক উটুৱাই নিব, চালে নো পচি যাব ঐ, মাংসনো গেলি যাব ঐ মাকন হাড়তে যে গজিব ঐ বন..."

শেষ কৰাৰ অগতে বিহুটিনো অসমীয়াৰ বাবে কি বুলি কৰা প্ৰশ্নৰ উত্তৰ পাম এই বিহু নামষাৰত—"বিহুটি আদৰৰ, বিহুটি সাদৰৰ বিহুটি জপাৰে ধন, এনুৱা বিহুটি হেৰাব লাগিলে নৰ'ব অসমীয়াৰ মান..." সেয়ে গাঁও আহক সকলোৰে- বিহুৰেনো বিৰিণা পাত, বিহু থাকে মানে বিহুকে বিনাবা, বিহু গ'লে বিনাবা কাক..."

এইয়া সঁচাই অন্ত নোহোৱা। বিহুনামৰ প্ৰকাশ সুন্দৰ। এই নামবোৰ নিজে অনুভৱ কৰাৰ উপৰি ইয়াক বিভিন্ন ভাষাত তৰ্জমাৰে প্ৰকাশ আৰু প্ৰচাৰ কৰাটো অতি আৱশ্যক, কিয়নো এইয়া যে অসমীয়াৰ পৰিচয়।■



Scanned by CamScanner



# অসম এছোচিয়েছন সাংস্কৃতিক তথা শৈক্ষিক ন্যাস, দিল্লী

ডাঃ নীলমণি শৰ্মা

'Assam Association Cultural and Educational Trust' গঠনৰ বিষয়ে ১৯৮৫ চনতে অসম এছোচিয়েছন, দিল্লীৰ বিষয়ববীয়া আৰু বয়োজেষ্ঠ সদস্য সকলে চিন্তা চৰ্চা কৰি আছিল। সেই সময়ত এছোচিয়েছনৰ বিষয়ববীয়া প্ৰতি বছৰে সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত মাটি লোৱা আৰু ভৱন বনোৱাৰ বাবে বিশেষ ধৰণেৰে দৈনন্দিন হেঁচা প্ৰয়োগ কৰিব পৰাকৈ বা চৰকাৰৰ লগত একেলেথাৰিকৈ যোগাযোগ কৰিব পৰা কোনো কমিটি অথবা ব্যক্তি নাছিল। অসম এছোচিয়েছন দিল্লীয়ে সত্তৰ দশকৰ পৰাই মাটিএটুকুৰা লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত সঘনাই যোগাযোগ কৰাৰ ফলস্বৰূপে মৌখিক সঁহাৰি পোৱা হৈছিল, কিন্তু কাৰ্য্যত মাটি লোৱাটোত সফলতা লাভ কৰা নাছিল। ১৯৮৫ চনৰ মাঘ বিহু উদযাপনৰ দিনাই প্ৰায়বোৰ সদস্য আৰু শুভাকাংক্ষীয়ে এটি ট্ৰাষ্ট গঠন কৰাৰ কথা চিন্তা চৰ্চা কৰে। প্ৰয়াত দীনেশ গোস্বামী আৰু ভুবন বৰুৱাদেৰে পৰামৰ্শ আগবঢ়ায় যে ট্ৰাষ্ট কমিটি বনোৱাৰ বাবে এটি "Working Committee" গঠন কৰি লব লাগিব, তদুপৰি এখন ট্ৰাষ্ট ডীড বনাই লোৱাৰো প্ৰয়োজন। সেই মৰ্মে এছোচিয়েছনে ১৯৮৫ চনৰ ১৯ এপ্ৰিলত ১৭ জনীয়া এটি Working Committee গঠন কৰি দিয়ে। এই কমিটিক ৮ জন ট্ৰাষ্টি বাচি উলিওৱাৰ বাবে দায়িত্ব অৰ্পণ কৰা হয়। ১৭ জনীয়া Working Committee ৰ প্ৰতিজনেই ৮ জন ট্ৰাষ্টিৰ নাম নিজৰ বিবেচনা মতে ঠিক কৰি অসম এছোচিয়েছনৰ কাৰ্য্যকৰী কমিটিলৈ প্ৰেৰণ কৰে। Working Committe দ্বিতীয় মিটিং ২৯/৮/১৯৮৫ তাৰিখে অনুষ্ঠিত হয়, Working Committe ৰ অনুমোদন ক্ৰমে ৮ জন ট্ৰাষ্টিৰ নাম বাচনি কৰি উলিওৱা হয় আৰু প্ৰতিজন নিৰ্বাচিত ট্ৰাষ্টিৰ পৰা তেখেতসকলৰ সন্মতি গ্ৰহণ কৰিবৰ বাবে অসম এছোচিয়েছনৰ সাধাৰণ সম্পাদকক দায়িত্ব দিয়া হয়। নিৰ্বাচিত ট্ৰাষ্টি সকল আছিল (১) ডঃ ভূপেন হাজৰিকা (২) বিশিষ্ট চাহ উদ্যোগী হেমেন বৰুৱা (৩) কমডৰ পি. চি. ৰাজখোৱা (৫) ডাঃ কে. এম. এন. ৰয় চৌধুৰী (৪) কমডৰ পি. চি. ৰাজখোৱা (৫) ডাঃ কে. এইচ. হাজৰিকা (৬) বিভা গোস্বামী (৭) ভুবন চন্দ্ৰ বৰুৱা (৮) পি. কে. দত্ত (আই. এ. এছ)। এই নিৰ্বাচিত ট্ৰাষ্টি সকলৰ ভিতৰত মাত্ৰ পাঁচ জন ট্ৰাষ্টিৰ পৰা লিখিত সন্মতি পোৱা হৈছিল বাবে ট্ৰাষ্ট গঠনৰ কাম সিমানতে স্থগিত ৰাখি চৰকাৰৰ পৰা মাটি লোৱাৰ বাবে নতুনকৈ প্ৰচেষ্টা চলোৱা হয়। অনেকেই হয়তো নাজানে যে শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ মাটিখিনি পোৱাৰ আগতে অসম এছোচিয়েছনে ৰামকৃষ্ণপুৰম অঞ্চলত বেলেগ এটুকুৰা মাটি লাভ কৰাৰ সম্ভাৱনাই দেখা দিছিল। ১৯৮৫-৮৬ বৰ্ষৰ কাৰ্য্যকৰী কমিটিৰ সভাপতি পদত শ্ৰী সুনীল দত্ত লহকৰ আৰু সাধাৰণ সম্পাদক পদত ডাঃ নীলমনি শৰ্মা নিৰ্বাচিত হোৱাৰ সময়তে মাটি লোৱাৰ বাবে জোৰদাৰ প্ৰচেষ্টা চলোৱা হৈছিল, দুয়োজন বিষয়ববীয়াৰ সঘনাই চহৰ বিকাশ মন্ত্ৰালয়ত হেঁচা প্ৰয়োগৰ ফল স্বৰূপে ১৯৮৬ চনত আৰ কে পুৰমৰ ছেক্টৰ ৯ ৰ মাটি এটুকুৰাৰ ফাইলটো পুনৰ খুলি চৰকাৰী বিষয়া সকলে প্লটটো পৰিদৰ্শন কৰি মাটি টুকুৰা অসম এছোচিয়েছনক দিয়া হ'ব বুলি আশ্বাস প্ৰদান কৰে। উক্ত স্থানত এখন চাইন বৰ্ড পোতাৰ পাছতো মাটি দিয়াৰ ক্ষেত্ৰত চহৰ বিকাশ মন্ত্ৰালয়ে অৱশেষত অপৰাগতা প্ৰকাশ কৰে। ১৯৮৭ চনত দীনেশ গোস্বামী সভাপতি পদত আৰু ডাঃ নীলমণি শৰ্মা সাধাৰণ সম্পাদক পদত অসম এছোচিয়েছনৰ কাৰ্য্যকৰী কমিটিলৈ নিৰ্বাচিত হয়। এই দুয়োজন বিষয়ববীয়াৰ লগতে প্ৰাক্তন সভাপতিদ্বয় শ্ৰী সুনীল দত্ত লহকৰ আৰু আটাউৰ ৰহমান (এম.পি) লগ লাগি মাটি লোৱাৰ বাবে সংকল্পবদ্ধ হয় আৰু কেইবাবাৰো তেতিয়াৰ চহৰ বিকাশ মন্ত্ৰালয়ৰ মন্ত্ৰী শ্ৰীমতী মহশ্বিনা কিড়ৱাইক লগ ধৰি এছোচিয়েছনক মাটি দিয়াৰ বাবে হেঁচা প্ৰয়োগৰ পৰিপ্ৰেক্ষিত বৰ্তমানৰ মাটি টুকুৰা লোৱাত সফলতা লাভ কৰে। অসম এছোচিয়েছনে বৰ্তমানৰ মাটি টুকুৰা ৮-১২-১৯৮৯ তাৰিখে দিল্লী বিকাশ প্ৰাধিকৰণৰ পৰা পজেশ্যন লোৱাৰ পাচতে পুনৰ ট্ৰাষ্ট গঠনৰ কাম হাতত লয়। উল্লেখনীয় যে ১৯৮৫ চনৰ আৰম্ভণীতে শ্ৰী প্ৰদীপ শৰ্মা, শ্ৰী পবিত্ৰ নাথ, শ্ৰী ইনামুল ইচলাম আৰু ভূবন বৰুৱা দেৱে ট্ৰাষ্টডীড খন প্ৰস্তুত কৰি ৰাখিছিল, অসম এছোচিয়েছনৰ নিৰ্দ্দেশ মৰ্মে। ১৯৮৯ চনত প্ৰয়াত দীনেশ গোস্বামীদেৱে কেন্দ্ৰীয় আইন মন্ত্ৰী হিচাবে ভাৰত চৰকাৰত যোগ দিয়ে। তেখেতৰ পৰামৰ্শ মতেই ট্ৰাষ্ট ডীড খন এছোচিয়েছনৰ সদস্য সকলে পৰীক্ষা কৰি কাৰ্য্যকৰী কমিটিৰ মিটিঙত পাচ কৰোৱাই ইয়াৰ আইনগত দিশটো সঠিক ভাবে পৰীক্ষা কৰাবৰ বাবে তেতিয়াৰ Legal Affairs Department ৰ Solicitor শ্ৰী আৰ, এন পোদ্দাৰ ডাঙৰীয়ালৈ প্ৰেৰণ কৰা হয়। তেখেতে ট্ৰাষ্ট ডীড খন পুংখানুপুংখ ভাবে পৰীক্ষা আৰু প্ৰয়োজন অনুসৰি শুধৰণী,কৰি এছোচিয়েছনলৈ ঘূৰাই পঠায় ৮/৩/৯০ তাৰিখে। ট্ৰাষ্ট ডীড খন পোৱাৰ পাচত এছোচিয়েছনে সাধাৰণ সভা এখনৰ আহ্বান কৰে। অসম ভৱনৰ কনফাৰেঞ্চ হলত এই সাধাৰণ সভাৰ আয়োজন কৰা হৈছিল ৫/৫/১৯৯০ তাৰিখে। উক্ত সভাতে ৬ জন স্থায়ী ট্ৰাষ্টিৰ নিৰ্বাচন কৰা হয়। সেই সকল হ'ল—

১) শ্ৰী এম এন ৰয় চৌধুৰী ২) শ্ৰী মতী বিভা গোস্বামী
৩) ডাঃ নীলমনি শৰ্মা ৪) শ্ৰী ভুবন চন্দ্ৰ বৰুৱা



Scanned by CamScanner

৫) শ্ৰী সুনীল দত্ত লকহৰ ৬) শ্ৰী চৈফুল আলম

সভাই উক্ত ট্ৰাষ্টি সকলৰ পৰা লিখিত সন্মতি পত্ৰ সংগ্ৰহ কৰাৰ বাবে পৰামৰ্শ দিয়ে। তদুপৰি ডাঃ নীলমনি শৰ্মাক ট্ৰাষ্ট ডীড খনৰ ৰেজিষ্ট্ৰেচন কৰোৱা আৰু আয়কৰ বিভাগত প্ৰয়োজনীয় ৰেজিষ্ট্ৰেচন কৰাৰ দায়িত্বও অৰ্পণ কৰে।

দিল্লীৰ ৰেজিষ্ট্ৰাৰ অফিচৰ পৰা ট্ৰাষ্ট ডীড খনৰ ৰেজিষ্ট্ৰেচন কৰোৱা হৈছিল ১৪/৫/১৯৯০ তাৰিখে ২৩১৩ সংখ্যাৰ যোগেদি আনহাতে আয়কৰ বিভাগৰ 12A অধীনত ট্ৰাষ্টৰ ৰেজিষ্ট্ৰেচন কৰোৱা হয় ২৫/৬/১৯৯০ তাৰিখে, তদুপৰি আয়কৰ বিভাগৰ পৰা ৫/৯/১৯৯০ তাৰিখে ৮০ জি অধীনত চাৰ্টিফিকেট সংগ্ৰহ কৰিবলৈ ট্ৰাষ্ট সক্ষম হয়।

অসম এছোচিয়েছনৰ পৰৱৰ্ত্তী সভা ৯/৯/১৯৯০ তাৰিখে অনুষ্ঠিত হৈছিল। এই সভাত ট্ৰাষ্টৰ সম্প্ৰসাৰণ কৰোৱা আৰু সম্পূৰ্ণকৈ ট্ৰাষ্টটো গঠন কৰাৰ বাবে ব্যৱস্থা লোৱা হয়।

অসম এছোচিয়েছনে গঠন কৰি দিয়া ৬ জনীয়া ট্ৰাষ্টিৰ বাদেও আৰু তিনিজন ট্ৰাষ্টিক নিৰ্বাচিত কৰা হয়। সেই সকল হ'ল ঃ-

১) শ্ৰী ৰবীন চন্দ্ৰ বৰুৱা ২) শ্ৰী ডেভিদ লেজাৰ (এম পি)

৩) শ্ৰী চৈয়দ চফিক আহমেদ

Co-Opted Trustee সকল হ'ল ঃ-

১) সভাপতি অসম এছোচিয়েছন ২) উপসভাপতিদ্বয়

৪) সাধাৰণ সম্পাদক ৫) কোষাধ্যক্ষ আৰু

৬) দিল্লীস্থিত অসম চৰকাৰৰ ৰেচিডেণ্ট কমিচনাৰজন

উক্ত মিটিঙতে শ্ৰী এছ, ডি লহকৰ ট্ৰাষ্টৰ চেয়াৰমেন আৰু ডাঃ নীলমনি শৰ্মাক মেনেজিং ট্ৰাষ্টি হিচাবে সভাই নিৰ্বাচিত কৰে।

ন্যাস কমিটি সম্পূৰ্ণ ভাবে গঠন হোৱাৰ পাচতে সদস্য সকলে ভৱন নিৰ্মাণৰ বাবে অৰ্থ সংগ্ৰহ কৰাত মনোনিবেশ কৰে। ইয়াৰ উপৰিও ট্ৰাষ্ট কমিটিয়ে কাষৰ অতিৰিক্ত মাটিকণ লোৱাৰ বাবে অপাৰ চেষ্টা কৰে। কাষৰ মাটিকণৰ মালিক, নাগৰী প্ৰচাৰণী সভাৰ লগত বহু যোগাযোগ কৰা হৈছিল। নাগৰী প্ৰচাৰসভাৰ মুখ্য প্ৰয়াত সাংসদ সুধাকৰ পাণ্ডে আৰু তেওঁৰ ভাতৃ সাংসদ ৰত্নাকৰ পাণ্ডেৰ লগত শ্ৰী ভূবনেশ্বৰ কলিতা আৰু দীনেশ গোস্বামীদেৱৰ কেইবা লানিও আলোচনাৰ অন্ততঃ তেওঁলোক মান্তি হৈছিল বিশেষ এটা চৰ্তত, যদিহে একে ধৰণৰ প্ট এটা দিল্লী বিকাশ প্ৰাধিকৰণে তেওঁলোকক নামত এলটমেণ্ট দিয়ে তেনেহলে অসম এছোচিয়েছনক কাষৰ মাটিকন এৰি দিব। কিন্তু দিল্লী বিকাশ প্ৰাধিকৰনে তেনে এটুকুৰা মাটি উক্ত ইন্টিটিউচনেল এৰিয়াত বিচাৰি উলিয়াব নোৱাৰাত নাগৰী প্ৰচাৰনী সভাই আমাক মাটিকণ দিবলৈ বাবে অমান্তি হয়। কাষৰ মাটিকণ লোৱাৰ আশা বাদ দি এছোচিয়েছনৰ নামত ক্ৰয় কৰা ৮৩৫ বৰ্গ মিটাৰ মাটিতে এটি ভৱন নিৰ্মাণৰ বাবে কামত আগবঢ়া হয়। কাটা তাঁৰৰ বেৰা দিয়াৰ উপৰি দুই কোঠাৰ এটি অস্থায়ী ঘৰ ট্ৰাষ্টে সাজি উলিওৱাৰ কাম সমাধা কৰে। তাৰে এটা কোঠাত অসম এছোচিয়েচনৰ অফিচ ৰুম বনোৱা হয় আৰু অন্যতো কোঠাত এজন চকিদাৰ ৰখাৰ বন্দোবস্ত কৰা হৈছিল। ঘৰ বনোৱাৰ বাবে গঠন কৰি দিয়া টেকনিকেল কমিটিয়ে আৰ্কিটেক্টৰ যোগেদি নক্সা, প্লান আদি তৈয়াৰ কৰি অনুমোদনৰ বাবে দিল্লী নগৰ নিগমলৈ প্ৰেৰণ কৰে। যিহেতু মাটি টুকুৰা অসম এছোচিয়েছনৰ নামত ক্ৰয় কৰা হৈছিল অনুমোদনৰ বাবে পঠোৱা কাগজ পত্ৰ সমূহ অসম এছোচিয়েছনৰ সাধাৰন সম্পাদকৰ চহীৰ দ্বাৰাহে নগৰ নিগমৰ কাৰ্য্যালয়ত জমা কৰা হৈছিল। ট্ৰাষ্টৰ ফালৰ পৰা প্ৰয়োজনীয় ফিজ সমূহ জমা দি নগৰ নিগমৰ অফিচৰ লগত সঘনাই যোগাযোগ ৰখা হৈছিল।

অনুমোদনৰ বাবে কাগজ পাতি জমা কৰাৰ পাছতে ভৱন নিৰ্মাণৰ বাবে প্ৰয়োজনীয় অৰ্থ সংগ্ৰহ কৰাটোৱেই ট্ৰাষ্টৰ বাবে অতি জটিল বিষয় হিচাবে গণ্য কৰা হয়। এই ক্ষেত্ৰত অসম এছোচিয়েছনৰ প্ৰায়বোৰ সদস্যই নিজা ববীয়াকৈ সামৰ্থ্য অনুযায়ী দান বৰঙণি আগবঢ়োৱাৰ বাবে আগবাঢ়ি আহে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বিভিন্ন ঠাইত সিচঁৰতি হৈ থকা অসমীয়া পৰিয়াল সমূহৰ ঘৰে ঘৰে প্ৰতিটো শনি আৰু ৰবিবাৰে অৰ্থ সংগ্ৰহৰ বাবে আমি কেইজনমান লগ লাগি গৈ থকাৰ পৰিপ্ৰেক্ষিতত প্ৰায় ৬/৭ লাখ মান টকা সংগ্ৰহ কৰিব পৰা হয়।

ভৱন নিৰ্মাণৰ বাবে নিযুক্তি দিয়া আৰ্কিটেক্ট বেহেল যোশীয়ে ইতিমধ্যে নক্সা পন আদি বনোৱাৰ লগতে প্ৰয়োজনীয় ধন ৰাশিৰ বিষয়েও এটা খচৰা তৈয়াৰ কৰি ট্ৰাষ্ট লৈ প্ৰেৰণ কৰে। তেখেতৰ মতে কেৱল ভৱনটো বনোৱাৰ বাবে ১ কোটি ৫০ লাখ টকাৰ প্ৰয়োজন, তাৰ পাচত আচবাব সমূহৰ বাবেও কিছু টকাৰ প্ৰয়োজন হব। ঘৰটোৰ নিৰ্মাণ আৰম্ভ কৰাৰ সময়ত ট্ৰাষ্টৰ হাতত অতি কমেও ২৫ লাখ টকা জমা থকাটো প্ৰয়োজন বুলি তেখেতে মন্তব্য কৰে।

অৰ্থ সংগ্ৰহৰ প্ৰথম পদক্ষেপ হিচাবে ট্ৰাষ্টে ১৯৯২ চনৰ ১১ এপ্ৰিল তাৰিখে "হাৰমনি" নামেৰে এটি সংগীত সন্ধিয়াৰ আয়োজন কৰিছিল। দিল্লীৰ প্ৰখ্যাত পেক্ষাগৃহ চিৰিফৰ্টত আয়োজন কৰা সংগীত সন্ধিয়াত ওস্তাদ আমজাদ আলি খানে সৰোদ বাদন আৰু চলচিত্ৰ তাৰকা হেমামালিনীয়ে ভাৰত নাট্যম নৃত্যৰ প্ৰদৰ্শন কৰিছিল। সেই অপূৰ্ব সন্ধিয়াত প্ৰেক্ষাগৃহ ঠাহ খাই থকা দৰ্শকক আমোদ দিয়াৰ উপৰিও সকলো খৰচ বাদ দি ট্ৰাষ্টৰ পুঁজিত ৭ লাখ ৰাহি ধন গোট খাইছিল।

অৰ্থ সংগ্ৰহৰ দ্বিতীয় পদক্ষেপ হিচাবে অসমত স্থাপিত উদ্যোগ সমূহৰ এখন লিষ্ট তৈয়াৰ কৰা হয় আৰু সেই সময়ত কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ মন্ত্ৰী হিচাবে কৰ্মৰত শ্ৰীযুত তৰুণ গগৈ দেৱক চেয়াৰমেন পাতি তেখেতক সহায় কৰিবৰ বাবে এখন উপ-



Scanned by CamScanner

কমিটি গঠন কৰি দিয়া হৈছিল। সেই একেদৰেই চাহ উদ্যোগ সমূহৰ পৰা অৰ্থ সাহায্য লাভ কৰাৰ উদ্দেশ্যৰে কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী পৱন সিং ঘাটোৱাৰক চেয়াৰমেন পাতি অন্য এখন উপ-কমিটি গঠন কৰি দিয়া হৈছিল। তেখেত সকলে ট্ৰাষ্টে চপাই উলিওৱা Appeal letter আৰু Brochure সমূহ বিভিন্ন উদ্যোগ সমূহলৈ পঠাইছিল।

অৰ্থ ,সংগ্ৰহৰ প্ৰচেষ্টা চলি থাকোতেই অসম চৰকাৰৰ পৰা এটা প্ৰস্তাৱ ট্ৰাষ্টলৈ আহে। ২৪/১/১৯৯৫ তাৰিখে সেই সময়ত অসম চৰকাৰ ৰেচিডেণ্ট কমিচনাৰ শ্ৰী এ, পি, সিং (IAS) ডাঙৰীয়াই ট্ৰাষ্টৰ মিটিঙত জনায় যে অসম চৰকাৰে দিল্লীৰ অসম হাউচটো ভাঙি নতুনকৈ বনোৱাৰ সিদ্ধান্ত লৈছে। অসম হাউচটো ভঙাৰ সময়চোৱাত তেখেত সকলক অফিচ চলোৱা, আলহী আৰু ষ্টাফ সকলক ৰখাৰ বাবে এটা ঘৰৰ প্ৰয়োজন হব। অসম এছোচিয়েছনে যদি সন্মতি দিয়ে চৰকাৰে শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনটো নিজৰ খৰচেৰে সজাই লৈ ভৱনটোৰ ৫০ শতাংশ এছোচিয়েছনক দি বাকী খিনি অসম চৰকাৰে ব্যৱহাৰ কৰি থাকিব। অসম হাউচৰ পুনৰ নিৰ্মাণ হৈ উঠাৰ পাচত ভৱনটো এছোচিয়েছনক এৰি দিয়াৰ কথাও উল্লেখ কৰে।

ট্ৰাষ্টে প্ৰস্তাৱটোত সন্মতি দিয়াৰ কথাই ভাবিছিল কিয়নো ভৱন বনোৱাৰ বাবে প্ৰয়োজনীৰ ১/২ কোটি টকা ঠাইত মাত্ৰ ১৮ লাখ টকাহে ট্ৰাষ্টৰ পুঁজিত জমা আছিল। তদুপৰি এই প্ৰস্তাৱত সন্মতি জনোৱা মানে অসম চৰকাৰক সহায় আগবঢ়োৱা হ'ব । গতিকে এই ক্ষেত্ৰত বিতং আলোচনা চৰকাৰ লগত কৰি এখন "এগ্ৰিমেণ্ট" কৰাৰ বাবে ৰেচিডেণ্ট কমিচনাৰক দায়িত্ব দিয়া হয়। পৰৱৰ্ত্তী সময়ত অসম চৰকাৰৰ লগত বহু চিঠি পত্ৰৰ আদান প্ৰদান কৰাৰ উপৰি অসমৰ মুখ্যমন্ত্ৰীৰ উপদেষ্টা শ্ৰী যতীন হাজৰিকাৰ লগতো তেতিয়াৰ অসম এছোচিয়েছনৰ সাধাৰণ সম্পাদক শ্ৰী শৰৎ বৰকাকতি আৰু অন্যান্য বিষয়ববীয়াৰ লগত ভৱন নিৰ্মাণৰ বাবে আৰু 'এগ্ৰিমেণ্ট' তৈয়াৰ কৰাৰ বিষয়ে বিশদ আলোচনা কৰা হৈছিল। অসম এছোচিয়েছন, ট্ৰাষ্ট আৰু অসম চৰকাৰৰ মাজত বিভিন্ন আলোচনা বিলোচনা, চিঠিৰ আদান -প্ৰাদন চলি থাকোতেই দুটা বছৰ পাৰ হৈ গ'ল। অৱশেষত অসম চৰকাৰে বিত্তীয় সংকটৰ বাবে অসম হাউচটো নাভাঙি "ৰিন'ভেচন" কৰোৱাৰ বাবেহে পদক্ষেপ হাতত লয়। ন্যাস কমিটিয়ে চৰকাৰৰ পৰা অহা প্ৰস্তাৱ নাকচ হোৱাৰ পাচতে নতুনকৈ অৰ্থ সংগ্ৰহৰ বাবে চিন্তা চৰ্চা আৰম্ভ কৰে। প্ৰয়োজনীয় অৰ্থ হাতলৈ নহাৰ বাবেই দিল্লী নগৰ নিগমত জমা ৰখা 'নক্সা, প্লান আদিৰ অনুমোদনৰ বাবে ক্ষীপ্ৰ গতিত আগ নাবাঢ়ি লাহে লাহে শামুকীয়া গতিৰে যোগাযোগ ৰাখি থকাৰ কথা চিন্তা কৰি পদক্ষেপ লোৱা হৈছিল।

শ্ৰীযুত ত্ৰৈলোক্য প্ৰসাদ খাউণ্ডদেৱ অসম এচোচিয়েচন দিল্লীৰ সভাপতি হৈ থকাৰ সময়তেই ১৭/২/১৯৯৭ তাৰিখে ট্ৰাষ্ট আৰু অসম এছোচিয়েছনৰ এখন যুটীয়া বৈঠক পতা হৈছিল। উক্ত বৈঠকলৈ অসম সাহিত্য সভাৰ সেইসময়ৰ সভাপতি ডঃ নগেন শইকীয়াক বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ কৰি অনা হৈছিল। ভৱন নিৰ্মাণৰ বাবে প্ৰয়োজনীয় অৰ্থ সংগ্ৰহ নোহোৱা বিষয়টোৱেই সভাৰ আলোচনাতে মুখ্য ঠাই পাইছিল। যিহেতু ডঃ নগেন শইকীয়া দেৱ অসম এছোচিয়েছনৰ সভাপতি ৰূপে কাম কৰাৰ উপৰি ভৱন নিৰ্মাণৰ বাবে অতি আগ্ৰহী আছিল সেয়েহে তেখেতে অসম সাহিত্য সভাৰ পৰা আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে ইচ্ছা প্ৰকাশ কৰিছিল। এই মৰ্মে অসম সাহিত্য সভালৈ এখন আবেদন পত্ৰ প্ৰেৰণ কৰা হৈছিল। কিন্তু পাচত এই বিষয়ত অসম সাহিত্য সভাৰ পৰা বিশেষ সঁহাৰি পোৱা নহ'ল।

ভৱন নিৰ্মাণৰ বাবে অহা অন্য এটা প্ৰস্তাৱত অসম চৰকাৰৰ সেই সময়ৰ কেবিনেট মিনিষ্টাৰ (ৰাজহ বিভাগৰ) শ্ৰী জয়নাথ শৰ্মা দেৱে জনায় যে অসমত প্ৰতিষ্ঠা কৰা টেকনিকেল ইণ্টিটিউটৰ এটা শাখা দিল্লীত খোলাৰ বাবে তেখেত সকলে মাটি বিচাৰি আছে। অসম এছোচিয়েছনৰ নামত থকা মাটি টুকুৰাত এটা ভৱন নিৰ্মাণৰ সকলো খৰচ উক্ত ইষ্টিটিউটে বহন কৰিব। এই প্ৰস্তাৱটো ২৮/৯/১৯৯৭ তাৰিখে তেতিয়াৰ অসম এছোচিয়েছনৰ সভাপতি শ্ৰী শিৱৰাম দেউৰীদেৱৰ সভাপতিত্বত বহা ট্ৰাষ্ট আৰু এছোচিয়েছনৰ যুটীয়া বৈঠকত শ্ৰী জয়নাথ শৰ্মাদেৱে দাঙি ধৰিছিল। তেখেতে জনাইছিল যে ভৱন নিৰ্মাণ হৈ যোৱাৰ পাচত ভৱনৰ দুটা ফ্লৰ ইষ্টিটিউট খোলাৰ বাবে তেখেতসকলক অসম এছোচিয়েচনে এৰি দিব লাগিব। এই ক্ষেত্ৰত শ্ৰী শৰ্মা দেৱৰ লগত বহুদিনলৈ আলোচনা বিলোচনা চলি আছিল যদিও বিশেষ আগবাঢ়িব পৰা নহ'ল।

দিল্লী বিকাশ প্ৰাধিকৰণৰ পৰা ক্ৰয় কৰা মাটি টুকুৰাৰ মূল্য আদায় দিয়াৰ ক্ষেত্ৰত তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ হস্তক্ষেপত চৰকাৰৰ পৰা ৮ লাখ ৫০ হেজাৰ টকাৰ আৰ্থিক সাহায্য নোপোৱা হ'লে অসম এছোচিয়েছনে নিজাববীয়াকৈ অৰ্থ সংগ্ৰহ কৰি মাটি ক্ৰয় কৰাৰ সপোন হয়তো দিঠকত পৰিণত নহ'লহেঁতেন। ঠিক একেদৰেই ভৱন নিৰ্মাণৰ বাবেও অৰ্থ সংগ্ৰহৰ ক্ষেত্ৰত অসমৰ মুখ্য মন্ত্ৰী শ্ৰী মহন্ত দেৱৰ পৰা বিশেষ সহযোগিতা পোৱা হৈছিল। ট্ৰাষ্ট আৰু অসম এছোচিয়েছনৰ এটা সঁজাতিদলে অৰ্থ সংগ্ৰহৰ বাবে পৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱাৰ বাবে তেখেতৰ লগত আলোচনা কৰে। উক্ত আলোচনাৰ মৰ্মে শ্ৰীযুত মহন্তদেৱক অসম ভৱনৰ কনফাৰেঞ্চ হলত ৫/৩/১৯৯৯ তাৰিখে অৰ্থ সংগ্ৰহৰ উদ্দেশ্যে আয়োজন কৰা সাধাৰণ সভালৈ নিমন্ত্ৰণ জনোৱা হয় আৰু তেখেতে সভাত উপস্থিত থকাৰ বাবে ইচ্ছা প্ৰকাশ কৰে। উল্লেখনীয় যে উক্ত মিটিঙত অসম কেডাৰৰ আই, এ, এছ, বিষয়া সকল , দিল্লীত কৰ্মৰত উচ্চ পদবীত থকা অসমীয়া অফিচাৰ সকলৰ উপৰিও পুনঃ প্ৰথমবাৰৰ বাবে অ'এনজিচি আৰু অইল ইণ্ডিয়াৰ চেয়াৰমেন হিচাবে একে সময়তে নিযুক্তি পোৱা শ্ৰী বিকাশ চন্দ্ৰ বৰা (ONGC) আৰু শ্ৰী বিনয়ব্ৰত শৰ্মা (OIL) আৰু শ্ৰী নৃপেন্দ্ৰ নাথ গগৈ উপস্থিত আছিল। ন্যাস কমিটিৰ চেয়াৰমেন এছ. ডি. লহকৰ ডাঙৰীয়াই ভৱন নিৰ্মাণৰ বাবে কিদৰে আগবঢ়াৰ কথা ভৱা হৈছে আৰু অৰ্থ সংগ্ৰহৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা ৰাজিৰ বিষয়ে বহলাই কোৱাৰ



Scanned by CamScanner

পাচতে মাননীয় মুখ্যমন্ত্ৰী মহন্তদেৱে ভাষন দি সভাত উপস্থিত অফিচাৰ সকলক অসমৰ বাহিৰত নিৰ্মাণ কৰিবলৈ লোৱা প্ৰথমটো প্ৰজেক্ট অসম এছোচিয়েছনৰ সপোনৰ শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনটো বনোৱাত দিহা-পৰামৰ্শ আৰু অৰ্থ সাহাৰ্য্য আগবঢ়োৱাৰ বাবে অনুৰোধ কৰে। বিশেষ ভাবে অ এন জি চি আৰু অইল ইণ্ডিয়াৰ চেয়াৰমেন শ্ৰী বিকাশ বৰাদেৱ আৰু শ্ৰী বিনয় ব্ৰত শৰ্মাদেৱক অৰ্থ সাহায্য আগবঢ়াবলৈ অনুৰোধ জনাইছিল। এই মিটিঙত উপস্থিত প্ৰায় কেইজন অফিচাৰে বিষয়টো গুৰুত্ব সহকাৰে লৈ অসম এছোচিয়েছনক সহায় আগবঢ়োৱাৰ বাবে প্ৰতিশ্ৰুতি জনায়।

অৰ্থ সংগ্ৰহৰ ক্ষেত্ৰত আশাৰ ৰেঙনি দেখা পাই দুগুণ উৎসাহেৰে কৰ্ম কৰ্তা সকলে কামত আগবঢ়াৰ বাবে মন মেলে। Construction Committee ৰ চেয়াৰমেন শ্ৰী ভাস্কৰ বৰুৱা (আই. এ. এছ.) দেৱৰ সভাপত্বিত ১/৪/৯৯ তাৰিখে মিটিং পতা হয়। দিল্লী নগৰ নিগমত জমা ৰখা ড্ৰয়িং, প্লান আদিৰ অনুমোদন আৰু অৰ্থ সংগ্ৰহৰ ক্ষেত্ৰত আগবঢ়াৰ লগে লগে ঠিকাদাৰ নিযুক্তি আদিৰ কি দৰে কামবোৰ কৰা হ'ব, ইত্যাদি বিষয় সমূহ বিশদ ভাবে আলোচনা কৰা হয়। CPWD ৰ চিনিয়ৰ আৰ্কিটেক্ট প্ৰয়াত কবিন্দ্ৰ নাথ শইকীয়াদেৱে আলোচনা সমূহত আগভাগ লৈ পৰামৰ্শ আগবঢ়ায়।

অইল ইণ্ডিয়াৰ পৰা অহা ১০ লাখ টকাৰ এটি অনুদান ২৮/৬/১৯৯৯ তাৰিখে ট্ৰাষ্টৰ পুঁজিত জমা হয়। ট্ৰাষ্টৰ পুঁজিত থকা ১৮ লাখ আৰু অইল ইণ্ডিয়াৰ পৰা অহা ১০ লাখকে ধৰি মুঠ ২৮ লাখ টকা ভৱন নিৰ্মাণৰ বাবে নূন্যতম অৰ্থ সংগ্ৰহ হোৱাত কামত আগবাঢ়িব পৰা হব বুলি Construction কমিটি আৰু নিৰ্বাচিত আৰ্কিটেক্ট বেহেল যোশীৰ পৰা সেউজী সংকেট পোৱা গ'ল। সেই সময়তে অসম এছোচিয়েছনৰ নতুন কাৰ্যকৰী কমিটিয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰে। চাকৰি জীৱনত অতি দক্ষ আৰু সত ইঞ্জিনীয়াৰ হিচাবে পৰিগণিত শ্ৰী বি, এম, গোস্বামীদেৱ সভাপতি আৰু ডাঃ হৰেশ্বৰ ডেকাই সাঃ সম্পাদক ৰূপে কাৰ্য্য ভাৰ গ্ৰহণ কৰে। দুয়োজনেই অতি ক্ষীপ্ৰতাৰে দিল্লী নগৰ নিগমত জমা থকা প্লান আৰু ড্ৰইং সমূহ অনুমোদন কৰাই আনিবৰ বাবে উঠি পৰি লাগে। আনহাতে ঠিকাদাৰ নিযুক্তিৰ ক্ষেত্ৰতো কামত আগবঢ়া হয়। দিল্লী নগৰ নিগমৰ পৰা অনুমোদন পত্ৰ ৬।৩।২০০০ তাৰিখে পোৱাৰ পাচতে ১২/৩/২০০০ তাৰিখে ভূমি পূজন অনুষ্ঠানৰ আয়োজনো কৰা হৈছিল।

টেকনিকেল কমিটিৰ অনুমোদন ক্ৰমে ১/৫/২০০০ তাৰিখে 'প্ৰগ্ৰেচিভ ষ্টেটচ (Progrosive estates) নামৰ কোম্পানীটোক কন্ট্ৰেক্টৰ হিচাবে নিযুক্তি দিয়া হয়। তেওঁলোকে ২/৬/২০০০ তাৰিখে ভৱন নিৰ্মাণৰ কাম আৰম্ভ কৰে।

ভৱন নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ লগে লগে ট্ৰাষ্টে অৰ্থ সংগ্ৰহৰ কামত মনোনিৱেশ কৰে। এখন আবেদন পত্ৰ আৰু নিৰ্মাণ হ'ব লগা ভৱনটোৰ বিষয়ে বনোৱা ব্ৰচিওৰ (Appeal letter & brochure) যুগুতাই চৰকাৰী, বে-চৰকাৰী, ব্যক্তিগত খণ্ড আৰু অসমৰ লগত যোগসূত্ৰ থকা অনুষ্ঠান, প্ৰতিষ্ঠান সমূহলৈ পঠোৱা হয়। সুখৰ বিষয় যে এই প্ৰতিষ্ঠান সমূহৰ পৰা পোৱা আৰ্থিক সাহায্যৰ বাবে ভৱন নিৰ্মাণৰ কামসমূহ বিশেষ অসুবিধা সন্মুখীন নোহোৱাকৈ চলি আছিল। টেকনিকেল কমিটিৰ সদস্যবৃন্দ আছিল- শ্ৰী শৰৎ বৰকাকতি, শ্ৰী মনোজ দাস, ডাঃ নীলমনি শৰ্মা, শ্ৰী হৰেকৃষ্ণ দাস, শ্ৰী কবিন্দ্ৰ নাথ শইকীয়া, গ্ৰূপ কেপ্টেইন অতুল চন্দ্ৰ বৰুৱা, শ্ৰী শিৱৰাম দেউৰী, ডাঃ হৰেশ্বৰ ডেকা, শ্ৰীমতী ৰূপাঞ্জলী দত্ত, শ্ৰী হেমন্ত মাধৱ শৰ্মা, শ্ৰী সুৰজিৎ জৰাধৰা।

ভৱন নিৰ্মাণ আৰম্ভ হোৱাৰ লগে লগে ট্ৰাষ্টে 'চাইট এচিষ্টেণ্ট' এজনৰ নিযুক্তি দি কাম সমূহ চোৱাৰ বাবে দায়িত্ব দিয়ে। টেকনিকেল কমিটিৰ সদস্য সকলেও প্ৰায়েই ভৱনৰ কাম চোৱাৰ উপৰি ঠিকাদাৰৰ লগত আলোচনা কৰি ট্ৰাষ্টৰ লগত যোগাযোগ ৰাখি কামবোৰ আগবঢ়ায়। ২০০৩ চনৰ মে মাহত ভৱনৰ Structure টো সম্পূৰ্ণ হয় আনহাতে সংগ্ৰহীত ধনৰাশিও খৰচ হোৱাৰ পাচত ন্যূনতম অৰ্থহে ট্ৰাষ্টৰ হাতত থাকে। ভৱন নিৰ্মাণৰ Finishing কাম সমূহ পূৰা কৰাৰ বাবে প্ৰায় ৫০/৬০ লাখ টকাৰ প্ৰয়োজন আছিল।

সেইবছৰ অসম এছোচিয়েছনৰ নতুন কমিটি গঠন হয়, শ্ৰী বিকাশ চন্দ্ৰ বৰা দেৱ সভাপতি আৰু শ্ৰী মনোজ দাস সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত হয়। অৰ্থ সংগ্ৰহৰ নতুন উপায় উদ্ভাৱনৰ বিষয়ে ট্ৰাষ্টত আলোচনা কৰা হয়। শ্ৰী বৰাদেৱৰ পৰামৰ্শ অনুযায়ী দুটাকৈ সাংস্কৃতিক সন্ধিয়া পতাৰ বাবে যা-যোগাৰ কৰা হয়। প্ৰথমটো অনুষ্ঠান "An Ode to Heritage" নামৰ সন্ধিয়াটো দিল্লীৰ মৰ্ডান স্কুলৰ "চাৰ শংকৰ লাল" হলত ১২/১২/২০০৪তাৰিখে অনুষ্ঠিত হৈছিল। উক্ত অনুষ্ঠানটিত ভাৰতৰ প্ৰখ্যাত তাবলা বাদক ওস্তাদ জাকিৰ হুচেইন আৰু সৰোদ বাদকদ্বয় শ্ৰী আমান আলি খান আৰু শ্ৰী আয়ান আলি খানে ভাগ লৈছিল। দ্বিতীয়টো সাংস্কৃতিক অনুষ্ঠান দিল্লীৰ বিখ্যাত প্ৰেক্ষাগৃহ "চিৰিফৰ্ট অডিটৰিয়ামত" অনুষ্ঠিত হৈছিল। "A Legand's nite - DIL HUM HUM KARE" নামৰ সংগীত সন্ধিয়াত সুধাকণ্ঠ ডঃ ভূপেন হাজৰীকা দেৱে সংগীত পৰিৱেশন কৰিছিল ১৬ অক্টোবৰ ২০০৫ তাৰিখে। শ্ৰীমনোজ দাস আৰু শ্ৰী বিকাশ বৰা দেৱৰ প্ৰচেষ্টা আৰু ট্ৰাষ্টৰ সহযোগত দুয়োটা অনুষ্ঠানৰ পৰা ৫০ লাখ টকাৰো অধিক ধন সংগ্ৰহ কৰিব পৰা হৈছিল বাবে শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ finishing work সমূহ সম্পূৰ্ণ কৰিব পৰা হ'ল। সাংসদ শ্ৰী কুলদীপ নায়াৰৰ সাংসদ পুঁজিৰ পৰা পোৱা ২০ লাখ টকাৰ যোগেদি লিফ্‌ট আৰু প্ৰেক্ষাগৃহ বনোৱাৰ ক্ষেত্ৰত যথেষ্ট সহায় পোৱা হৈছিল।

শ্ৰী বিকাশ বৰা দেৱ সভাপতি হৈ থকাৰ সময়তে ট্ৰাষ্ট ডীড খনৰ সংশোধন কৰা হৈছিল, মূল বিষয় কেইটাৰ ভিতৰত ট্ৰাষ্টি সকলৰ Tenure নিৰ্দ্ধাৰণ, অসম এছোচিয়েছনৰ সভাপতিজনকে ট্ৰাষ্টৰ চেয়াৰমেন হিচাবে কাৰ্যভাৰ চলাবলৈ দায়িত্ব প্ৰদানৰ ব্যৱস্থা, ট্ৰাষ্টি সকলৰ শ্ৰেণী



Scanned by CamScanner

নির্দ্ধাৰণ, যেনে— Life Trustee, Permamnent Tenure Trustee, Ex-officio Trustee ইত্যাদি। ২০০৬ চনৰ ৪ নৱেম্বৰ তাৰিখে অনুষ্ঠিত হোৱা অসম এছোচিয়েছনৰ সাধাৰণ সভাত সংশোধিত ট্ৰাষ্ট ডীড খনৰ গৃহীত হৈছিল। উক্ত সাধাৰণ সভাতে গঠিত হোৱা "বৰ্ড অব ট্ৰাষ্টি"ৰ সদস্য আছিল ঃ-

শ্ৰী বিকাশ চন্দ্ৰ বৰা — চেয়াৰমেন তথা সভাপতি, ডাঃ নীলমনি শৰ্ম্মা- মেনেজিং ট্ৰাষ্টি তথা লাইফ ট্ৰাষ্টি, শ্ৰী সুনীল দত্ত লহকৰ- লাইফ ট্ৰাষ্টি, শ্ৰী মৃগেন ৰায়চৌধুৰী- লাইফ ট্ৰাষ্টি, শ্ৰী চৈফুল আলম- লাইফ ট্ৰাষ্টি, শ্ৰী ত্ৰৈলোক্য প্ৰসাদ খাওন্দ- টেনিয়ৰ ট্ৰাষ্টি, শ্ৰী শিৱৰাম দেউৰী- টেনিয়ৰ ট্ৰাষ্টি, শ্ৰী অতনু প্ৰসাদ বৰুৱা- টেনিয়ৰ ট্ৰাষ্টি, আৰু ডাঃ অমল হাজৰিকা- টেনিয়ৰ ট্ৰাষ্টি

তদুপৰি অসম এছোচিয়েছনৰ উপ সভাপতিদ্বয়, সাধাৰণ সম্পাদক, কোষাধ্যক্ষ, প্ৰাক্তন সভাপতি আৰু প্ৰাক্তন সাধাৰণ সম্পাদক, প্ৰাক্তন কোষাধক্ষ্য, Ex-officio Trustee হিচাবে বৰ্ডত আছিল।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাচতে "বৰ্ড অফ ট্ৰাষ্টিয়ে" টেকনিকেল কমিটিৰ সহযোগত ভৱনৰ বাকী থকা Finishing Work সমূহ যেনে— অগ্নি নিৰ্ব্বাপক ব্যৱস্থা, লাইব্ৰেৰী, কনফাৰেঞ্চ ৰূম, অফিচ আৰু আলহি থকা ৰূম সমূহৰ আচবাব যোগাৰ, কেন্টিন, ডাইনিং ৰূমৰ বস্তু, খোৱা পানীৰ যোগান আদিৰ কাম সমূহ সমাধা কৰে।

ইয়াৰ পাচতে অসম এছোচিয়েছনে ২০০৭-২০০৯ বৰ্ষৰ বাবে নুতন কাৰ্য্যনিৰ্ব্বাহক কমিটি গঠন কৰি দিয়ে। অসম এছোচিয়েছনৰ উপ-সভাপতি আৰু টেকনিকেল কমিটিৰ সদস্য হিচাবে ভৱন নিৰ্ম্মাণৰ বিভিন্ন কামত কৰ্ম্মৰত গ্ৰুপ কেপ্তইন অতুল চন্দ্ৰ বৰুৱাদেৱে সভাপতি আৰু ট্ৰাষ্টৰ চেয়াৰমেন ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। তেখেতৰ সুদক্ষ পৰিচালনাত অসম এছোচিয়েছনৰ ডাইমণ্ড জুবিলী অনুষ্ঠানটি অতি জাক-জমকীয়াকৈ পালন কৰে। তেখেতৰ দিনতে ভৱনৰ ভূমিতল হলটো, বাহিৰৰ মুকলি মঞ্চ, সন্মুখৰ গেইট আৰু প্ৰাচীৰ বনোৱাৰ ওপৰিও প্ৰধান প্ৰেক্ষাগৃহ নিৰ্ম্মাণ কৰি উলিওৱাটো অতি স্মৰণীয় পদক্ষেপ আছিল। শ্ৰী বৰুৱাদেৱৰ লগত সক্ৰিয়ভাৱে কাম সমূহ চোৱা চিতা কৰাৰ ক্ষেত্ৰত শ্ৰী শিৱৰাম দেউৰী, ডাঃ বিপুল বৰুৱা, শ্ৰী হৰেকৃষ্ণ দাস, ডাঃ ৰঞ্জিৎ বৰুৱা, শ্ৰী শৰৎ বৰকাকতি, ডাঃ অমল হাজীৰকা, ডাঃ হৰেশ্বৰ ডেকা, ডাঃ নীলমনি শৰ্মা, শ্ৰী ত্ৰিদিপ শইকীয়া, শ্ৰী মনোজ দাস আৰু শ্ৰীমতী ৰূপাঞ্জলী দত্তৰ নাম উল্লেখ কৰিব পাৰি। আনহাতে কেন্টিন সেৱাৰ যোগেদি শ্ৰী শান্তনু ঠাকুৰীয়াই শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনটি চলোৱাত বিশেষ সহায় আগবঢ়াইছিল।

২০০৮ চনত ট্ৰাষ্টৰ আজীৱন সদস্য চৈফুল আলমৰ মৃত্যু হয়। সেই খালি থকা পদবীত শ্ৰী মদন প্ৰসাদ বেজবৰুৱা দেৱক ট্ৰাষ্টি হিচাবে চাৰি বছৰৰ বাবে নিযুক্তি দিয়া হয়। আনহাতে ট্ৰাষ্ট গঠনৰ সময়ৰ পৰাই সুদীৰ্ঘ ১৮ বছৰৰো অধিক কাল মেনেজিং ট্ৰাষ্টি হিচাবে সেৱা আগবঢ়োৱা ডাঃ নীলমনি শৰ্ম্মাই সেই দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ বাবে ইচ্ছা প্ৰকাশ কৰাত তেখেতৰ ঠাইত ২০০৯ চনৰ ১ এপ্ৰিলৰ পৰা ডাঃ অমল হাজৰীকাক মেনেজিং ট্ৰাষ্টি হিচাবে কাৰ্য্যভাৰ অৰ্পন কৰা হয়।

উপৰোক্ত Tenure Trustee সকলৰ চাৰি বছৰীয়া কাৰ্য্যকাল ২০১১ চনত সম্পূৰ্ণ হোৱাত চাৰিজন নতুন ট্ৰাষ্টিৰ বাচনি কৰি অসম এছোচিয়েছনে নিম্নলিখিত ব্যক্তি সকলক Tenure Trustee হিচাবে নিৰ্ব্বাচিত কৰে। তেখেতসকল হ'ল ঃ- (১) শ্ৰী বিকাশ চন্দ্ৰ বৰা, (২) শ্ৰী মনোজ দাস, (৩) শ্ৰী শৰৎ বৰকাকতি আৰু (৪) গ্ৰুপ কেপ্তেইন অতুল চন্দ্ৰ বৰুৱা।

সেই সকল ট্ৰাষ্টিয়ে ২৫/৯/২০১১ চনৰ পৰা চাৰি বছৰীয়া কাৰ্যকাল আৰম্ভ কৰে। তদুপৰি শ্ৰী মৃগেন্দ্ৰ নাথ ৰায় চৌধুৰীয়ে স্বাস্থ্য জনিত কাৰণত ট্ৰাষ্টৰ পৰা অব্যাহতি লয়। তেখেতৰ ঠাইত শ্ৰী নৃপেন্দ্ৰ নাথ গগৈ দেৱক "টেনিয়ৰ ট্ৰাষ্টি" হিচাবে নিযুক্তি দিয়া হয়। ২০১২ চনৰ ডিচেম্বৰ মাহৰ পৰাই শ্ৰী গগৈ দেৱে ট্ৰাষ্টি হিচাবে যোগ দিয়ে।

মেনেজিং ট্ৰাষ্টি ডাঃ অমল হাজৰীকাই দুবছৰীয়া কাৰ্য্যভাৰ সম্পূৰ্ণ কৰে ৩১/৩/২০১২ তাৰিখে, তেখেতৰ ঠাইত ডাঃ ৰঞ্জিত বৰুৱাই (Ex-offico Member) মেনেজিং ট্ৰাষ্টি হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰে। অৱশেষে ট্ৰাষ্টি শ্ৰী মদন প্ৰসাদ বেজবৰুৱা দেৱৰ কাৰ্য্যকাল শেষ হোৱাত তেখেতৰ ঠাইত ডাঃ ৰঞ্জীত বৰুৱাদেৱক ৪/৮/২০১৩ তাৰিখৰ পৰাই টেনিয়ৰ ট্ৰাষ্টি হিচাবে নিযুক্তি দিয়া হয়। ডাঃ নীলমনি শৰ্ম্মাদেৱ, অসম এছোচিয়েছনৰ সভাপতি তথা চেয়াৰমেন হৈ থকাৰ বছৰতে ট্ৰাষ্ট ডীড খনৰ পুনৰ সংশোধন কৰাৰ ব্যৱস্থা কৰা হয়। ট্ৰাষ্ট ডীড আৰু অসম এছোচিয়েছনৰ সংবিধান সংশোধনীৰ বাবে ডাঃ বিজয় মাধৱ হাজৰীকাক আহ্বায়ক সভাপতি পাতি এটি সৰু কমিটি গঠন কৰা হৈছিল। সেই মৰ্মে ২৮ জুন ২০১৫ চনত অনুষ্ঠিত হোৱা সাধাৰণ সভাত সৰ্ব্ব সন্মতিক্ৰমে ট্ৰাষ্ট ডীড খনৰ সংশোধন কৰি, ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ ব্যৱস্থা হাতত লোৱা হয়। সাধাৰণ সম্পাদক ডাঃ বিপুল বৰুৱাই ট্ৰাষ্ট ডীডখন আৰু "অসম এছোচিয়েছন দিল্লীৰ স্মৰণলিপি"খন অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে সুন্দৰকৈ প্ৰিন্ট কৰোৱাৰ দ্বায়িত্ব বহন কৰে। শ্ৰী মদন প্ৰসাদ বেজবৰুৱাদেৱৰ সভাপতিত্বত হোৱা যুটীয়া সভাত "বৰ্ড অফ ট্ৰাষ্টিৰ" পুনৰ নতুনকৈ গঠন কৰা হৈছিল। আজীৱন ন্যাসী সুনীল দত্ত লহকৰৰ মৃত্যু আৰু টেনিয়ৰ ট্ৰাষ্টি সকলৰ চাৰি বছৰীয়া কাৰ্য্যকাল সমাপ্তিৰ পাচত নতুন ট্ৰাষ্টি নিৰ্ব্বাচন কৰা হয়। তদুপৰি শ্ৰী শৰৎ বৰকাকতিৰ পদত্যাগ আৰু শ্ৰী হেমন্ত বিজয় মহন্তই দিল্লীৰ পৰা বদলি হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত নতুন ট্ৰাষ্টিৰ বাচনি কৰা হৈছিল বৰ্তমানৰ বৰ্ড অফ ট্ৰাষ্টিৰ গঠন এনে ধৰণৰঃ-

সভাপতি তথা চেয়াৰমেন - শ্ৰী অচ্যুৎ শইকীয়া, মেনেজিং ট্ৰাষ্টি - শ্ৰী হৰেকৃষ্ণ দাস, আজীৱন ট্ৰাষ্টি - ডাঃ নীলমণি শৰ্ম্মা,

ট্ৰাষ্টি সকল - শ্ৰী বিনয়ব্ৰত শৰ্ম্মা, শ্ৰী ত্ৰৈলোক্য প্ৰসাদ খাউণ্ড শ্ৰী নিত্য শইকীয়া, শ্ৰী ঈশ্বৰ প্ৰসন্ন হাজৰিকা, ডাঃ ৰঞ্জিৎ বৰুৱা আৰু



Scanned by CamScanner

ডাঃ বিজয় মাধৱ হাজৰিকা ন্যাস কমিটিয়ে শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ নিৰ্মাণ আৰু পৰৱৰ্ত্তী সময়চোৱাত ভৱনৰ দৈনন্দিন ৰক্ষণা বেক্ষণাৰ দায়িত্ব সুচাৰুৰূপে বহন কৰি আহিছে। তদুপৰি অসম এছোচিয়েছনৰ যোগেদি অসমৰ কৃষ্টি সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ কাম আগবঢ়াই নিয়াৰ গুৰু দায়িত্ব বহন কৰি আহিছে। শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ যাৱতীয় খৰচ-পাতি সমূহ যেনে- পানী, বিজুলী, হাউচ টেক্স, ৰিপিয়াৰিঙৰ খৰচ ইত্যাদি, ট্ৰাষ্টৰ ফাণ্ডৰ পৰাই কৰা হয়। সুখৰ বিষয় যে, ভৱনত থকা আলহি সকলৰ কমৰ ভাৰা, প্ৰেক্ষাগৃহ আৰু কনফাৰেঞ্চ কম ভূমিতল কম, মুকলি মঞ্চ আদিৰ পৰা সংগৃহীত অৰ্থৰ সহায়ত ভৱনটো চলোৱাৰ খৰচ পাতি সমূহৰ যোগাৱ কৰি থকা হৈছে। অৱশ্যে ইয়াৰ উপৰিও ন্যাস কমিটিয়ে অন্যান্য প্ৰগতিবাদী কাম হাতত ল'লে, অৰ্থ সংগ্ৰহৰ অন্য উপায়ৰ কথাও চিন্তা কৰিব লাগিব।

জন্ম লগ্নৰে পৰা ন্যাস কমিটিৰ মূল বিষয়ববীয়া সকল হ'ল—

| *Period* | *Chiarmen/President* | *Managing Trustee* |
|---|---|---|
| 9-9-1990 to 2005 | Sri S.D. Lahkar | Dr. Nilamani Sarmah |
| 2005 to 2007 | Sri Bikash Bora | Dr. Nilamani Sarmah |
| 2007 to 2009 | Gr. Cpt. Atul Ch. Baruah | Dr. Nilamani Sarmah |
| 2009 to 2011 | Dr. Ranjit Baruah | Dr. Amal Hazarika |
| 2011 to 2013 | Justice M.K. Sharmah | Dr. Ranjit Baruah |
| 2013 to 2015 | Dr. Nilamani Sarmah | Dr. Ranjit Baruah & Dr. BM Hazarika |
| 2015 to 2017 | Mr. M.P. Bezbaruah | Dr. B.M. Hazarika |
| 2017 to 2019 | Mr. Achyut Kr. Saikia | Mr. Harekrishna Das ■ |



# গীত

**শৰৎ বৰকাকতি**

নদীৰ পাৰতে
সভ্যতাই এদিন
পোখা মেলিছিল
গছ লতা পশু পক্ষী
জল-জীৱ সবাকে
অমৃতৰ ধাৰা
বিলাই দিছিল
সমাজ সংস্কৃতি
ইয়াতে গঢ়িছিল
নদী আছিল গতিৰ প্ৰতীক।

ইয়াতে মেলিছিল
সাউদে নাও
বাৰিষা পলস পৰা
কৃষকৰ পথাৰত
লহপহ বাঢ়িছিল বাও
ইপাৰ সিপাৰৰ
যাত্ৰী কঢ়িয়াই
মাছৰ বেহাৰে
ৰংমনে পাৰতে
জীৱনৰ গীত ৰচিছিল
নদীৰ পৰাণ
এই সোঁতৰে বেপাৰ
মানুহে কৰিব বুলি
নদীয়ে জানো জানিছিল
নদী আছিল গতিৰ প্ৰতীক।

প্ৰযুক্তি অৰ্থনীতি
আমাক সদায় লাগে
বিকাশৰ নতুন বাট
বিজ্ঞানেই বিচাৰিব লাগে
শক্তি বিচাৰি জানো
সোণৰ কণীপৰা
হাঁহজনীকে মাৰিম
ভৱিষ্যতৰ বাবে
একো নেৰাখিম
নেচাওঁ কিয় সেই
ভয়াবহ দিন
যিদিনা সন্তানে আহি
আমাকে সুধিব
ইয়াত এখন হেনো নদী আছিল
নদী আছিল গতিৰ প্ৰতীক।
কাইলৈও হৈ থাওক গতিৰ
প্ৰতীক...........



# সাতাম পুৰুষীয়া বাটাম

সাতামপুৰুষীয়া বাটাম পুৰণি ঘৰটো ভাঙোতে পাই পিতাই-ববপিতাই দুয়ো লগ লাগি ভঁৰালৰ গাধৈৰ তলতে থৈ দিছিল। এনে ছটিৰ বাটামৰ ভৰ ল'ব পৰা খুটা নাই বুলিয়েইনে, ন'ঘৰটো ঠেকাওঁ বুলিয়েই বাটাম এলাগী কৰা হ'ল। আহকচোন মিল গাঁৱৰ মিলেশ্বৰ আতৈ। আতৈ পাকৈত বাঢ়ৈ। পৰিল চকুত। পিতাই-ববপিতাই বোলে 'চা টুকুৰিয়াই, লেকেটু কাঠ অ মিলে। বলে পাৰিবি জানো চেও দিবলৈ এই দেও কাঠ?'

'চাং চ'ন বাউ'....বুলি বাঢ়ৈয়ে পোণতে আঢ়ৈ ইঞ্চিৰ গজাল এটি কাঠৰ বুকুত ভৰাব খুজিলে, নোৱাৰিলে। অথালি-পথালিকৈ মৰা বটালিও উফৰি গ'ল। নিজৰে কুহুমিয়া নিমখীয়া ঘাম ববযুণত মিলে আতৈ জুৰুলি-জুপুলি হ'ল।

'ঐ বৰত যা চ'ন পানী এবাতি আনগৈ।'

বৰপিতায়ে বোলে—'হেৰৌ মিলে একাণপতীয়া। তোৰ চাহ বাতিয়েই চেঁচাগুটি হ'ল। গুড় লেপাও গুড়ি পৰুৱাৰে আধি কৰিলি। থ আৰু নোৱাৰ যদি। বলে নোৱাৰা শিলক পৰি নমস্কাৰ। অস্ত্র সামৰ। বোলোঁ ভৰত যা, তই নকৈ এটোপা চাহকে তপতাবলৈ ক'গৈ মাৰক বা বৰ মাৰক।'

যিবা আজ্ঞা, মই চাহৰ কথাটো কলোগৈয়ে, লগতে চেও দিব নোৱাৰা দেও কাঠৰ ওচৰত বৰপিতাই আৰু পিতাই সেও হোৱাৰ বাতৰিও দিলোগৈ। বৰমা একাঁঠি চৰা। মাক বোলে—ভৰতৰ মাক ঔ নামলৈ টোপোলা বান্ধ। মাই আথে-বেথে আখলৰ কৰণী ভাগত কলপাতেৰে এখনি গুৱাপান নুৰিয়াই বিৰ-বিৰকৈ প্ৰাৰ্থনা জুৰিলে। বৰমাৰ আজ্ঞা পাই মই আকৌ জুহালৰ জুইকুৰাত ফুঁ মাৰিছো। ডেগচি নে কেটলি আছে, পিছে মিলে আতৈয়ে বাঁহৰ চুঙাৰ চাহপানীটোপাহে ভাল পায়। তাতকৈ ভাল পায় বৰমাৰ হাতৰ আগনি সাঁজ পানীটুপি। পিছে এতিয়া সেইবিধ নাই। মাই বিৰ বিৰকৈ গাইছে—'দায় দোষ ক্ষেমিবা ঘৰ দেউতি বিৰিখৰ চমন দেউ। আমি অজলা মণিছ, তুমি ক'ত নেথাকা পৰভু...।'

চাহপানী বাকিবলৈ আহি মাৰ প্ৰাৰ্থনা শুনি বৰমাই জুহালৰ পৰাই শুধৰণি কৰিছে। 'মণিছ অজলা হৈ থকা নাই ভৰতৰ মাক। মণিছে ওভোট গোৰে নচা দেখিয়েই ওপৰৰ জনাই ঠেহ জুৰিছে, জুৰিবই তোন।'

'অ মিলে ক চোন, কি গছৰ কাঠ হ'ব পাৰে?' ববদেউতাই সুধিছে। বাঢ়ৈ নিমাত, আমাৰ ঘৰৰ গৰখীয়া ফাগুন ওৰাঙেহে শেঙুন উজুৱাই ক'লে—'চাল(শাল) বা চেগুন?' এনেতে বাপুটি দেউ আহিল। দেউৰ টিকনিত আমোল-মোল খৰিকাজাঁই। কাঠৰ বাটামৰ কাষতে পীৰা পাৰি বহা মিলে আতৈৰ গাৰ ঘাম-ঘাম গোন্ধ, বৰপিতাইৰ পাগ উঠা হেঙুল বৰণ ধৰা তামোলখনৰ ফুৰফুৰীয়া গোন্ধ আৰু গোহালিত হালোৱা লখে কাইটিয়ে দিয়া তুঁহ জাগৰ ধোঁৱাৰ গোন্ধ আহি খৰিকাজাঁইৰ গোন্ধৰ সৈতে সান-মিহলি হৈছেহি। দেউৰ ক্ষীণকায় উদং দেহাটিত সোলোক-ঢোলোক হৈ পৰিছে লগুনডালি। বৰপিতায়ে বোলে—'দেউ বলে নোৱাৰি কাঠকো পৰি নমস্কাৰ কৰিছো। নেজানো কোন জনা পৰভুৱে আহি থিত ল'লেহি। একালত চুঁচি-কাঁচিয়েইটো ছতি কৰিছিল আথাও-পুথাওসকলে। এতিয়া আমাৰ অস্ত্র ব্যৰ্থ।'

'শ্ৰীবিষ্টু, শ্ৰীবিষ্টু, চুঁচিৰ খুজিছাই যেতিয়া মিহি কৰি ধোৱাই পখলাই ফোঁট লগুন দি এঠাইত থাপিব লাগিব। ঔম তৎ সৎ।' দেউৱে ওলগ ল'লে। ভকত দাস খুড়াও পালেহি, গ্ৰামসেৱক। কথা কাণ্ড চাই তেঁৱো বোলে—'কোনোবা ভকত বিৰিখৰে এই শুকান দেহা দেহি। প্ৰভু পৰমেশ্বৰে নৰসিংহ হৈ জানো ইটাৰ স্তম্ভতো থিত লোৱা নাছিল? তথাপি ককাইদেউ বোলো দুয়োকে কৈছো, জড় বস্তু। এইভাগত যথা থানে ৰাখি জীৱৰ কল্যানৰ বাবে একাধ্যা মহাভাগবত পাঠ কৰাওক। ভাৱেহে ভৱনদীও তৰায়। কাঠতহে আছেনে কিবা তেওঁ 'বিদয়তো' জানো নাই?'

মোৰ শুধৰাবলৈ মন গৈছিল 'হৃদয়' বুলি , পিতাই ডবিয়াই বুলি মনে মনে ৰ'লো। মিলেশ্বৰ আতৈয়ে সাষ্টাংগে প্ৰণিপাত কৰিলে কাঠৰ বাটামটো। আতৈয়ে ঘোষা গাইছে 'নেজানোহো আবাহন'টো। তাৰ পিছত বোলে—'তুমি 'আলোগ্ৰাম' না, মহাবাগত, পুৰাণ না কোৰাণ, দনি-পলনে বুঢ়া বাথৌ মই পথালি চকুৱাই নেজানোং 'নেদেকাঙো'। তই দায় 'নকৰিবি' দেই 'কাত্', মই 'বাৰৈ', তোক কতাই মোৰ কাম। 'আলুৱাই' 'আল' বায়, জালুৱাই জাল বায়, 'বিয়াদে' চৰাই 'পউ' মাৰে , তাৰো 'ইয়াত' জানো মৰম নাই 'ইছ্বৰ? জয় 'বিছকৰ্মা।'

এন্ধাৰ নামিছে। ধূপ-ধুনা জ্বলাই পঢ়াৰ টেবুলৰ কাষতে 'তুমি চিত্ত' গালোৱেই। ভঁৰালৰ কাষৰ পৰা খেদা খাইছো পঢ়াৰ মেজলৈ।



Scanned by CamScanner

পিছে এইবাৰ খেল বেলেগ। ভঁৰালৰ কাযত বহুত মানুহ। টিপ চাকিৰ পোহৰত বাঢ়ৈ আতৈৰ মুখখনি টিক টিক কৰে জিলিকিছে, ধুঁতৰিৰ জিঙজিঙিয়া দাড়ি কেইডালো। তেলঘামত জিলিকিছে মাগুৰ বৰণীয়া মিহি মুখ আৰু নির্মেদ গাৰ পেশীবোৰ।

'বৰত' ঔ, উন, কৰত 'কণ' 'আনচন'।

আতৈ খেলখনৰ কেন্দ্ৰমণি। পিতায়ে 'আতৈ' মানে সখি বোলে, আমি বুলিব লাগে তাৰৈ, পিছে গোটেই গাঁওখনৰে ল'ৰা বুঢ়া আটাইৰে আতৈ, এই বাঢ়ৈ। বাঢ়ৈৰ চাংঘৰ, কাঠৰ আচবাব বৰকৈ নাই, পিছে এই গোটেই এলেকাটোত এনেকুৱা এখন ঘৰ নাই যাৰ ঘৰত আতৈয়ে সজা ডুখুৰী পীৰা এডুখৰ হ'লেও নাই। এনে এজন মানুহে মোক কৰতখন আনিবলৈ পাচিছে। তকো 'উন' মনে সোণ বুলি কৈ। গৰ্বেৰে খিলাঙৰ পৰা কৰতখন আনিছোগৈ। আমাৰ লখে কাইটিয়ে যিহে কয় 'শ্ৰীহৰিয়ে কৰতখন কাযলতিৰ তলত বৈকুণ্ঠৰ পৰা আনিছিল। সেই কাৰণেবে চেপেটা, ঈশ্বৰৰ কিমান শক্তি, পাপৰ খনৰ দৰে, কাগজৰ দৰে কৰি লোহাকো মজা দিয়ে। এ হৰি এ, শংখ, চক্ৰ, গদা, পদ্ম কৰত তোমাৰ..' মই মিচমিচকৈ হাঁহিছো নিজৰ ৰসতে। পিছে মলকনি আপায়ে বোলে 'কি 'লোৱা' ঔ এইটো 'গুউ গোসাঁই নেমানে , ফিচিঙা ফিচিঙকৈ হাঁহিছে?'

মোৰ উৎসাহত চেঁচাপানী পৰিল। মনবোৰ চন্দা মাছৰ দৰে ভিতৰ জিলিকা নিজনি হোৱা হ'লেহে গম পালো হেঁতেন যে মই বেটাই হৰিৰ কথা ভাবিহে হাঁহিছো, তাচ্ছিল্য কৰি নহয়, এনেয়ে।

'এইবাৰহে নিবাৰ, কাট খাবই, মিলে আমাৰ স্বয়ং 'বিছকৰ্মা।' পিছে দেওকাঠ, এডুখৰি এই জগন্নাথ শৰ্মাদেউকো দিব দেই সন্দিকৈ। ঘৰৰ মন্দিৰতে গোজ মাৰি পূজা সেৱা কৰিমহঁত।' বাপুটি দেউৰেই আৰম্ভ কৰিলে।

চৰ্দাৰ দেদাই কলঙপাৰৰ পৰা আহি হেমলাইত গেৰেজ খুলিছেহি। তেওঁৰ দেউতাকো আহিছে উজনি দেশ ফুৰিবলৈ। আহকচোন এইফালে , জুমত চামিল হ'লহি। হিন্দী-ফিন্দীৰ সঁচকে নেজানে। চৰ্দাৰ দেদাইৰ মুখত অসমীয়া ফঁকৰাহে ওলায়। পিতাইৰ সখি। পিতায়ে তেওঁকো এডোখৰ কাঠ দিব। কলঙৰ পাৰৰ গুৰুৰ দুৱাৰতে ক'ৰবাত লগাবগৈ। দেদাইৰ লগত সৌজন মজিদ খুড়া। কাঠ কাট নৌ খাওঁতেই তেওঁলৈও বৰ কাঠৰ এভাগ বৰপিতায়ে দিম বুলিয়ে ক'লে। 'সৰু বাকছ এটি সাজিব পাৰিলেই হ'ল ককাইদেউ। কিনো ৰাখিম আল্লা-তাল্লাহৰ বাণী ধৰি ৰখা কোৰাণ শ্বৰীফৰ বাবে ঠগা এখনিকে সাজিব পাৰিলেও হ'ব।

দাস খুড়াই চাইকেল পকাইছিলেই, নামি আহিল। বৰ পিতাইক ক'লে—এখন ঠগী বা থাপনাৰ বাবে আমাৰ নামঘৰলৈও অলপ বচাই ৰাখিব। পুৰণি কাঠ হ'লেও আৰু বহুদিন যাব। যতনকৈ ৰাখিলে দিন যাবই। ঘূণৰ কি সাধ্য এই শিলকাঠ বিন্ধে?'

দেউ গ'লগৈ , তেওঁৰ মন্দিৰৰ পৰা শংখধ্বনি আহিছে। নামঘৰৰ ডবা বাজিছে। মছজিদৰ পৰা আজানৰ সুৰ উৰি আহিছে। আনদিনা ইমান মনকে নকৰো। 'এঘাৰং এঘাৰং এশ একৈশ'ৰ ধ্বনি যেতিয়া গাঁৱৰ প্ৰতিঘৰৰ পৰা আহে ঈশ্বৰক মতা শব্দ আৰু ধ্বনিবোৰ অফুট হৈ ৰয়। পঢ়াৰ কথা ভাবোতেই পালেহি নহয় গুণাৰাম চাৰ। আমাক মহাশয় বুলিবলৈ কৈছিল পিছে আমি নতুন দিনৰ মানুহ। বানে আমাৰ ঘৰৰ বেৰত বছৰি চিন থৈ নেযায় জানো? ইংৰাজৰ বান আহিল গ'ল, কিন্তু বহু চিন থৈ গ'ল, যেনে চাৰ, টেবুল ইত্যাদি। ইফালে কটুৰ কাঠ ডোখৰ নিৰ্জ্জু হৈ পৰিছে। 'কৰক্ কৰক্ শব্দ'—কি কৰক? কাম কৰক?

'সেইয়া। কাঠ ওলালেই নহয়। এহেঁতৰ ব্লেকবোৰ্ডখনৰ এটা বাও ঘুণে খাইছে। বুইছে সন্দিকৈ। মই বোলো সন্ধিটো কৰি থৈয়ে যাওঁ। বোলে আতৈ, কাঠো পালো বাঢ়ৈও পালো , বাতৰিও দিলো। ল'ৰাহঁতৰ ভৱিষ্যতৰ কথা। মই বৰ্ডত আখৰ লিখো, সংখ্যা লিখো মোহাৰো , পিছে ল'ৰাহঁতে ছোৱালীহঁতে মনৰ ফলিত লিখে ম'ছ নেখায় কেতিয়াও।' চাৰে কৈছে।

'অব, অব, মাষ্টৰ অব। মোৰ কাম বাৰিয়েই তাকে আৰু। অমাজখনৰ ৰাল হ'লেই অ'ল।' আতৈ উবাচ। প্ৰথম ছেও শেষ হৈছে। আতৈয়ে বোলে—'ডান্'। আতৈৰ ল'ৰা ৰকবক মোৰ লগতে পঢ়ে মাইনৰ স্কুলত। এৰা তাৰ মুখতেই শুনিছে এই ইংৰাজী ছাগৈ। 'ডান' বাঃ আতৈ বাঃ।

'বাৰু তেনে ময়ো উঠিছো। সন্দিকৈ কালিলৈ স্কুলৰ মেনেজিং কমিটিৰ মিটিং এখন ফিটিং কৰিছো। আহিব। মই মাতিবলৈহে আহিছিলোঁ। ল'ৰাই পাঠশালা এৰি মাইনৰ স্কুল পালেগৈ বুলি আমাৰ স্কুলখন নেওচা নিদিব।' চাৰ গ'লগৈ। আমি ল'ৰাবোৰে হাত যোৰ কৰি বিদায় দিলোঁ। দুলু বাইদেৱে পঢ়াৰ মেজৰ পৰা মানুহক শুনোৱায়ে 'মানৱ বন্দনা' গাইছে। —

আহিছে মানুহ গৈছে মানুহ  
মানুহ ময়াপী জীৱ  
মানুহ সোঁতৰ অন্ত নাইকীয়া  
বুলিলে মৰত কিয়?


মানুহৰ সোঁতত উটি আহিছে নিত্যানন্দ বৈৰাগী বাপু। তেতিয়ালৈ চোতালত ফৰিং ফুটা জোনাক। কাযলতিৰ তলত



Scanned by CamScanner

# Assam Association, Delhi (2017-19)

## Office Bearers


Achyut Kumar Saikia
President


Rupen Goswami
Vice-President


Anjali Barooah
Vice-President


Dipak Saikia
General Secretary


Pabitra Kr Nath
Treasurer


Devaa Prasana Das
Secy, Cultural Affairs


Dibyojit Dutta
Secy, Co-ordination


Trishna Barkakoty
Secy, Welfare


Hironlal Dutta
Member


Aruna Baruah
Member


Dr Kulen Das
Member


Tridib Saikia
Member


Dr Dibyendu Kr. Borah
Member


Manik Pathak
Member


Dr Chandan Bartamuli
Member


Dr. Ranajit Mazumdar
Member


Angshuman Baruah
Member


Madan Prasad Bezbaruah
Ex-President


Dr. Hareswar Deka
EX-General Secy.



Harekrishna Das
Managing Trustee, AACET


Manik Chandra Dash
Editor (Samayik)

Scanned by CamScanner




Scanned by CamScanner




Scanned by CamScanner

কেতিয়াবা আনন্দ লহৰী বাদ্য আনে, কেতিয়াবা আনে কান্ধত ওলোমাই বৰ ভেকোলাৰ ছালেৰে নিজে সাজি লোৱা দোতাৰাখন। বৈৰাগী বাপুৰ লগত আৰু এটি ধুনীয়া ডেকা বৈৰাগীও আহিছে এইবাৰ। তেওঁ বোলে নামনিৰ ফালৰ, সেইখন ছেৰ্জা, কান্ধৰ জোলোঙাত আনিছে ছিফুং। এই জোনাক অথলে নেযায়। সুৰ লহৰী আৰু বাদ্যৰ কঁপনিৰে জীৱনৰ ৰাগ-বিৰাগ সকলো ঘোল খাইছে, এই মায়া চোতালৰ মৰণাৰ মাজত।

'হাঁয় মোৰ হৰি হৰি
মায়াৰ বাঘে ধৰি খায়
সংসাৰ বননিতে ফুৰোঁ খৰি-লুৰি
প্ৰভু দেহাৰ খৰিও হ'ব ছাই'.....

গীত থমকি ৰ'ল। নিত্যানন্দ বাপুৰ প্ৰশ্ন—

'বোলো ৰাইজ দেখোন ঘন, পিছে এইফালে খৰি নে কাঠ??মই আকৌ বোলোঁ আজি পঠা ভাগ লগাইছে নেকি? মনটো কোঁচ খাই গৈছিল। আহোঁ নাহোকৈহে দেওনা দেও দিছোঁ দেই।'

'বৈৰাগী অই, এই কাঠচটাৰ একালত তেজ পুঁজ নাছিল বুলি ভাবিছিলি নেকি? অকল ৰঙা অলেই তেজ না?

"আছিল আছিল। পৰশু কৰে ধৰি বধিলে বৃক্ষক।"

আমিয়ে ৰক্ষক প্ৰভু আমিয়ে ভক্ষক।"

"তঅঁতি গাইয়ে থাক চন যি মন যায়। উৰ উনিলে কাম কৰিলে বাল লাগে নহয়।" কাম চলি আছে। পিতা আহি বৈৰাগীহঁতক নমস্কাৰ কৰি বহিবলৈ দিলে। মজিদ দাইটিয়ে বোলে—'পুৰিলে ছাই হয়, পুতিলে পছি মাটি হয়, কথা একেটাই। দুনিয়া ফুলনি বাৰী।'

'হয় পিছে মজিদকাইটি, দোঁতোৰা বজাম তুমি জিকিৰ এফাঁকি এই জোনাকত মেলি দিয়া।'

মেলি দিলে, তাৰ সুললিত কঁপনি হৃদয়ৰ কঁপনিৰ লগত মিলি গ'ল। এজনে গালে—

'জীৱন সন্ধিয়াৰ বেলা
নাম লোৱা ঐ
উৰি যাব প্ৰাণপখী
দূৰ দেশলৈ...'

মই বোলো—"তোমাৰ ভালেই হ'ব, তুমিটো উৰি যাবা তোমাক নোপোৰেও, নেপোতেও বৈৰাগী দাই?'

মই বাৰুকৈয়ে গালি খালো বৰপিতাইৰ পৰা। ডাঙৰ মানুহৰ কথাত সোমোৱাই অপৰাধ। গুৰুচৰণ চৰ্দাৰ দৌতিয়ে কৈ আছে—'তৰু তৃণ, গছ বিৰিখ আমাৰ ভাই। আমাৰ শাক ভাতৰ পৰা চিতাৰ কঠ, কফিনৰ কাঠ, শোবাৰ শেতেলি সকলতে এই সহোদৰ ভাইয়ে আমাৰ লগ নেৰে।"

শুনি মোৰ ভাল লগিল। 'পৃথিবী আমাৰ আই, প্ৰাণী-উদ্ভিদ দুই সহোদৰ ভাই।' মই মনতে পদ্য ৰচিলো। বাঢ়ে আতৈ যাবলৈ ওলাল। কাম শেষ হোৱা নাই, কালিলৈ আকৌ আহিব। চেও দি শেষ হ'ল। এডোখৰ সৰু কাঠ বাকী ৰ'ল। এচোতাল মানুহ ঘৰাঘৰি গ'লগৈ। কিবা নিনাও ৰিঙা ৰিঙা বেথাই বুকুখনত থুন থুনাইছে। আতৈৰ হাত সুদা। মই আতৈৰ হাতত আজোখা কাঠডোখৰ তুলি দিলোঁগৈ। 'এই ডুখৰ তুমি লৈ যোৱা তাৰৈ।' প্ৰথমবাৰ তাৰৈ বুলিছো। 'এস মই কি কৰিমগৈ ঔ।'

মই কওঁ নকওঁকৈ ক'লো—'মঙহ কুটা গড় কৰিবা তাৰৈ আমাৰ ঘৰতো আছে।'

তাৰৈ আতৈয়ে মিচিকিয়াই হাঁহিলে। 'তোলৈ একো নেটাকি দেখোন বৰত উন'

'ইস সৌ গুড়িবোৰ আছেই দেখোন।'

'কি কৰিবি ঐ গুড়িবোৰে। দ'ল আজিবি? তই ডেকাই অ'লি চোন।'

'ওঁ দ'ল সাজিম?'

'কাৰ দ'ল? ৰজাৰ?' মই মিচিকিয়ালো , একো নক'লো। নিজকে ক'লো—এই দ'ল আমাৰ সকলোৰে। এই দ'ল ভাঙিবলৈ ক'লা বগা কোনো জ্ঞাতি হিংসকী কুকুৰৰ দল নেমাতিবা। এই দ'ল যাউতি যুগীয়া। লেকেটু কাঠৰ গুড়ি, এই দ'ল নেভাগে। কাৰণ এই গুড়িৰ সেই ধূলিৰ উৎস এটি সাতাম-পুৰুষীয়া বাটাম। পুৰণি ঘৰটো ভাঙোতে পিতাই-বৰপিতাই দুয়ো লগ লাগি ভঁৰালৰ গাধৈৰ তলতে থৈ দিছিল।■



Scanned by CamScanner

# স্বাধীনতা দিৱসৰ দিনলিপি

*পাৰ্থ পি. বৰা*



(১)

নতুন দিল্লী, সময় পুৱা ৭ঃ জেঠ, আহাৰ মহীয়া জ্বলাই মৰা দিল্লীৰ বতৰটোৱে হাত মুখ জঠৰ কৰি পেলোৱা পুহ, মাঘ মহীয়া শীতৰ লগত যুঁজ দি দি ভাদ, আহিন মাহত যেন কিছু দিনলৈ যুদ্ধ বিৰতিহে ঘোষণা কৰিলে। এতিয়া বতৰত কিছু বৰষুণ, কিছু ৰ'দ আৰু কিছু বতাহৰ সুন্দৰ সংমিশ্ৰণ। ব্যস্ততাৰে নিজক আৱৰি অহৰহ গতি কৰি থকা এই চহৰৰ বাসিন্দাসকলৰ অৱশ্যে বতৰৰ পৰিৱৰ্তনলৈ বৰ এটা ভ্ৰুক্ষেপ নাই। সেইবোৰ কথা ভাবি বৈ গ'লেই যেন তেওঁলোকৰ জীৱন সংগ্ৰামৰ অংকত আউল লাগিব।

জীৱনৰ সমীৰকণটো কিছু পৰিমাণে সমতুল্য কৰাৰ স্বাৰ্থতেই আয়ান যোৱা দুবছৰে বিদেশী কোম্পানী এটাৰ কল চেন্টাৰত কৰ্মৰত হৈ আছে। চাকৰিটো লৈ সি বৰ এটা সুখী নহয় যদিও কেৱল মাত্ৰ পইচাৰ কেইটাৰ বাবেই সি প্ৰতি নিশাই তাৰ দায়িত্ব পালন কৰিবলৈ অফিছলৈ ওলাই  যায় আৰু পুৱা ঘূৰি আহি কালামৰ দোকাত বহি একাপ চাহ, এটা ছিগাৰেট আৰু এখন বাতৰি কাকত হাতত তুলি লয়। কালামৰ দোকান মানে পদপথৰ অস্থায়ী চাহৰ দোকান এখনক আয়ানে মনতে দি লোৱা না। গৰম চাহ, বিস্কুট ইত্যাদি গ্ৰাহকৰ হাতে হাতে গুজি যোৱা চাহ দোকানখনত ৮-১০ বছৰীয়া মিঠাবৰণীয়া ল'ৰাটোক দেখিলে তাৰ "আই.এম.কালাম" বোলছবি খনৰ কেন্দ্ৰীয় চৰিত্ৰত অভিনয় কৰা ল'ৰাজনলৈ মনত পৰে। সেয়েহে আয়ানৰ বাবে এইখন কালামৰ দোকান। সি কোনোদিনে এই চাহ দোকানৰ ল'ৰাজনক বিশদভৱে সোধা নাই যে তাৰো আছে নেকি ডাঙৰ মানুহ হোৱাৰ হাজাৰটা ডাঙৰ সপোন?? সি স্কুল যাবলৈ বিচাৰেনে?? তাৰ প্ৰকৃত নামটো নো কি? ক'ৰ পৰা আহি সি কিয় এনেকৈ কাম কৰিব লগা হৈছে?? ৭০ বছৰীয়া স্বাধীনতাৰ সোৱাদ লোৱা বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশখনৰ বুকুত এনে শিশু শ্ৰমিক দেখিলে দেশৰ স্বাধীনতাত প্ৰশ্ন উঠে। জন্মু কাশ্মীৰত ভাৰতীয় সৈন্যৰ অকাল মৃত্যু, গোৰখপুৰত শিশুবোৰৰ অকাল মৃত্যু, অসমত বানপানীত মৃত্যু কাকতত এনেবোৰ খবৰ পঢ়ি পঢ়ি সি জলকা লাগে। হায় স্বাধীনতা!!! আয়ানে হাতৰ ছিগাৰেটটোৰেই যেন হুপি পেলাব খোজে জীৱন আৰু দেশৰ সকলো নেতিবাচক খবৰ। দুৰ্নীতি, দাৰিদ্ৰতা, নিৰক্ষৰতা ইত্যাদিৰ পৰা স্বাধীনতা বিচাৰি হাহাকাৰ কৰি উঠে তাৰ মন। কিবা এটা কৰিবলৈ উত্ৰাৱল হৈ উঠে আয়ানৰ মন মগজু। কিন্তু শেষত কৰা নহয় গৈ; পুৱা অফিচৰ পৰা ভাগৰি আহি দিনটোৰ আধাখিনি সময় শুই পুনৰ সন্ধিয়া অফিচ পোৱাটোৱেই যেন তাৰ গতানুগতিক জীৱন, যাৰ এটা গুৰুত্বপূৰ্ণ অংশ কালামৰ দোকানৰ চাহকাপ, চিগাৰেটটো, কাকতখন...।।

আজি পিছে তাৰ গতানুগতিকতাত আউল লাগিল। ৰাতিটোৰ ভাগৰখিনি উদং কৰিবলৈ কালামৰ দোকানলৈ আহিয়ে তাৰ খঙে চুলিৰ আগ পালেহি। কাৰণ, এতিয়া পুৱা সাত বাজিলে অথচ দোকান খোলাই নাই। ধমকি এটা দি শুই থকা কালামক জগাবলৈ গৈ কণমানি ল'ৰাটোৰ অজলা মুখখন দেখি সি থমকি ৰ'ল। দোকানৰ বেঞ্চখনতে মহা সুখেৰে টোপনিত লালকাল দি শুই থকা কণমানি ল'ৰাটোৰ টোপনি ভাঙিবলৈ তাৰ সত নগ'ল। দিঠকত নহ'লেও টোপনিত আজি তাক সুখী যেন দেখা গৈছে। সি তাক নজগাই আজি নিজৰ পাকঘৰতে নিজে চাহ একাপ বনাই খোৱাৰ মানসেৰে খোজ ল'লে। এদিনৰ বাবে হ'লেও সদায় চাহ বিস্কুট যোগান ধৰা ল'ৰাটো আজি কামৰ পৰা স্বাধীন হৈছে বুলিয়েই কিজানি আজি তাৰ মনটো কিবা এটা ভাল লাগিছে। এনেতে হঠাৎ তাৰ ম'বাইলত এজন বন্ধুৰ এটা বাৰ্ত্তা আহিল।

স্বাধীনতা দিৱসৰ শুভকামনাৰ বাৰ্ত্তা...!!

(২)

মাজুলী, সময় পুৱা ১০ বাজি ৩০ মিনিটঃ নৈখন আগতে বাপুৰাম বৰাৰ ঘৰৰ ফালেৰে বৈ থকা নাছিল। পিছে এতিয়া নৈৰ বুকু খুচঁৰি ফুৰিলেও বাপুৰাম বৰাৰ ঘৰৰ কোনো অস্তিত্ব বিচাৰি পোৱা নাযাব। মাজুলীবাসীক একাল বানে পায়, আনকাল খহনীয়াই খায়। আজি প্ৰায় এসপ্তাহ হ'ল গাঁওখনৰ লোকসকল আশ্ৰয় শিৱিৰত বাহৰ পতা। বছৰটোত তৃতীয় বাৰৰ বাবে শিৱিৰলৈ আহিব লগা হোৱা মানুহবোৰৰ খাবলৈ বিশুদ্ধ পানী এটুপিও নাই। মাঠাউৰিত গৰু ম'হৰ সৈতে সহ অৱস্থান কৰিছে মানুহবোৰে। এনে মহা প্ৰলয়ৰ মাজতো বাপুৰাম বৰাৰ গাত আজি স্বাধীনতা দিৱসৰ উৎসাহ। কালিৰে পৰা এইবোৰ কথা কৈ ফুৰা মানুহজনক লৈ শিৱিৰৰ বহুজনৰে খং উঠিল। যি মুহূৰ্তত খাবলে চাউল এমুঠিৰ যোগাৰ নাই তাত কেনেকৈ কি স্বাধীনতা উদযাপনৰ কথা আলোচনা কৰিব পাৰে। পুৱাৰে পৰা বিচাৰি বিচাৰি বুঢ়াই ১০ মান বজালৈ কাৰোবাৰ পৰা ৰেডিঅ' এটা যোগাৰ কৰি শিবিৰৰ চুক এটাত বহি স্বাধীনতা দিৱসৰ প্ৰধান মন্ত্ৰীৰ ভাষণটো শুনিবলৈ যত্ন কৰিলে। বানপানীত সৰ্বহাৰা হোৱা মানুহখিনিৰ



Scanned by CamScanner

কাৰো ভাষণ শুনিবলৈ ইচ্ছা তথা সময় নাছিল যদিও ৭০ বছৰীয়া দেশখনৰ প্ৰায় সম বয়সীয়া বাপুৰাম বৰাই কাণ থিয় কৰি ৰেডিঅ'ত স্বাধীনতা দিৱসৰ ভাষণ মন দি শুনিলে। কাৰণ, তেওঁৰ বয়স আৰু অভিজ্ঞতাই সোঁৱৰাই দিছে যে এনে স্বাধীনতা দিৱসৰ দিনা দিল্লীত দিয়া ভাষণত কেতিয়াবা প্ৰধান মন্ত্ৰীয়ে মহাপ্ৰলয়ৰ দুৰ্গতসকললৈ বিশেষ কিবা অনুদান দিয়ে।

(৩)

গুৱাহাটী, সময় পুৱা ১১ঃ দোকমোকালিতেই উঠি আজি বন্তিয়ে লৰালৰিকৈ ঘৰৰ কামখিনি কৰিব লগা হৈছে, কাৰণ আজি তাই যাৰ ঘৰত থাকে সেই দাদা-বাইদেউৰ অফিচ বন্ধ হোৱাৰ বাবে তেওঁলোক বনভোজলৈ যোৱাৰ কথা। তেওঁলোকৰ ল'ৰা-ছোৱালী হালকো যাবতীয় সকলো যতনাই দি দাদা বাইদেউৰো আউল মাৰি পঠাই ১০ বজাতহে যেন তাই উশাহটো ল'লে। বনভোজলৈ তাইকো যাবলৈ বাৰে বাৰে কৈছিল দাদ বাইদেৱে। পিছে তাই যাবলৈ মন নকৰিলে।

সদায় তেওঁলোকৰ সৈতে গতানুগতিক জীৱন কটোৱা ১৪ বছৰীয়া গাভৰুজনীয়ে আজি নিজৰ সৈতে সম্পূৰ্ণ এটা দিন কটাব। তাই সময় লৈ গা ধুব, বাইদেউৰ দৰে সাজিব কাছিব, দাদাৰ দৰে চফাত বহি কফি খাব, ৰিমট টিপি টিপি চেনেল সলাই চি.ভি চাব। আজি অফিছ কাচাৰী কিহৰ উপলক্ষে বন্ধ তাই নাজানে, মুঠতে তাই আজি ঘৰৰ চাৰিবেৰৰ মাজতে স্বাধীন হোৱাৰ জোখাৰে স্বাধীনতা উদযাপন কৰিব।

(৪)

গুৰুগ্ৰাম (গুৰগাঁও), সময় পুৱা ৯ঃ ব্যক্তিগত খণ্ডৰ চাকৰিবোৰৰ এটাই মাত্ৰ বৈশিষ্ট্য যে দৰমহা বা খাটনি যিমান বাঢ়িলেও সদায় কম যেনহে অনুভৱ হয়। কস্তুৰীয়ে ৰাজধানী চহৰ দিল্লীত চাকৰিলৈ বুলি আহি থাকিবলৈ লোৱাৰ প্ৰায় ছয় মাহ মানেই হ'লে যদিও আজিলৈকে তাই ভালদৰে এইচহৰৰ আকাশখনেই দেখা নাই। অজুহাত সময় নাই। দিনৰ দিনটো আকাশ-পাতালেৰে তহল দি ফুৰা খুব ব্যস্ত মেট্ৰ ৰেল একোখনৰ দৰেই জিৰণি বিহীনভাৱে সপ্তাহটো খাটনি কৰি তাই যেন শনিবাৰে নিশালৈ জ্বলি গলি শেষ হৈ অস্তিত্বহীন হৈ পৰে। দেওবাৰ দিনটোত বন্ধ বুলি কঁকালটো পোনাই পুনৰ সোমবাৰে নিজক সজাই তাই অফিছ পায়গৈ।

তেনে এটা সোমবাৰৰ পাছতেই মংগলবাৰটো বন্ধ পাই, যোৱা কালিয়েই তাই পৰিকল্পনা কৰিছিল যে আজি তাই বহুদিনৰ মূৰত পুৱা দেৰিকৈ শোৱাৰ বিলাসিতাকণ কৰিব আৰু অফিছৰ আধৰুৱা কাম কেইটামান সম্পূৰ্ণ কৰিব। পিছে আঠমান বজাতেই এজাক ল'ৰা-ছোৱালীৰ কোলাহলত তাইৰ টোপনি ভঙাত খুব খং উঠিল। কিহৰনো ইমান চিঞৰ-বাখৰ বুলি বেলকনিলৈ ওলাই আহি দৃশ্য বোৰ দেখি তাইৰ খংটো নিমিষতে পমি গ'ল। গালে মুখে জাতীয় পতাকাৰ ছবি আঁকি লোৱা শিশুহঁতে তাইক একেমুখে চিঞৰিলে, "হেপ্পী ইণ্ডিপেণ্ডেন্স ডে' দিদি...!!"

যোৱা ছমাহত আজি প্ৰথমবাৰলৈ তাইক কোনোবা চুবুৰীয়াই মাত এষাৰ লগোৱাত তাইৰ মনটো আনন্দৰে ভৰি গ'ল। সিহঁতকো কস্তুৰীয়ে শুভেচ্ছা জনালে এমুখ হাঁহিৰে। আজি হাজাৰ হাজাৰ চিলাৰে আকাশখন চানি ধৰিছে আৰু সকলোৱে নিজা নিজা ফ্লেট নামৰ পৃথিৱীখনৰ পৰা এদিনৰ বাবে বাহিৰ ওলাই চাদত উঠি চিলা, জাতীয় পাতাকা উৰুৱাই, গীত নৃত্য, কৰি আনন্দ কৰিছে। পৰিৱেশটো ভাল লগাত তায়ো নিজৰ চাদ পালেগৈ। চিলাৰ লহৰে লহৰে মানুহবোৰৰ হাঁহি মাত কথাবোৰ আকাশে বতাহে বিয়পি পৰিছে। এনেদৰে স্বাধীনতা দিৱস উদযাপনৰ অভিজ্ঞতা তাইৰ আগতে নাছিল। ৰঙা, নীলা, হালধীয়া নানা ৰঙী চিলাবোৰৰ সৈতে তাই যেন দুহাত মেলি উৰি গ'ল মুকলি আকাশৰ বুকুলৈ, নিজৰ শৈশৱলৈ। অকলে অচিনাকী ঠাই এখনত ইমানদিন আছিল যদিও আজি কিবা তাই সকলোবোৰ চিনাকি চিনাকি লাগিল। যান্ত্ৰিকতাত জাহ যোৱা নিজক যেন তাই আজি ঘূৰাই পালে। জীৱনৰ জটিল পৰিক্ৰমাত হেৰাই যোৱা তাইৰ হাঁহিটো খন্তেকতে তাইৰ মুখত বিৰিঙি উঠিল।

আজি তাই নকৰে অফিছৰ কাম। নিজৰ সৈতে কথা পাতিব, নিজে ভালপোৱা ধৰণে এসাঁজ ৰান্ধি খাব আৰু স্বাধীনতা দিৱসৰ অজুহাততেই তাই ভালদৰে দিনটো কটাব কেৱল নিজৰ সৈতে।■



Scanned by CamScanner

# চাইবাৰ সাহিত্য

ড° ৰবীন গগৈ



শিৱসাগৰত পোখা মেলা অসমীয়া ভাষাটি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই নিৰৱচ্ছিন্নভাৱে চৰ্চা কৰি কৰি আমাৰ সকলোৰে মনৰ, হৃদয়ৰ আৰু ওঁঠৰ ভাষা কৰি গঢ় দি থৈ গ'ল। এই ভাষা আমাৰ পৰিচয়, মাতৃভাষা, মাতৃৰ গৰ্ভতে শিকি অহা। কোনো কোনো অসমীয়াই দাবী কৰে যে অসমীয়া ভাষাটিৰ ওৰ বাংলা মূলতকৈ প্ৰাচীন। বেজবৰুৱাই সৃষ্টি কৰি থৈ গ'ল আমাৰ অনুভৱী ভাষাটিৰ কেইবাটাও ধাৰা, যেনে পূৰ্ণাংগ সাহিত্য, সাধু কথা, ব্যংগাত্মক সাহিত্য, গল্প, উপন্যাস, নাটক আদি তৰহে তৰহে যাৰ লেচেৰী বুটলিব পাৰো অৰুণোদয়, ৰামধেনু ইত্যাদিৰ চিৰ যুগমীয়া পাতৰ পৰা। সেই তেতিয়াৰে পৰাই জ্যোতি, বিষ্ণুকে আদি কৰি আজিলৈকে অগণন অসমীয়া-অনা অসমীয়াই অক্লান্তভাৱে অসমীয়া সাহিত্যৰ চৰ্চা কৰি ভাষাটিৰ গুৰিত সাৰ-পানী যোগাই আহিছে।

এতিয়া কম্পিউটাৰৰ যুগ। আমাৰ হাতে হাতে থকা মোবাইল ফোনকেইটা একো একোটা ক্ষুদ্ৰাকাৰৰ কম্পিউটাৰ। দূৰ-দূৰণিত থকাজনৰ সৈতে কথা পাতিব পৰাৰ উপৰিও কি কি যে কৰিব পৰা নাযায় এই মোবাইল ফোনৰ সহায়েৰে। সকলোবোৰ নিমিষতে এতিয়া বাস্তৱ—ইয়াতে মাৰিলো টিপা, গড়গাঁও পালেগৈ শিপা। ছ'চিয়েল মিডিয়া বিশেষকৈ ফেচবুক আৰু হোৱাটচ এপ্ আমাৰ সকলোৰে মাজত বৰ দ'কৈ শিপাই পৰিছে। এই দুয়োটা মাধ্যম সদ ব্যৱহাৰৰ লগতে অপ ব্যৱহাৰো হ'বলৈ ধৰিছে। ইয়াৰ দ্বাৰা বৰ সহজেই যিকোনো বিষয় আদান-প্ৰদান কৰাটো সম্ভৱ হৈ পৰিছে, লিখিতভাৱে আৰু ছবিৰ সহায়ত। এনে হৈছে যেন দুয়োবিধ মাধ্যমৰ উপযোগিতা আমাৰ দৈনন্দিন ক্ৰিয়া-কলাপৰ পৰা এৰাই চলিব নোৱাৰা। হোৱাট্চ এপৰ ব্যৱহাৰ সদ্যহতে তুংগত। সঘনাই গুড মৰ্ণিং আদি অভিবাদনেৰে অতিষ্ঠ কৰা লাগতিয়াল, অলাগতিয়াল, মাৰ্জিত আৰু অমাৰ্জিত সকলো কথাই নিজ গ্ৰুপৰ ব্যক্তিৰ মাজত চলি থাকে। এজনে আনজনৰ সৈতে ধেমালি কৰোতে কৰোতে কেতিয়াবা শালীনতাৰ সীমা চেৰাই যোৱা দেখা যায়। অৱশ্যে এইবিলাকৰ উপৰিও বহুতো জ্ঞান বৰ্দ্ধক কথা, মহৎলোকৰ বাণী, আপ্তবাক্য, বচন, বাতৰি ইত্যাদি হাতৰ মুঠিতে মুহূৰ্ততে মোবাইলত পাওঁ। এনেবিলাক আদান-প্ৰদানত মই লক্ষ্য কৰা আৰু আকৰ্ষিত হোৱা এটা বিষয় হ'ল হোৱাট্চ এপৰ কবিতা আৰু মনোৰঞ্জক কথা; উদাহৰণস্বৰূপেঃ—

## আমাৰ গাওঁ

শুৱনি আমাৰ গাঁওখন অতি
বহু সমস্যাৰে ভৰা,
সমাধানৰ বাবে গাঁৱত কোনো নাই
যেন জীয়াই থাকোতেই মৰা।
পঢ়াবোৰ গ'লগৈ গাঁৱৰ বাহিৰলৈ
নাথাকে শিক্ষিত ল'ৰা,
গাঁৱত যিসকল বুঢ়া মেথা আছে
নুশুনে কাৰোৰেই কথা।
ছোৱালী বিলাকো থাকেগৈ হোষ্টেলত
গাওঁ হেনো জংঘলি ঠাই,
নেটো নেথাকে টাৱাৰো নাপায়
সময়ত বিদ্যুতো নাই।
গাঁৱৰ উন্নয়ন সাধিবলৈ বুলি
গাঁৱত কোনোৱেই নাই,
গাঁও এৰি থৈ পৰিয়াল লৈ
চহৰত ল'লৈগৈ ঠাই।
ৰাস্তাবোৰ আছে দলংবোৰ নাই
আছে মাথোঁ বাঁহৰ সাঁকো,
তাতশাল আছে শিপিনিহে নাই
নুঘূৰে চেৰেকী মাকোঁ।
বাৰী মাটি আছে খেতিহে নকৰে
শাক-পাচলিও নাই,
লোকে কৰা খেতিৰ চবজি পাচলি
গাঁৱৰ মানুহে কিনি খায়।
বহু কিছু গাঁও হাই-টেক হৈছে
খুলিছে ৱাইন শ্বপ,
ধাবা বুলি এবিধ বাৰও খুলিছে
ৰাইজে কৰিছে চখ।
নামঘৰ আছে ভকতহে নাই
নাই ভাওনা নাম,
নামঘৰ গুচি গোহালি হৈছেগৈ
নকৰে কোনেও কাণ।
গৰা খহি খহি নদী হ'ল বাম



Scanned by CamScanner

নচ'লে টুলুঙা নাও,
বাৰিষা আহিলে বানে ধুই নিয়ে
সেইখনেই আমাৰ গাঁও।
চাইকেল নামৰ দুচকীয়াবোৰ
দেখিবলৈকে নাই,
বাইক আৰু কাৰ সকলো আহি
দখল কৰিলে তাৰ ঠাই।
ৰঙালী বিহু গৈ নগৰ পালেগৈ
গাঁওবোৰ উৰুঙা কৰি,
মাঘৰ বিহুটোত মেজিৰ জুই নাই
ভোজ ভাত গ'ল মৰি।
বিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰী নাই
ইংৰাজী স্কুললৈ যায়,
পাপা মাম্মী আৰু আকংলৰ আগত
ইংৰাজী ৰাইম্চহে গায়।
কীৰ্তন ঘোষাত উইয়ে কুটিছে
পঢ়িবলৈ কোনো নাই,
পুৰা গধূলি সবে সময় পাৰ কৰে
টিভি চিৰিয়েল চাই।...

আমি জানো যে যিকোনো চুটি গল্প কবিতা, পদ্য আৰু গীত বাস্তৱৰ ঘটনা বা পৰিঘটনা পোনপটীয়াকৈ নাইবা কিছু কাল্পনিক ৰহন সানি উপস্থাপন কৰা হয়। কিছু খুহুতীয়া আৰু ব্যংগ ভাষাৰে লিখিত কবিতা গীত আদিত বাস্তৱৰ তিতা-মিঠা কথাবিলাক অধিক স্পষ্ট আৰু সবলভাৱে পৰিস্ফুট হয়। যদিও এইবিলাক সৃষ্টিয়ে বৰ বিশেষ গুৰুত্ব বা আদৰ নাপায়, কিন্তু এইবিলাকে বহন কৰা অৰ্থ বা বাৰ্তাৰ চোক বৰ বেছি। পুথি, আলোচনী, বৈদ্যুতিক মাধ্যম আদিত প্ৰকাশিত সকলোবোৰ লিখনি স্থায়ী ৰূপত থাকি যায়। তাৰ বিপৰীতে হোৱাটচ এপ আদিত প্ৰাপ্ত অনামী লেখকৰ (তেওঁলোকৰ সৃজনী প্ৰতিভা শলাগীবলগীয়া) এনে সৃষ্টিৰাজিৰ জীৱন বৰ ক্ষন্তেকীয়া। এইবিলাক কিছুদিনৰ বাবেহে সেই মাধ্যমত থাকে আৰু পিছত হোৱাটচ এপ ফল্ডাৰ পৰা আঁতৰাই (ডিলিট) পেলোৱা হয়। কেৱল ইলেকট্ৰনিক মাধ্যমত চৰ্চিত এনেবিলাক সাহিত্য কালক্ৰমত সম্পূৰ্ণকৈ বিলীন হৈ যায়। কি বিশেষণেৰে এনেবোৰ লিখনিক বিভূষিত কৰিব পাৰি বাৰু? চাইবাৰ সাহিত্য? অনিন্দ্য সুন্দৰ এনে সাহিত্য কিবা উপায়েৰে যুগমীয়া কৰি ৰাখিব পৰা নাযায় জানো।■


IEI

**Indian Institute of Entrepreneurship**

(An organization of the Ministry of Micro, Small and Medium Enterprises, Govt. of India)

An ISO 9001:2008 Certified Institute

**BASISTHA CHARIALI, LALMATI, GUWAHATI - 781029, ASSAM Tel: 0361-2302646, 2300994, 2300123, 2300840 Tele Fax: 0361-2300325/2305394, Website: iie.nic.in Email- iieindia1@bsnl.in**

Institute of Entrepreneurship (IIE) was established in the year 1993 in Guwahati by the erstwhile Ministry of Industry (now the Ministry of Micro, Small and Medium Enterprises), Government of India as an autonomous national institute.
The major activities of the institute include:

(i) Training
(ii) Research and
(iii) Consultancy activities in small and micro enterprises focusing on entrepreneurship development

The Institute's activities are focused on

(i) Areas of stimulating, supporting and sustaining entrepreneurship development
(ii) Plays a supportive role by helping organizations which are directly or indirectly engaged in developing and promoting entrepreneurship and self-employment in the country.
(iii) Engaged in creating an environment conducive to the development of entrepreneurship and in creating a favourable attitude amongst the target audience who opt for an entrepreneurial career.

IIE aims to be the leading provider of **quality professional development programmes, research and information services in the field of entrepreneurship motivation, entrepreneurship development and enterprise management.**
With the quality objectives to:

- Maximize Customers satisfaction
- Introduce new products and services in view of the emerging needs of the government, sponsors and society
- Continually improve the products and services offered
- Continually improve the processes, quality management system and organizational productivity

IIE commits to

- Understand and fulfill the customers' need and as well as exceeding their expectations
- Understand and master new theories and methods of entrepreneurship motivation, entrepreneurship development and enterprise management in order to continually improve upon our products and services.
- Continually improve our processes, quality management system and organizational productivity through active participation of all members of IIE, customers and suppliers.




Scanned by CamScanner



# শ্ৰদ্ধাঞ্জলি - বিজু ফুকনলৈ

*নৰেশ্বৰ সোণোৱাল*

আজি ২০১৭ চনৰ নৱেম্বৰ মাহৰ বাইশ তাৰিখ। সন্ধিয়াৰ অসমৰ বতৰা লবলৈ বুলি টিভি টো খোলোতেই ব্ৰেকিং নিউজ হৈ আহিল স্বনামধন্য আভিনেতা বিজু ফুকনৰ মৃত্যুৰ বাতৰিটো। ভালেমান দিনৰ পৰা শ্বাস-প্ৰশ্বাস জনিত অসুখত ভুগি আছিল বোলে। দিনৰ বেলিকাত হস্পিতেললৈ নিয়াৰ কেছু সময়ৰ পিচতে মৃত্যু হোৱা বুলি প্ৰকাশ। কিছুদিনৰ পৰা মাজে মাজে টিভিৰ দুই এটা অনুষ্ঠানত কেতিয়াবা ওলালে ভাবিছিলো- মানুহ জনৰ চেহেৰাটো দিনক দিনে বেয়া হব ধৰিছে দেখোন বয়সৰ তুলনাত। মোৰ সমবয়সীয়াইতো বিজু । একে বছৰতে কানৈ কলেজত নাম লগাইছিলো। পিচে আজিহে গম পাইছো — তেওঁৰ জন্ম বছৰটো আছিল ১৯৪৭ ৰ ফেব্ৰুৱাৰী মাহ , তাৰ মানে মোতকৈ প্ৰায় দুবছৰতকৈও সৰু। মোৰ জন্ম '৪৪ ৰ শেষৰ ফালে। শৱ সৎকাৰ কালিলৈহে হব, ৰাজকীয় সন্মানেৰে শেষ কৃত্য সম্পন্ন কৰা হ'ব বুলি ৰাজ্য চৰকাৰে ঘোষনা কৰিছে।

বিজু ফুকনৰ মৃত্যুৰ বাতৰিয়ে মনলৈ কঢ়িয়াই আনিছে কলেজীয়া দিনৰ এতিয়াও সজীৱ হৈ থকা ভালেমান স্মৃতি। সেই বোৰকে সুঁৱৰি মোৰ আজিৰ সন্ধিয়াটো বিজু ফুকনৰ নামতে উচৰ্গা কৰো বুলি ভাবিছো। বিদেহী আত্মাৰ প্ৰতি মোৰ সন্মান তেনেকৈয়ে যাছোঁ আজি।

সকলোৱে থকাৰ দৰে বিজু ফুকন হতঁৰো কলেজত গ্ৰুপ এটা আছিল যিটোৰ লগত আমি বোৰৰ দৰে লোকৰ গ্ৰুপ বোৰৰ কোনো যোগ সুত্ৰই নাথাকিছিল। দেখাতেই এৰিষ্টক্ৰেট এৰিষ্টক্ৰেট লগা গ্ৰুপটোত প্ৰথমতে বিজুকে ধৰি ভৱেশ গোস্বামী ভাতৃদ্বয় আৰু মেডিকেলৰ ফালৰে দুই এজন আছিল। কলা জগতত ৰাপ থকা ল'ৰা হঁতৰ গ্ৰুপ, ভৱেশ হঁতে গীটাৰ, একৰ্ডিয়ান আদি বজাইছিল , বিজুৰ ৰাপ আছিল অভিনয়ত। পিচৰ ফাললৈ গ্ৰুপটো ডাঙৰ হ'ল। হেমন্ত দত্তৰ দৰে আন কেতবোৰেও গ্ৰুপটোৰ লগত তাল মিলত আহিছিল একে পেশাৰ মানুহ হোৱা বাবে। কলেজ উইকৰ সাংস্কৃতিক অনুষ্ঠান বোৰত দপদপাই থকা সকলৰ মাজত এই গ্ৰুপটো সদায়েই আছিল বাবে গ্ৰুপৰ সদস্য বোৰ সকলোৰে পৰিচিত। তদুপৰি ভৱেশ হঁতে ভাল ভাল সাজ পোচাক পিন্ধা , দুই ভাই ককায়েকে একেলগে চলাব পৰা মডেলত বনোৱা চাইকেল এখনত উঠি টাউনৰ ঘাই বাট বোৰত টহলি ফুৰা আদিবোৰ কাৰণতো সৰ্ব্বজন পৰিচিত আছিল। এওঁ লোকৰে লগৰ হোৱা বাবে বিজু ফুকনো সমানে পৰিচিত আছিল। আদব কায়দা, standard আৰু পেশা - কোনোটোতে নিমিলাত আমি বোৰ বিজু হঁতৰ পৰা বহু যোজন দুৰৈত আছিলো। ব্যতিক্ৰমত মই যদি কেতিয়াবা ওচৰ চাপিছিলোও তেন্তে সেইয়া আছিল মোৰ সম্পৰ্ণ ব্যক্তিগত আকৰ্ষণ জড়িত কথাতহে , মানে আমি যিটো পৰিবেশৰ পৰা ওলাই কলেজ পাইছিলোহি , তাত সঙ্গীতত ব্যৱহাৰ হোৱা আধুনিক বাদ্য যন্ত্ৰ বিলাকৰ কোনো ব্যৱহাৰিক আভাস পোৱাৰ অবকাশ নাছিল। বাদ্য যন্ত্ৰ বোৰৰ ভিতৰত কেৱল হাৰ্মনিয়াম খনতহে মাত্ৰ অকমান আঙুলি বোলাব জানিছিলো, মোহনৰ (মোহন বৰুৱা) সানিধ্য পোৱাৰ বাবে। নতুনকৈ দেখিলে বাদ্য যন্ত্ৰ বোৰ চুই চাবৰ বৰকৈ মন গৈছিল । মনত আছে কলেজ উইকৰ সময়ত এবাৰ ভৱেশ হঁতে কলেজৰে কোনোবা এটা কমত কিবা প্ৰেক্টিচ কৰি থাকোতে মই চুচুক চামাককৈ কাষ চাপি তেওঁৰ গীটাৰ খন অকমান চুই চাব পাৰিম নেকি বুলি ভৱেশক সুধিছিলো। "নিশ্চয় পাৰিব" বলি ভৱেশে গীটাৰ খন মোৰ ফালে আগ বঢ়াই দিওঁতে ওচৰতে বহি থকা বিজুয়ে অনুসন্ধিৎসু চাৱনি এটা দিছিল মোৰ ফালে। মোৰ বিবেচনাৰে কিন্তু তেওঁৰ চাৱনিটো ' বেচেৰা টো ' বুলি ভাবি পুতৌৰ ভাৱ দেখুওৱা যেনহে লাগিছিল কিয়নো ভৱেশৰ গীটাৰ খন লৈ মই এনেয়ে তাঁৰ কেইডালত হাত বোলাওঁতে বেসুৰীয়া টুং টাং শব্দ কেইটামানহে ওলোৱাত তেওঁ বুজি পাইছিল মোৰ প্ৰতিভাৰ কথা । তেতিয়াৰ পৰাই নেকি নাজানো , মুঠতে বিজুৱে মোক চিনি পাইছিল। মোৰ বিশ্বাস , মই কলেজত Debating চেক্ৰেটেৰী পদৰ বাবে contest কৰোতে বিজু আৰু তেওঁৰ লগৰীয়া সকলে মোকেই ভোট দি মোৰ বিজয় সুনিশ্চিত কৰিছিল। কলেজৰ পৰা ওলোৱাৰ পাচতো বাটে পথে কেনেবাকৈ দেখা দেখি হলে হাই-হেল্ল' কৰিছিল বিজুৱে যদিওবা তেতিয়ালৈ তেওঁ অসমৰ এজন established অভিনেতা (হিৰ') হৈ পৰিছিল ।

সঙ্গীতৰ অনুষ্ঠান একোটাত ভাগ লোৱাৰ ওপৰিও বিজু হতঁৰ গ্ৰুপটোৱে প্ৰত্যেকবাৰে College Week ত একোখনকৈ একাঙ্কিকা নাটকো পৰিবেশন কৰিছিল আৰু প্ৰত্যেক খনতে বিজুয়ে একোটা মুখ্য ভূমিকাত ওলাইছিল। তেতিয়াৰ তেওঁৰ অভিনয় চাই কিন্তু বিজুক সিমান এটা promising actor যেন নালাগিছিল -ওপৰ ক্লাছৰ শশ কমল সন্দিকৈ আৰু তলৰ ক্লাছৰ হেমন্ত দত্ত হঁতৰ তুলনাত । উচ্চ পৰ্য্যায়ৰ অভিনেতা হলেও শশ কমল সন্দিকৈ কিন্তু সুগঢ়ী বা দেখনিয়াৰ চেহেৰাৰ অধিকাৰী নাছিল , গতিকে ভাৰতীয় পৰম্পৰাৰ গতত 'হিৰ' হব পৰাৰ scope নাছিল তেওঁৰ , কিন্তু চৰিত্ৰ ৰূপায়নত তেওঁৰ বম্বে মাৰ্কা অভিনেতাকো চেৰ পেলাব পৰাৰ যোগ্যতা আছিল। কলিকতাৰ শ্যাম বাজাৰস্থিত ৰঙ্গ মঞ্চত সৌমিত্ৰ চেটাৰ্জী , ৰবি ঘোষ,



Scanned by CamScanner

মাধৰী মুখাৰ্জী আদিৰ অভিনয় মই দেখিছো , বহু ক্ষেত্ৰত শশ কমল সন্দিকৈৰ অভিনয় সেই সকলৰো ওপৰত যেন লাগে। এবাৰ কলেজ উইকৰ সময়ত সমুখৰ শাৰীত বহি শশ সন্দিকৈৰ অভিনয় চাই থাকোতে কলেজৰে এগৰাকী অনা-অসমীয়া (দক্ষিণৰ ফালৰ) অধ্যাপিকাই উচুপি উঠা দৃশ্যটো বহুতৰে লগতে আমিও প্ৰত্যক্ষ কৰিছিলো। নাটকৰ ডায়লগ বোৰ নিশ্চয় বুজি নাপাইছিল সামান্য অসমীয়া বুজি পোৱা অধ্যাপিকা গৰাকীয়ে , কিন্তু সৰল অভিনয়ত মোহ যাবলৈ ভাষাৰ প্ৰয়োজন নাথাকে , লাগে মাথো শক্তিশালী অভিনয়ৰ অভিব্যক্তি বুজি পাব পৰাৰ এটা অনুভূতিশীল ব্যক্তিত্ব। পিচে সন্দিকৈ আছিল বাম পন্থী বিচাৰ ধাৰাৰ লোক , বোধ হয় সেই বোৰতে হেৰাই গ'ল তেওঁৰ অভিনয় প্ৰতিভা। অসমৰ সাংস্কৃতিক জগতত তেওঁ অপৰিচিত হৈয়ে থাকি গ'ল। গলগলীয়া মাতেৰে হেমন্ত দত্তও ভাল চৰিত্ৰ অভেনেতা , সন্দিকৈৰ লগত সমানে ফেৰ মাৰিব পৰা ধৰণৰ। পিচলৈ তেওঁ নিজ গুণে অসমৰ সাংস্কৃতিক জগতত যথা যোগ্য স্থান অধিকাৰ কৰিবলৈ সক্ষম হলেই। বিজু আছিল সুঠাম-সুগঢ়ী. ফটোজেনিক আৰু অভিলাষী। ভাল অভিনয় কৰিব পাৰিলেও অভিনয়কে পেশা হিচাবে লব বুলি নাভাবিছিলো। কথাছবিৰ জগতলৈ এদিন হয়তো তেওঁ আহিলে হেঁতেনেই, তথাপিও আৰম্ভণীটোযে এটা সংযোগোহে আছিল সেই কথা বিজুৱে নিজেই টিভিৰ এটা কথোপকথনত কোৱা শুনিছিলো , কৈছিল - কেনেকৈ এদিন কিবা কথাত চহৰৰ হোটেল এখনত কাৰোবাক দেখা কৰিবলৈ আহোঁতে ব্ৰজেন বৰুৱাক লগ পাইছিল আৰু সেই লগ পোৱাই কেনেকৈ "ড . বেজবৰুৱা" ছবি খনত অভিনয়ৰ সুযোগ আনি দিছিল। ছবি খনত অভিনয় কৰি পৰিব লগা সকলৰ চকুত পৰিল বিজু। এই ধৰণেৰেই ক্ৰমাত আগুৱাই গৈ থাকি তেওঁ আৰু পিচলৈ ওভতি চোৱাৰ প্ৰয়োজনেই নহল। আৰম্ভণীৰ পৰা মৃত্যুৰ আগলৈকে ভোটা তৰাটো হৈ আশী খন মান ছবিত অভিনয় কৰিলে বোলে। দুখন মান কলিকতীয়া ছবিতো অভিনয় কৰিলে। বেলেগত থকাৰ দৰে আমাৰ অসমৰো লবি এটা থকা হলে ভবেন শইকীয়াৰ এখন ছবিত আৰু আন দুই এখন ছবিত কৰা অভিনয়ৰ বাবে দেশৰ ভিতৰতে Best Actor হব পাৰিলে হেতেঁন বিজু ফুকনে , হব পৰা যোগ্যতা বাস্তবিকতে অৰ্জন কৰিছিল বিজুৱে সেই কেইখন ছবিত । ছবি নিৰ্দেশনাতো হাত দিছিল বিজুৱে। 'ভাই ভাই' নামৰ সফল ছবি খনৰ নিৰ্দেশক বোলে তেঁৱেই আছিল। ছবি খন চাব নাপালো মই। এনেহেন এজন ব্যক্তিৰ মৃত্যুত সকলোৱে মৰ্ম্মাহত হোৱাতো স্ৱাভাৱিক । আমিও সমানে মৰ্ম্মাহত। বিজুৰ আত্মাই সদ্‌গতি লাভ কৰক , তাকেই কামনা কৰিলো।

বিজুৰ কথা কবলৈ গৈ কলেজীয়া দিনত পোৱা সাংস্কৃতিক জগত খনৰ কথাও কিছু উনুকিয়ালো। কথা যেতিয়া ওলালেই , আৰু দুই এজনৰ কথা নোকোৱাতো সমীচীন নহব । জালান নগৰ (নৰ্থ)চাহ বাগিছাৰ গাতে লাগি থকা আমাৰ মেচটোৰ ওচৰৰে আন এটা মেচত আমাতকৈ জুনিয়ৰ ক্লাছৰ কেইটামান লৰা আছিল। তাৰে এটা লৰাই বৰ সুৱদী মাতেৰে ৰাতি খাই বৈ উঠাৰ পিচত সদায়ে বাৰান্দাত বহি গান গাইছিল , জোনৰ পোহৰতে হওক বা আন্ধাৰতে হওক বাকী কিজনে লৰাটোক আগুৰি ধৰি গান শুনে। পিচত গান আৰম্ভ কৰিলেই ময়ো আমাৰ ফালৰ fencing ৰ কাষলৈ আহি লৰা কেইটাৰ অজানিতে গান শুনা আৰম্ভ কৰিছিলো। গান গোৱা লৰা জনৰ নাম আছিল ৰাজেন — ৰাজেন গোহাঁই , তিনিচুকীয়াত ঘৰ। চিনাকি হোৱাৰ পিচত চিনিয়ৰ আছিলো বাবে দাদা বুলি মাতিছিল মোক। পিচত কলেজৰ সকলো বোৰ সঙ্গীতানু ষ্ঠানত অংশ গ্ৰহণ কৰি কলেজত নিজকে সুগায়ক হিচাবে প্ৰতিষ্ঠা কৰি লৈছিল ৰাজেনে। বহু দিনলৈ আকাশ বাণীৰ নিয়মীয়া কণ্ঠ শিল্পী হিচাবেও ৰাজেনৰ গান উপভোগ কৰিছিলো।

তিনিচুকীয়াৰে জয়দেৱ শৰ্মা — বৰ এটা দেখনীয়াৰ লোক নহব পাৰে, কিন্তু কথাই কামে , সাহস আৰু বুদ্ধিমত্তাত ফেৰ মাৰিব পৰা দ্বিতীয় এজন কলেজত নাছিলেই বুলিব পাৰি সেই সময়ত। আমাতকৈ এক ক্লাছ ওপৰত, নিজ গুনে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হৈছিল। ৰাজনীতি কৰাৰ মানসিকতা এটা আছিল মানুহ জনৰ। সাধাৰণ সম্পাদক হোৱাৰ পিচতে ছাত্ৰ একতা সভাৰ গোটেই সংবিধান খনকে বদলাই পেলালে। বহু বোৰ নিয়ম নীতি শিক্ষাৰ্থী সকলৰ স্বাৰ্থৰ অনুকূলে নাছিল বোলে পুৰণা সংবিধান খনত। এই লৈ তেতিয়াৰ ভাইচ্ প্ৰিন্সিপাল লক্ষী দত্ত চাৰৰ নেতৃত্বত চলা কলেজ প্ৰশাসনৰ বিপক্ষে শৰ্মাইযে এক প্ৰকাৰ সংগ্ৰামত লিপ্ত হব লগা হৈছিল, সেই কথা নকলেও চলে। ছাত্ৰ-ছাত্ৰী সকলে শৰ্মাকে সৰ্মথন কৰিলে আৰু এটা সময়ত ছাত্ৰ একতা সভাত নতুন সংবিধান 'পাচ' হৈ গ'ল। এনেকুৱা এজন মানুহ হৈয়ো শৰ্মাই যে সঙ্গীত সাধনাও কৰিছিল , সেই কথা ভাবিলেহে আচৰিত লাগে। বৰ সুৱদী কণ্ঠৰ গাৰকী আছিল শৰ্মা। তেওঁৰ সঙ্গীত পৰিৱেশনৰ পদ্ধতিটোৱো innovative, বেলেগ ধৰণৰ আছিল । কানৈ কলেজলৈ অহাৰ আগতে কটন কলেজত শ্ৰেষ্ঠ সঙ্গীত শিল্পীও হৈ আহিছিল হেনো।

তফজ্জুল আলি চাৰৰ কথাতো নতুনকৈ কোৱাৰ প্ৰয়োজনেই নাই। প্ৰত্যেক বছৰে আলি চাৰে কলেজ week ৰ বাবে বিশেষ ভাবে একোটা বিহু সুৰীয়া গান লিখি, সুৰ দি উলিয়াই ৰানু দেৱীৰ (নামটো ঠিক কৈ কোৱা হোৱা নাই নেকি ! ) দ্বাৰা পৰিৱেশন কৰোৱায়। আমাৰ সময়ত এইদৰে আমি শুনা প্ৰথম গানটো আছিল "এই বেলি বিহুতে আহিবা, কপৌ ফুল এপাহি আনিবা ... " টো। আলি চাৰৰ প্ৰতিটো বছৰৰে নতুন গানবোৰ hit হৈ পৰিছিল। কলেজলৈ অহাৰ আগতে আলি চাৰৰ কথা মই একোকে নাজানিছিলো, কিন্তু আমাৰ ডাঙৰীৰে ঘন শইকীয়াই চাগে জানিছিল। সঙ্গীতৰ ক ,খ একো নাজানিলেও গলাটো ভাল আছিল ঘনৰ, গাইছিলো ভালেই। কলেজলৈ অহাৰ প্ৰথম বছৰতে সি আলি চাৰৰ নজৰত পৰাৰ চেষ্টা কৰিবলৈ ধৰিলে — পাৰিলে আলি চাৰৰ নতুন গান এটা College Week ফাংচনত গোৱাৰ ইচ্ছা। এদিন ভৰসাত ল'ব পৰা মেচ মেম্বাৰ হিচাবে মোকে লগত লৈ আলি চাৰৰ আমোলাপট্টিৰ ঘৰত হাজিৰ হ'লগৈ। সন্ধিয়া লাগিছিল তেতিয়া, আলি চাৰ আৰু অসমৰ তালাত মেহমুদ ৰূপে জনাজাত জ্যোতিষ ভট্টাচাৰ্য্যই



Scanned by CamScanner

হাৰমনিয়াম এটা লৈ বোধহয় নতুন গান এটাত সুৰ দিয়াত মগ্ন আছিল। সঙ্গীত প্ৰেমী মানুহ . নিজৰ পৰিচয় দি ঘনাই সঙ্গীতৰে কথা কলত, চাৰে আমনি পোৱা যেন নালাগিল যদিও "চাম বাৰু" জাতৰ কিবা এটা কৈয়ে আমাক বিদায় দিলে। ঘনই পিচে চাৰৰ নতুন গান গোৱা কোনোদিনে নুশুনিলো। সেই বছৰৰ কলেজ উইকত ওপৰত কৈ অহা মনমোহা নতুন গানটো শুনিবলৈ পালো। আমি যোৱাৰ দিনা চাৰে হয়তো সেইটো গানৰে সুৰ বন্ধাত ব্যস্ত আছিল।

প্ৰতি বছৰে College Week ৰ সাংস্কৃতিক অনুষ্ঠান বিলাকৰ জৰিয়তে নতুন নতুন প্ৰতিভাৰ সন্ধান পোৱা যায়। আমি আৰম্ভ কৰা বছৰত সঙ্গীতৰ জগতত ওলাল গ্ৰেহেম বজাৰ ফালৰ local boy আলি, নাহৰ কটীয়া ফালৰ একান্ত দাস, ডুমডুমাৰ কনকলতা দাস (পাচলৈ ল'ব সোণোৱালৰ পত্নী)। লোকেলৰ ভিতৰত ৰাণু দেবী (?), প্ৰশান্ত বৰদলৈ, সান্তনা বৰদলৈ আদি সকলতো আগৰে পৰা আছিলেই। পিচৰ বছৰত আহিছিল ৰাজেন গোহাঁই , জয়দেব শৰ্মা, ডাঙৰীৰ কামিনী সোণোৱাল আদিবোৰ। তেতিয়াৰ শিক্ষা মন্ত্ৰী দেবকান্ত বৰুৱা আমাৰ কলেজলৈ কিবা এটা অনুষ্ঠানত আহোঁতে আদৰণি গীতটো কামিনীয়ে গাবলৈ পোৱাত আমি ডাঙৰীৰ মানুহ হিচাবে গৌৰৱ বোধ কৰিছিলো। ইয়াৰ মাজতে সুবীৰ সেন নামৰ এজন সুগায়কৰ আগমন ঘটিছিল কলেজলৈ। এবছৰ মানৰ পিচতে তেওঁ বম্বেলৈ গুছি গৈ হিন্দী ছবি জগতত playback singer হিচাবে খ্যাতি লভিলেগৈ । আমাৰ সকলোৰে প্ৰিয় উমা গগৈ সহপাঠিনী হলেও দেখাই শুনাই পিচে ভন্টি টাইপৰহে আছিল, লকেল ছোৱালী , কিন্তু বঙালী মানুহ সৰহকৈ থকা 'বাশঁ বাৰী'ত ঘৰ হোৱা হেতুকে বঙালী কৃষ্টিৰে প্ৰভাৱান্বিত আছিল। কলেজৰ সাংস্কৃতিক অনুষ্ঠান বিলাকত তাই সধাৰণতে ৰবীন্দ্ৰ সংগীতহে গাইছিল।

শৈলেন গোহাঁইৰ কথাও মনত পৰিছে এই খিনিতে। চাবুৱাৰ ফালৰ লৰা আছিল শৈলেন। দেখাই শুনাই, চেহেৰা পাতিত সাইলাখ হিন্দি ছবিৰ মনোজ কুমাৰৰ দৰে লাগিছিল শৈলেনক। তেওঁ নিজেও এইটো কথাত সজাগ আছিল আৰু সেই বাবেই বোধহয় চুলিৰ ষ্টাইল, পিন্ধন-উৰণ, চলন-ফুৰণ সকলোতে মনোজ কুমাৰকে অনুকৰণ কৰিছিল। পিচে এক্টিং কৰাতহে নজমিল তেওঁৰ। পিচত ল'ৰা জন কলৈ গ'ল, কি হলগৈ — জানিবলৈ ত্ৰেকেই হেৰাই গ'ল।

বিষ্ণু খাৰঘৰীয়াৰ কথা অকমান নকলে মোৰ এই ৰোমন্থন আধৰুৱা হৈ ৰব। মোতকৈ দুটা ক্লাছ তলত আছিল বিষ্ণু। আমোলাপট্টিৰ লকেল ল'ৰা। লেঙ পেঙীয়াকৈ ওখ আমোলাপট্টিৰে বৰদলৈ নামৰ ল'ৰাটো তেওঁৰ নলে গলে লগা সহপাঠী। মোক আৰু কৃষ্ণক একেলগে দেখাৰ দৰে ইহঁত দুটাকো সকলোৱে সদায়ে একেলগে দেখা পায় যতে ততে। দুয়োটাৰে একোখনকৈ চাইকেল আছিল, তাৰেই চহৰৰ সকলোতে অবাধ অহা-যোৱা দুয়োটাৰে। মাত-কথা , সাজ-পোচাক, আদব-কায়দা — সকলোবোৰতে সাধাৰণ ধৰণৰ আছিল বিষ্ণু। যি সকলে ডেউতি বৰুৱাৰ ' বৃষ্টি" ছবি খন চাইছিল সেই সকলৰ সেই সাধাৰণ ধৰণৰ ডেকা লৰাটোৰ ৰূপত দেখা বিষ্ণুৰ ৰূপতো নিশ্চয় মনত আছে, ডেকা কালৰ বিষ্ণুৰ আচল ৰূপ সেইটোৱেই আছিল বুলিব পাৰি। আমাত কৈ জুনিয়ৰ আছিল বাবে আমাক দাদা বুলি মাতিছিল। কলেজৰ পৰা ওলোৱাৰ পিচত তেওঁৰ লগত কোনোদিনে লগা লাগিয়েই নহলো আজিলৈকে। কেতিয়াবা কৰবাত লগ পাই পুৰণা কথাবোৰ পাতিব পালে ভাল লাগিব। কলা জগতৰ মানুহ, public domain ৰ হোৱা হেতুকে বিষ্ণুৰ কথা বোৰ সকলোৱে লগতে ময়ো জানো, মোৰ কথাবোৰ কিন্তু তেওঁৰ জনাৰ কোনো উপাই নাথাকিল , দেখিলেও এতিয়া চিনিকে নাপাব চাগে। বিষ্ণুৱেও কলেজৰ নাট্যানুষ্ঠান বিলাকত ভাগ লৈছিল। অভিনয়ত যে ৰাপ আছিল সেইটো তেতিয়াই ওলাই পৰিছিল। চিনি পোৱা মানুহে চিনি উলিয়ালে, এতিয়াৰ মূধা ফুটা বিষ্ণুৰ অভিনয় দেখিলে দহৰ লগতে ময়ো মোহ যাওঁ ।

বিজু ফুকনক শ্ৰদ্ধাঞ্জলি জনাবলৈ গৈয়ে কলেজত তেওঁক লগ পোৱা সময়ৰ সাংস্কৃতিক দিশৰ কথা দুটামান ৰোমন্থিলো। কথা খিনি exhaustive নহয় কিন্তু। সমসাময়িক কালৰ আৰু বহুতকে মনত পেলাব পাৰি পেলাওঁ বুলিলে । পিচে এই ধৰণেৰে অতীত ৰোমন্থন কৰোতে নিজৰ কথাও অকমান উজাৰি দিওঁ চোন ! হওঁতে মই নিজকে শিল্পী মন এটাৰ গৰাকী বুলি ভাবি থাকিলেও শিল্পী কিন্তু মই কোনোদিনে হব নোৱাৰিলো। Acting যদি কিবা জানো , তেন্তে তেনে acting মই সঁচা জীৱনতেহে কৰো , ষ্টেজত বা কেমেৰাৰ সমুখত নহয়। এই ক্ষেত্ৰত মই হয়তো এজন নিপুন ভাৱৰীয়াই , কাৰণ আজিলৈকে কোনেও মোক " ভাওঁ ধৰিব নালাগে দিয়া '' ধৰণৰ এষাৰ কথাও কোৱা নুশুনিলো প্ৰয়োজন সাপেক্ষে ভাও ধৰা স্বত্বেও। ষ্টেজত ভাওঁ দিয়াৰ এবাৰহে মাত্ৰ সুবিধা পাইছিলো , নৱম শ্ৰেণীত আছিলো তেতিয়া। প্ৰত্যেক বছৰৰ দৰে সেই বছৰো সৰস্বতী পূজাৰ দিনা এখন নাটক থাকিব সাংস্কৃতিক অনুষ্ঠানত। জোৰ কৰি মোকো এটা চৰিত্ৰ দিলে লগৰ বোৰে। মাত্ৰ এটা চিনত ওলাব লাগে মই। নাটৰ নায়কে (গকুল চাৰ) প্ৰেমজনিত বিৰহ বেদনাত হাবিয়ে জংঘলে ঘূৰি ফুৰোতে এজন সন্যাসীৰ আশ্ৰম পায়গৈ , কিবা কথাত নায়কৰ ওপৰত সন্যাসীৰ খং উঠে আৰু নায়কৰ গালৈ সমুখতে থকা বাতি এটা মাৰি পঠিয়ায়। "কাট"। যথা সময়ত যটাধাৰী সন্যাসী হৈ ওলালো মই নাটত , বিমল শইকীয়াই আঁকা অৰণ্যৰ 'চিন' এখন আছে background ত। নায়কে আহি দুটামান ডায়লগ কোৱাৰ পিচত মোৰ ভগীয়া ডায়লগ কেইটা কোনোমতে মনত পেলাই গালো। যেতিয়া বাতিতো মাৰিবৰ পাল পৰিল, তেতিয়া কিন্তু মোৰ হাত কঁপিল আৰু বাটি পৰিলগৈ দুহাত মান আতঁৰেদি গৈ বেলেগ কৰবাত। ভাবিলো চাগে — বাটিৰ আঘাতত চাৰে যদি দুখ পাই যায়! ৰিহাৰ্চেল কৰোতে কাগজৰ নুৰাহে দলিয়াইছিলো চাৰৰ গালৈ । নাটক খনত 'চিনটো বৰ এটা লেখৰ নাছিল। কিছুদিনৰ পিচতে নাটক খন কিবা এটা উপলক্ষে আকৌ মঞ্চস্থ কৰোতে এই 'চিন'টো বাদ দিছিল গকুল চাৰে। মই ভালেই পালো। নাটক খনত Heroin ৰ ভূমিকাত আছিল মোতকৈ এশ্ৰেণী তলৰ মানিক দাস। ভাল অভিনয় কৰিছিল মানিক দাসে। ছোৱালীৰ make-up ত শুৱনী দেখা গৈছিল তাক।



Scanned by CamScanner

এইবাৰ আঁহো সঙ্গীতৰ কথালৈ। সঙ্গীতৰ স-টোও শিকিবলৈ সুবিধা নাপালো আমি আমাৰ দিনত। সেই বুলি সঙ্গীত প্ৰেমী নোহোৱাকৈ নাথাকিলো। গ্ৰাম'ফোন থকা ৰমা দদাইদেও আৰু নৰেণ বৰঠাকুৰৰ ঘৰৰ গ্ৰামফোন ৰেকৰ্ড বোৰে, মাজে মাজে পোৱা মোহনৰ (মোহন বৰুৱা) সানিধ্যই, চাহ বাগিচাত মাজে সময়ে দেখুৱাই থকা হিন্দী- অসমীয়া কথা ছবি বোৰে আৰু বাগিচাৰে দুই এজনৰ ঘৰত থকা ৰেডিঅ' কেইটাই এই ক্ষেত্ৰত অৰিহণা যোগাইছিল মোক। এইবোৰ source ৰ পৰা শুনি শুনি আয়ত্ব কৰি লোৱা গান বোৰ সুবিধা জনক ঠাই পালেই গুণগুণাইছিলো। গানৰ তাল-মানৰ কথাবোৰ তেনেকৈয়ে নিজে নিজে বুজি পোৱা হৈছিলো যদিওবা সেইবোৰৰ আনুষ্ঠানিক ৰূপ বোৰৰ সম্যক জ্ঞান একো নাছিল। Normal voice ত গান গাবলৈ কাৰো পৰাই অৰশ্যে উদগনি নাপালো, নাপালো বুলি অনুশোচনা কৰাৰো মানে নাছিল, কাৰণ মোৰ গুনগুননি কাৰো কানত নপৰিলেই হুবপায়। সুপ্ত গুণ (যদিহে তেনেকৈ ক'ব পাৰি) সুপ্তই হৈ থাকিল। কিন্তু কলেজলৈ অহাৰ পিচত মোৰ মানসিকতাৰ কিছু পৰিবৰ্তন ঘটিছিল। মেচত ঘন শইকীয়াই গান গালে দেখোন অজানিতে full volume ত ময়ো সহযোগ কৰি দিব পৰা হৈ গৈছিলো। লাহে লাহে মোৰ circle টোৰ মাজত মোৰ সঙ্গীত প্ৰতিভাৰ যথোচিত প্ৰচাৰ ঘটিল। গান গাবলৈ অনুৰোধ কৰা সজ্জনো ঠাই বিষেশে ওলাল। তেনে অনুৰোধ আহিলে অৱশ্যে গান একোটাৰ কলি আওঁৰাতেই মোৰ গান গোৱা পৰ্ব শেষ হয়, কিয়নো তাতকৈ বেচি কৰিবলৈ গৈ মোৰ ' আচল ' সঙ্গীত প্ৰতিভাৰ পৰিচয় দিয়াৰ প্ৰবৃতি এটা নাছিল মোৰ তেতিয়া। চাজিদা বেগম হতঁৰ ঘৰত এদিন কৃষ্ণৰ লগত ফুৰিবলৈ যাওঁতে তেনেকৈয়ে বঙালী ছবি 'দেয়া-নেয়া"ত শ্যামল মিত্ৰই গোৱা গান এটাৰ কলি আওঁৰাইছিলো। তালাপ বাগিছাৰ কুদন বাইদেওৰ বিয়াৰ দিনা ভণ্টি কৃষ্ণাহতঁৰ (কৃষ্ণা বৰ শইকীয়া, বাগিচাৰ বৰ কেৰাণী খৰ্গেশ্বৰ বৰশইকীয়াৰ ছোৱালী) পাল্লাত পৰি তাহাঁতৰ লগতে কেইটা মান গানৰ কলি আওৰাইছিলো বিয়া ঘৰৰ কোনোবা এটা কোণত বহি আড্ডা মাৰি থাকোতে। তেনেদৰে ভাদৈ পাচ আলিৰ ওচৰৰ হেম ওজাৰ বায়েকৰ বিয়াৰ আগৰাতি নাচ গানত (বিহু গীত আদিত) মজি থকা এজাকৰ মাজত বহি থাকোতে কোনোবাই মাইক্ৰ'ফোনটো মোৰ হাতত গুজি দিলত (গান গাবৰ বাবে), দীপালী বৰঠাকুৰৰ "সোনৰ খাৰু নালাগে .... " টোৰ কলিকে আওৰাই দিলো। পিচতহে ভাবিছিলো, কইনাই চাগে মোৰ গান শুনি নিশ্চয় ভাল পোৱা নাছিল। সেই দিনা কৃষ্ণ হঁতৰ গোটেই ঘৰ খনৰ মানুহ খিনিৰ লগত বাচেৰে বিয়া ঘৰলৈ যাওঁতেও মীনাৰ (কৃষ্ণৰ সৰু ভণীয়েক) সৈতে খগেন মহন্তৰ নতুনকৈ ওলোৱা গান " আমি বন্ধু ..... বিশ্ব আমাৰ আই " টোকেই গাই গাই বিয়া ঘৰ পাইছিলোগৈ।

নাহেন্দ্ৰৰ (নাহেন্দ্ৰ পাদুন) এবাৰ টেপ ৰেকৰ্ডাৰ এটা কিনাৰ চখ জাগিছিল, এদিন দুয়ো গলো থানাৰ সমুখতে নতুনকৈ খোলা electronics ৰ ভাল দোকান এখনলৈ দাম দৰ কৰিবৰ বাবে। পচন্দৰ এটা পাই টেষ্ট কৰাত লাগি গল নাহেন্দ্ৰই, ক'লে, "গা চোন গান এটা তই, ৰেকৰ্ড কৰি চাওঁ " বুলি। গান গালেহে যেন টেষ্ট কৰা হয়! গালো কিবা এটা গানৰ কলি এটা। পিচে সেইবাৰলৈ সি টেপ ৰেকৰ্ডাৰ নিকিনিলে। গান গাব পৰা হোৱাকে ধৰি অন্য ভালেমান কথাতো মোৰ সুপ্ত প্ৰতিভা বোৰৰ বিকাশ দেখি মেচ mate আৰু সহপাঠী বিজয় তীৰ্কিয়ে (কান্দ্ৰা উৰাং, মেট্ৰিক দিয়ালৈকে তাৰ নাম এই টোৱেই আছিল) মোক "গুপুত" বুলি উপনাম এটাৰে নামাকৰণ কৰিছিল। খোবাং বাগিছাৰ চামগুৰি ডিভিজনৰ পৰা বুটলি অনা ৰান্ধনি লৰাটোৱেও মোৰ reference ত কিবা কব লগা হলে 'গুপুত' নামটোহে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰি দিছিল। বি,এ, ৰ ২য় বাৰ্ষিকত বীৰেণ (বীৰেণ চুতীয়া) হঁতৰ initiative ত নামৰূপৰ দিল্লী নৈৰ পাৰত বৰ বঢ়িয়া ধৰণৰ পিকনিক এটাৰ আয়োজন হৈছিল। ক্লাছ টোৰ মনে মিলা আটাইখিনি ছাত্ৰ ছাত্ৰীয়ে পিকনিকত গৈ খুবকৈ enjoy কৰিলো। বাচত যাওঁতে আৰু ওভতোতেও হাই উৰুমিৰ মাজতে মাইকত গান আৰু বিহু গীত গাওঁতে গাওঁতে মোৰ সেইদিনা মাত ভাঙি যোৱাৰ অবস্থা হৈছিল। নজৰ ৰখা হতঁৰ (যদিহে কোনোবাই ৰাখিছিল) কিজানি সন্দেহেই হৈ গৈছিল — কিবা এবিধ গলাৰ্দ্ধকৰণ কৰি লৈহে মই তেনে কৰিছিলো বুলি সেইদিনা। এবাৰ Air Force ৰ নাদুৱা campus ত জোৱান কিছুমানে কিবা উপলক্ষত মজলিচ এটা পাতিছিল, কিবা সুত্ৰে চিনি পাই কৃষ্ণৰ ভনীয়েক চিত্ৰাক নিমন্ত্ৰণ কৰিছিল তাত গান গাবলৈ স্বৰ্গ, চিত্ৰা, মীনা, (আটাই কিজনী কৃষ্ণৰ ভনীয়েক) কৃষ্ণ, মই আৰু কোনোবা কোনোবাক লগত লৈ গলো আমিও মিলিটেৰী গাড়ীত নাদুৱালৈ বুলি। Formal সঙ্গীত শিক্ষাৰে শিক্ষিতা নহলেও চিত্ৰাই ভাল গান গাব পাৰিছিল, ভালকৈ গালেও কেইটামান অসমীয়া গান সেইদিনা। তাৰ মাজতে দৰ্শকৰ পৰা ফৰ্মাচ আহিল বঙালী গান এটা গাবলৈ। ইয়াৰ বাবে চিত্ৰা প্ৰস্তুত নাছিল। কিন্তু অনুৰোধ আহিল যেতিয়া কিবা এটাতো গাবই লাগিল। আহিল চিত্ৰা মোৰ ওচৰলৈ। তাই জানিছিল মই কেইটামমান বঙালী গান জানো বুলি, শিকাই দিব লাগে। দহ মিনিটৰ বিৰতিতনো গান এটা শিকাই দিব পাৰি নে! "দেয়া-নেয়া" ছবি খনৰে "জীৱন খাতাৰ প্ৰতি পাতায়, যতই লিখ হিচাব নিকাচ, কিছুই ৰবে না ... " টোকে গুণ গুণালো শিকিব পাৰে যদি পাৰক বুলি. তিনি বাৰ মান আওৰোৱাৰ পাচত সাজু হ'ল চিত্ৰা ষ্টেজত উঠিবলৈ। কিবা এটা সাহসত গালে তাই, বৰ এটা ঠিক নহল অন্তত. আমন্ত্ৰিত অতিথি গায়িকা হিচাবে. তথাপিও ভদ্ৰতাৰ খাতিৰত দুটামান হাত চাপৰি পালে।

মোৰ বিৰল প্ৰতিভাৰ (!) উমান দিব পৰা এনে আৰু ভালেমান incident আছে যি বিলাক মই এনেয়ে সোঁৱৰো কেতিয়াবা। এতিয়া পিচে চব জঁয় পৰি গ'ল সেইবোৰ। আমাৰ 'বিয়লি চ'ৰা 'ৰ অনুষ্ঠান বোৰত বা অসম এছোচিয়েচন, দিল্লীৰ দুই এটা অনুষ্ঠানত সকলোকে অবাক কৰি কেতিয়াবা ষ্টেজত উঠি দিবৰ মন যায়, পিচে নোৱাৰোগৈ। গুণ গুণাবলৈকে পাহৰি গলো আজি কিছু বছৰৰ পৰা। কিমধিক্ মিতি!

পুনৰ বাৰ বিজু ফুকনৰ আত্মাৰ সদ্গতি কামনা কৰিলো।■



Scanned by CamScanner

# তোমাৰ ৰূপৰ শিখাত



*ৰোহিনী কুমাৰ বেজবৰুৱা*

তোমাৰ ৰূপৰ শিখাত
মোৰ মন
চগাইহে জ্বলে
তোমাৰ কাজল নয়নত
মোৰ মন
আকাশ হৈ পৰে,
কোৱা সাগৰিকা,
নাম বিহীনা, অনুৰাগ
কিয় জাগে?
এন্ধাৰ ক'লা
চুলি টাৰিত
মোৰ মন—
ঢৌ হৈ খেলে,
শেৱালী কোমল
ওঁঠৰ কোণত
মোৰ ভাৱে—
সুৰ বিচাৰি ফুৰে
কোৱা সাগৰিকা,
নুবুজা গীতৰ কঁপনিত
কিয়
আবেগ নিগৰি পৰে।
তোমাৰ উঠন বুকুত
মোৰ চাৱনিৰ
যদি আঘাত লাগে ,
অনামী লাজৰ
বক্তিম আভাত
তোমাৰ দুনয়ন জ্বলে ,
কোৱা, সাগৰিকা
সেই নয়ন কোণত
কিহৰ চকুলো সৰে?■

# কবিতা নহয়



*চন্দন বেজবৰুৱা*

ক)
সম্পৰ্ক বোৰ জ্বলে
খলা- বমা পথত
তাত আছিল
এৰা ধৰাৰ পৰিৱৰ্তে
দিয়া লোৱাৰ বান্ধোন

খ)
আধুনিকতাৰ ওৰণিত
নৃত্যৰতা পৃথিৱীৰ
তাণ্ডৱ
কৃত্ৰিম ফুলৰে
জীপাল বাগিচা

গ)
উশাহৰ পৰিৱৰ্তে আতৰ
আশাৰ পৰিৱৰ্তে সামগ্ৰী
মানবতাৰ মুখাৰে
দানৱৰ দপদপনি

ঘ)
শ্লীলতাৰ পৰিৱৰ্তে অশ্লীলতা
চুনামীৰ প্ৰভাৱত প্ৰেমী প্ৰতাৰক
লাঞ্ছিত হৃদয়ৰ চকুত তেজীমলা
জয়মতী হ'ল মৰিচীকা

ঙ)
অন্তত .
উদ্‌গীৰ্ন বাষ্প পিণ্ড
মহাভাৰতৰ যুদ্ধ
সত্যৰ সন্ধান!■



Scanned by CamScanner

## মোৰ ভাল লগা সেই ছোৱালীজনী

**শৰ্মীষ্ঠা বৰ্মন**



তাইৰ বন্ধুত্ব ৰাতিবোৰৰ সৈতে
ৰাতিবোৰৰ গভীৰতাই তাইৰ দেহা চেলেকি যায়
ৰাতিবোৰ মাতাল হৈ পৰে আৰু তাইৰ খামুচীয়া কঁকাল
খামোচ মাৰি ধৰি ৰাতিবোৰে নিজৰ বৰণ ৰঙীণ কৰি তোলে,
কিন্তু...
তাইৰ মাতাল ৰাতিবোৰ কাৰোবাৰ বন্ধ কোঠালিত আৱদ্ধ নহয়
বিচৰণ কৰি ফুৰে
আকাশে আকাশে তৰা বিচাৰি
বতাহে বতাহে জোনাক বিচাৰি
পথাৰে পথাৰে শইচ বিচাৰি
ব'হাগে ব'হাগে বসন্ত বিচাৰি ,
তাইৰ নাভিৰ তলত পিন্ধা গুলপীয়া শাৰীখনৰ ৰং উৰলিব ধৰিছে
কিয়নো তাই
ফুটপাথত বহিও কেতিয়াবা গানৰ কলি এটা গায়
চহকী কোঠাতো কোনো নিশা জুনুকা জুনজুনায়
পেটৰ তাড়নাত...
তাইৰো এখন হৃদয় আছে
আৰু আছে এটি মন
ভালপোৱাও আছে এমন
সেয়েহে তাইৰ খামুচীয়া কঁকাল খামোচ মাৰি ধৰেহি
সেউজীয়া গছৰ খোৰোঙত বাঁহ লোৱা পখীৰ
এবাঁহী গৰখীয়া সুৰে, যাৰ বৰণ ভালপোৱাৰ দুভাগ ৰাতি
যাৰ পৰশ শেৱালী শেৱালী
যাৰ সুবাস ফাগুন শাওনৰ পথাৰ।
হওক তাই এজনী নষ্ট ছোৱালী
দহোটা হৃদয়ৰ এখনি এঘৰীয়া হৃদয় ,
মোৰ ভাল লগা সেই ছোৱালীজনী...
তায়ো জানে প্ৰেমত পৰিব
তাইৰো দুবাহুত আছে
দুডৰা জোনাক, হৃদয়ত এআকাশ তৰা
দেহাত দুডৰা শইচ
বসন্তৰ সুবাস
পৰশত অপংকিল ভালপোৱা।।■

## নকবা মোক মোৰ কবিতা আৰু ছবিৰ সাঁথৰ ভাঙিব

*নৰাকাশ*



নকবা মোক মোৰ কবিতা আৰু ছবিৰ
সাঁথৰ ভাঙিব
আত্মা মোৰ অতি স্পৰ্শকাতৰ
চুই দিলেই যেন লেৰেলি যাব
হাজাৰ বছৰৰ লাজ

নকবা মোক মোৰ কবিতা আৰু ছবিৰ
সাঁথৰ ভাঙিব
আত্মা অতি জটিল
যিমানেই সোমায় সিমানেই ঘন

নকবা মোক মোৰ কবিতা আৰু ছবিৰ
সাঁথৰ ভাঙিব
বুকুৰে গোটাই হাতেৰে নিগৰাই
ভৰি দুখন মোৰ দীঘল শিপা
উৰিলেও মাটিতে বগায়

নকবা মোক মোৰ কবিতা আৰু ছবিৰ
সাঁথৰ ভাঙিব
বান্ধিবলৈ চেষ্টা নকৰাই ভাল ছবিৰ কবিতাৰ
ভৰি আৰু হাত
সৰু এটা জীৱন হাতত
গাই যোৱা কবি জীৱনৰ জটিল গান

নকবা মোক মোৰ কবিতা আৰু ছবিৰ অৰ্থ
ছবিখনে কবিতাটোৱে মুখ উফন্দাব
নকবা মোক মোৰ কবিতা আৰু ছবিৰ
সাঁথৰ ভাঙিব
কবিয়েও নাজানে কি লিখিব কি আঁকিব
আত্মাৰহে আছুতীয়া সম্পদ ছবি আৰু কবিতা
শিশুতকৈও কোমল বতাহতকৈও সূক্ষ্ম
সপোনতকৈও জটিল

আন্ধাৰ আৰু পোহৰেইতো লীলা-খেলা সকলো
দুৱাৰখনত মাত্ৰ এটাই ফুটা অস্পষ্ট
ভিতৰত অনেক

আস! এটা মাখি পৰিছে নামাৰিবা
বা লগাই দিয়া হাতেৰে■



Scanned by CamScanner

# ব্ৰহ্মপুত্ৰ মই

দীপক শৰ্মা

আজন্ম প্ৰেমিক মই ।
তোমাৰ অপৰূপ শ্যামলীমাৰ ।
তোমাৰ প্ৰেমৰ দুৰ্বাৰ আকৰ্ষণেই যে মোৰ শক্তি
অপ্ৰতিৰোধ্য -অনিৰূদ্ধ- অজেয়
এই বিশাল জলৰাশি ।
সৌ তাহানিতেই
তিবৃতৰ ওখ ওখ হিমল শিখৰৰ শুভ্ৰ তুষাৰ বাটত
আঁকিছিলো তোমাৰ নাম ।
শুনিছিলো
হিমালয়ৰ কঠিন শিলৰ ফাঁকে ফাঁকে
তোমাৰ নামতে গোৱা হেজাৰ জুৰিৰ গান ।
তোমাক পোৱাৰ হেজাৰ বাটৰ
এটা মাথো বাট বিচাৰিছিলো
সেউজ কুঁৱলীঘন সুউচ্চ পাহাৰৰ
কঠিন বুকু ফালি ফালি ,
তোমাক পোৱাৰ সুতীব্ৰ বাসনাতে নামি আহিছিলো
শিলনিত দেও দি দি
পখীৰ হেজাৰ কলৰৱত নাচি নাচি ।
মোৰ বিহঙ্গম দৃষ্টিপটত
স্থিৰ মাথো তোমাৰ শ্যামলী দিগন্ত ।
নিষিক্ত কৰিবলে' তোমাৰ বিশাল উপত্যকা
মোৰ কামনাও অসীম অনন্ত ।
মোৰ হৃদয় উপচা প্ৰেমৰ বাবেই
কৰিছিলো ব্ৰহ্মাৰো অন্তৰ জয় ।
সেয়েহে ব্ৰহ্মপুত্ৰ ।ব্ৰহ্মাৰ মানস পুত্ৰ মই ।
নীলাভ শীতল খৰস্ৰোতা পানীৰে বোৱালোঁ
অপূৰ্ব কৃষ্টিৰ অমূল্য সম্ভাৰ ,
বিচিত্ৰ প্ৰাচীন মঙ্গোলীয় সভ্যতাৰ ।
মোৰ বুকুৰেদি আহিছিল নামি
তোমাৰ শ্যামল বুকুলৈ
তিবৃতৰ জ্ঞানৰ ভঁৰাল ।
ছাংপো হৈ টুটিঙৰ দুৱাৰেদি সোমাই অহা
মইয়েই ছিয়াং ,
তোমাৰ বাবেই অৰুণাচলৰ ওখ ওখ শিখৰত
মই আঁকো ৰামধেনুৰ সাতোটা ৰং ।
মোৰেই সতে নাচি বাগি তোমাৰ বাবেই
প্ৰাণঢালি বৈ যায়■

ওখোৱা মোখোৱা কঠিন শিলনিৰ ভাঁজে ভাঁজে
গাই চিমেন ৰঙা ভৰলী সোঁৱনশিৰি আৰু যে কিমান
এজাক গাভৰু যেন
হাঁহি হাঁহি আগবাঢ়ে হাতত হাতে ধৰি
গাই যায় জীৱনৰ গান ।
পাছিঘাট শদিয়াৰ বিশাল প্ৰাঙ্গণত
লোহিত দিবঙৰ দুহাত ধৰি শক্তিশালী মই ।
শকতিনো কাৰ ,মোৰ কাষৰৰ পৰা
তোমাক আঁতৰাই লৈ যায় ।
ইচ্ছা মোৰ , সেউজী কৰিব খোজো তোমাৰ দুপাৰ
মোৰ শক্তিৰ আধাৰ
দিহিং ধনশিৰি দিখৌ ভোগদৈ
কপিলী কৃষ্ণাই আৰু দুধনৈ,
পাগলাদিয়া বেঁকী মানাহ আই
চম্পাৱতী জিঞ্জিৰাম সৰলভাঙা সোনকোষৰ ,
আৰু মোৰেই সতে মিলি গাই যায় তোমাৰেই গান
শত জান জুৰি কোবাল সোঁতৰ ।
বৈ যাওঁ মই ।
গাই যাওঁ জীৱনৰ গান
কঢ়িয়াই লৈ যাওঁ অৰণ্যৰ সেউজী সুঘ্ৰাণ ।
তোমাৰ দেহৰ ।
তোমাৰ মৰমত বুঢ়ালুইত মই
ময়েই ভুল্লুংবুথুৰ
ব্ৰহ্মাৰ পুত্ৰ ব্ৰহ্মপুত্ৰ ।
তোমাৰ অভিমানত হওঁযে ৰুদ্ৰ
তোমাৰ শীতল কোলাত
অতীৱ শান্ত মহাবাহু মই ।
মোৰ দুবাহুত গজি উঠে
সভ্যতাৰ প্ৰৱাল প্ৰাচীৰ ।
গঢ়ি যাওঁ দুপাৰত ধাপে ধাপে
প্ৰৱাল সোপান নৱ নৱ কৃষ্টিৰ ।
দুৰ্বাৰ প্ৰেমিক মই
চাব খোজো চিৰদিন তোমাক সুজলা সাজত ।
ক্ৰোধান্বি হওঁ । হওঁ যে বিধ্বংসী ।
ভাঙি যাওঁ মোৰেই সৃষ্টি
দেখি তোমাৰ সেউজীয়াত দানৱৰ কৰাল আঘাত ।
মোৰেই অমোঘ শক্তিত
মেলিব পোখা বিকাশৰ নৱ কুঁহিপাত ।
মাথো জীয়াই ৰাখা
জীয়াই ৰাখা, অনন্যা সেই শ্যামলীমা সাজ
সৃষ্টিকৰ্তাই মেৰিয়াই থোৱা
সুশোভিত মোৰ প্ৰেয়সীৰ দেহাত ।■



Scanned by CamScanner

# স্বৰ্গীয় সুখ

(ৰম্য ৰচনা)

গোলাপ চেতিয়া



ৰিনিকি ৰিনিকি মনত পৰে। এল পি স্কুললৈ যোৱাই নাছিলো, সেই সময়ত ৰাতিয়ে দিনে আকাশত আকাশী জাহাজৰ শব্দ শুনিবলৈ পাইছিলো। বাইদেউ ককাইদেউহঁতে দৌৰি চোতাললৈ ওলায় আৰু চোঁ মাৰি যোৱা, খেদা-খেদি কৰি অকাই পকাই ঘূৰি ফুৰা আকাশী জাহাজ বিলাক আমাক দেখুৱায়, আমি ৰ লাগি আকাশৰ ফালে চাই থাকো। তেতিয়া মা-দেউতাই কৈছিল যুদ্ধ হৈছে। পাছতহে জানিব পাৰিলো সেইয়া দ্বিতীয় বিশ্বযুদ্ধ আছিল।

তেতিয়া মা-দেউতা, ককাইদেউহঁতক উৰা জাহাজ নো কি, ই আকাশত কেনেকৈ উৰে, নিজেই উৰেনে মানুহে উৰুৱায়- আদি নানা প্ৰশ্ন সুধি আমনি কৰিছিলো। সেই তাহানিৰ পৰাই উৰাজাহাজত উঠি আকাশত ভ্ৰমণ কৰাৰ আশা পুঁহি ৰাখিছিলো। ইয়াৰ পাছত পঢ়া-শুনা, জীৱন সংগ্ৰাম, সংস্থাপন, পৰিয়াল আদিৰ চাকনৈয়াত পৰি সকলো তল পৰি ৰল, অৱশ্যে মাজে-মাজে উক নিদিয়া নহয়, দিলে কি হব, সময় নাই আৰু কেতিয়াবা সময় পালেও তলি উদং, নিমিলেহে নিমিলে। অৱশেষত এদিন কপাল ফুলিল, মোৰ সম্বন্ধীয় ককাইদেউ এজনে উৰা জাহাজেৰে বাঙ্গালোৰত ফুৰিবলৈ যাবৰ কাৰণে মোৰ লগত আলোচনা কৰিলে, ময়ো সন্মত হলো। মোৰ দৰে তেৱোঁ কোনো দিনে উৰা-জাহাজত ভ্ৰমণ কৰা নাই।

১৯৯৮ চনৰ ১১ মাৰ্চ তাৰিখে বাঙ্গালোৰলৈ যাবৰ বাবে এয়াৰ জেটত টিকট কৰিলো। ১০ মাৰ্চত নৈশ বাছেৰে গুৱাহাটীলৈ ৰাওনা হলো আৰু ১১ মাৰ্চৰ পুৱা চাৰে ন বজাত গাড়ীৰে বৰঝাৰ বিমান বন্দৰত উপস্থিত হলোগৈ। লাগেজ আদি পৰীক্ষা-নিৰীক্ষা কৰোৱাৰ পাছত গাড়ীৰে প্লেনৰ দুৱাৰমুখ পোৱালেগৈ, তেতিয়ালৈকে ইম ন ওচৰৰ পৰা এৰোপ্লেন দেখাই নাছিলো। দুয়োৰে উগুল-থুগুল মন, দুৱাৰ মুখতে এয়াৰ হোষ্টেচ দুগৰাকীয়ে সম্ভাষণ জনালে, মনটো ভাল লাগি গল, আমক আসন দেখুৱাই দিলে, প্লেনৰ বাওঁফালে খিৰিকিৰ কাষৰ আসনত মই বহিলো আৰু মোৰ সোঁ-কাষৰ আসনত লগৰজন বহিল। যাত্ৰাৰ আগমুহূৰ্তত নিয়ম পালনৰ নিৰ্দেশ আহিল, চীটবেস্কট লগোৱাৰ পাল, মই মোৰ বাওঁফালৰ বেস্কটডালৰ লগত সোঁ-ফালৰ বেস্কট এডালৰ সৈতে কঁকালত লগালো। মোৰ লগৰজনে তেখেতৰ সোঁফালৰ বেস্কটডালৰ লগত সোঁ-ফালৰ বেস্কটডাল বিচাৰি ফুৰিছে আৰু মোৰ সোঁ-ফালৰ বেস্কটডাল ধৰি বাওঁফালৰ বেস্কটডাল বিচাৰি ফুৰিছে আৰু মোৰ সোঁ-ফালে এনেয়ে থকা বেল্টডাল ধৰি মোলৈ চাই হাঁহি হাঁহি কৈছে- আপুনি মোৰ ফালৰ বেস্কটডালহে লগালে, ময়ো চালো, কথাটো মিছা নহয়, এহ্ খুলি দিলেই হল। এইবাৰ খুলিবৰ কাৰণে দুয়োখন হাতেৰে চেষ্টা কৰিলো কিন্তু নোৱাৰিলো। এবাৰ নহয়, দুবাৰ নহয়, বহুবাৰ চেষ্টা কৰিলো তথাপি নোৱাৰিলো, ঘামি গলো। লগৰ জনেও মোৰ পেটৰ ফালে মুৰটো হাওঁলাই খুলিবলৈ টনা-আজোৰা কৰিলে কিন্তু নোৱাৰিলে। এইবাৰ দুয়ো একেলগে চেষ্টা কৰিলো, কোনোপধ্যে নোৱাৰিলো, কি হব এতিয়া? এইদৰে আমাক তলমূৰ কৰি টনা-আজোৰা কৰি থকা অৱস্থাত এয়াৰ হোষ্টেচ এগৰাকী আহি জুমি চালেহি। তেওঁ সিজনক আঁতৰিবলৈ কৈ লাহেকৈ বেস্কটডাল খুলি দিলে আৰু খোলা-মেলা কৰা কিটিপটোও শিকাই দিলে। বহুত ডাঙৰ সকাহ পালো, দুয়ো দুয়োৰে মুখলৈ চাই থাকিয়েই হাতেৰে কেইবাবাৰো বস্কটডাল খুলি-মেলি আৰু লগাই চালো, কিন্তু মুখত হলে এইবাৰ লাজ লগা হাঁহি।

উৰা জাহাজ আকাশত উঠিল, কাণত হোঁ-হোঁৱাবলৈ ধৰিলে, কিছুসময় আকাশত বিচৰণ কৰাৰ পাছতে মোৰ পেটৰ বিষ আৰম্ভ হ'ল, মানে পেটৰ অসুখ, পেট ফুলি আহিছে। কি কৰিম এতিয়া? লাজও লাগিছে, বাৰে বাৰে মিছ কল অহাৰ প্ৰৱণতা, মিচ কলনো এৰো কেনেকৈ? নিজকে বিশ্বাস কৰিব নোৱাৰো ভয়, জানোচা মিচ্‌কলৰ ঠাইত এছ্.এম.এছ্. আহি যায়, তেতিয়াতো সৰ্বনাশ হব, লগৰ জনক কলো, তেখেতে কলে যেনেতেনে টিপামাৰি বহি থাকক, ইয়াততো লেটিন, টয়লেট বাথৰুম, ৱাচৰুম একো নাই। মই কলো- মই আৰু নোৱাৰো। আমাক পৰিৱেশন কৰা খাদ্যও মই গ্ৰহণ কৰা নাছিলো, কিজানি মোৰ অসুখ বাঢ়ি যায়। সেইবোৰ কি কৰিলে মোৰ লগৰ জনেহে জানে। পেট ওফন্দি আহিছে, বিষত তৎ পোৱা নাই মৰণত শৰণ দি, লাজ-মান কাতি কৰি চীট বেস্কট খুলি থিয় হলো, লগে লগে হোষ্টেচ এগৰাকী আহিল, টয়লেটলৈ যোৱাৰ কথা কলো। হোষ্টেজ গৰাকীয়ে প্লেনৰ নেজৰ ফালে আঙুলি



Scanned by CamScanner

টোৱাই কলে- এতিয়া খালী নাই, অলপ পাছত। উপায় নাই, বহি পৰিলো। নাই নোৱাৰি খন্তেক পিছত থিয় হৈ প্লেনৰ নেজৰ ফালে অৰ্থাৎ হোষ্টেচ গৰাকীয়ে আঙুলিয়াই দেখুওৱাৰ কাৰণে সেইফালে গলেই টয়লেট পায় বুলি নিশ্চিত হৈছিলো, নহলে কোনফালে টয়লেট আছে সেইটোও সুধিবলগীয়া হলহেঁতেন।

টয়লেটৰ দুৱাৰমুখত উপস্থিত হলো। টয়লেটৰ দুৱাৰৰ কিনাৰতে অৰ্থাৎ প্লেনৰ নেজৰ ফালে কেইগৰাকীমান সুন্দৰী হোষ্টেচ আৰু সুগন্ধিত কিছুমান খোৱাবস্তু, কিন্তু মোৰ দৃষ্টি টয়লেটৰ দুৱাৰ মুখলৈহে, দয়াৰ সাগৰ, করুণা সাগৰ, কৃপাময়ৰ নাম কিমানবাৰ লৈছো, দুৱাৰ নোখোলেহে নোখোলে। মোৰ প্ৰতিটো ক্ষণ নাযায়-নোপোৱাৰ যেন লাগিছে। মই পিছে শেষ সিদ্ধান্ত এটাই লৈ পেলাইছিলো, যদিহে টয়লেটত কৰিবলৈ অহা কাম ফেৰা টয়লেটৰ বাহিৰতে অৰ্থাৎ এই ছোৱালী কেইগৰাকীৰ সন্মুখতে স্বয়ং হৈ যায় তেতিয়া হলে কোনটো নাকেৰে জীয়াই থাকিব, থাকিয়েই বা লাভ কি?

কথাযাৰ ভাৱি শেষ হৈছেহে এনেতে দুৱাৰ খুলি এজন ওলাই আহিল। লগে লগে সোমালো, দুৱাৰ বন্ধ কৰি বুটাম খুলি বহিলো। কি যে শান্তি, কেনে অপূৰ্ব সুখ, আৰু যেন বহুত দিন জীয়াই থাকিম। মুঠতে ই এক বৰ্ণনাতীত সুখ, ই এক শৰীৰ আৰু মনক বন্ধন মুক্ত কৰা স্বৰ্গীয় সুখ, পেট সম্পূৰ্ণ খালী হৈ গল।

পানী, পানী, চালো নাই, টয়লেট পেপাৰৰ ডাঙৰ নুৰা এটাহে দেখিবলৈ পালো। অভ্যস্ত নহলেও এই টয়লেট পেপাৰেৰে নিজকে চাফ কৰিব পাৰিম। পিছে টয়লেটৰ ভিতৰ ফালে যি নক্সা বনি আছে তাক কিহেৰে চাফ কৰোঁ? তলে ওপৰে, আগফালে-পিছফালে চালো কতো পানীৰ টেপ নাই, কিন্তু পানীৰ টেপ চাওঁতে ৱালত কেইটামান বুটাম দেখি ভাবিলো, এইকেইটা টিপি দিলেই কিবা নিহয় কিবা ওলাবই। দিলো টিপি, পিছে পানী নোলাল, বহুত জোৰেৰে ভচ্ কৰি বতাহ এসোপা ওলাই গোটেই টয়লেটটো চাফ কৰি পেলালে মনতে, মনতে ভাল লাগি গল, দুবাৰমান টিপি চালো, একেই শব্দ, একেই গতি। ভাবিলো বৰ্জিত পদাৰ্থখিনি ক্ষুত্ৰ ক্ষুদ্ৰ কণিকালৈ পৰিণত কৰি হয়তো মহাকাশত এৰি দিলে। কথাযাৰ সঁচা নহবও পাৰে দেই, সেইয়া মোৰ অনুমানহে।

টয়লেটৰ পৰা ওলায়ে দেখিলো, গোটেই কৰিডৰটোৰ যাত্ৰীসকলে কপাল কোঁচাই হয়তো মোৰ দৰেই স্বৰ্গীয় সুখ লবলৈ প্ৰতীক্ষা কৰি আছে। চীটৰ ওচৰ পালোহি। লগৰ জনে হাঁহি মুখে সম্ভাষণ জনালে ময়ো এটি হাঁহি মাৰি তেখেতক পাৰ হৈ চীটত বহি পৰিলো। ভাবিলো আজি মোৰ দৰে অৱস্থা বাৰ শতৰুৰো নহওক।■


**For Booking of Guest Rooms, Dormitory, Auditorium, Conference Hall, Open-air Space & Stage and Lounge**

**at**

# Srimanta Sankaradeva Bhawan

**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**

**Please mail to: aacet 2015@gmail.com**
**or call to Managing Trustee**
**AACET Delhi**
**Ph. 9818840202, 011-26510426 & 011-26537786**




Scanned by CamScanner



# স্বয়ং শিৱ-পাৰ্ব্বতীৰ আতিথ্য গ্ৰহণ

ড. গৌৰী কান্ত সন্দিকৈ
৯৮৭১৭-১৬৬৩৫

গঙ্গাধৰে শৈশৱৰ কালচোৱা অতিবাহিত কৰা, আধুনিক সুবিধা অৰ্থাৎ পকী ৰাস্তা, বিজুলী বাতি আদি নথকা নিজৰ পুৰণি গাঁওখনৰ স্মৃতিবোৰ সুঁৱৰি আজিও আনন্দিত হয়। খেতিৰ দিনত পথাৰত হাল বোৱা, কোৰ মৰা, কঠিয়া নিয়া, আদি কামবোৰ পুৱা বেলাতে ভায়েকৰ সৈতে সামৰি ঘৰলৈ আহি গা-পা ধুই গৰমে গৰমে ভাত এগাল মুখত গুজি লৰা-লৰিকৈ চহৰৰ চৰকাৰী স্কুললৈ ঢাপলি মেলে। প্ৰত্যেক দিনা প্ৰায় ছয় কিলোমিটাৰ পথ অতিক্ৰম কৰি স্কুললৈ অহা-যোৱা কৰিছিলে যদিও লগৰ সমনীয়াৰ লগত জুম বান্ধি হাঁহি-ধেমালিৰে খোজকাঢ়ি আনন্দহে পাইছিল। খৰালি মাহত ধান চপোৱা সময়ত গঙ্গাধৰৰ নিচিনা বহু ছাত্ৰ-ছাত্ৰীয়ে ঘৰুৱা কাম কৰি দেউতাকক সহায় কৰিবলগীয়া হয়। স্কুলীয়া জীৱনত পঢ়া-শুনা কৰা উপৰিও বিভিন্ন গধুৰ ঘৰুৱা কাম কৰিব লগা হোৱাত লোহা গৰম কৰি পিটি পিটি তীখা বনোৱাৰ দৰেই গাঁৱলীয়া ল'ৰা গঙ্গাধৰহঁতৰ দেহাবোৰো তীখাৰ দৰে মজবুত হৈ পৰিছিল। এনেবোৰ কামৰ জৰিয়তে গঙ্গাধৰে ভৱিষ্যতৰ সম্ভাব্য যি কোনো পৰিস্থিতিৰ মুখা-মুখি হ'বলৈ নিজকে প্ৰস্তুত কৰিব পাৰিছিল।

স্কুলত পঢ়ি থকা দিনত পথাৰত হালবাই থাকোতে গঙ্গাধৰে ৰ'দে-বৰষুণে, বতাহে-ধুমুহাই হালবোৱা কামটো কিমান কঠিন এই কথা ভালদৰে উপলব্ধি কৰিছিল আৰু নিজকে নিজে কৈছিল বিজ্ঞানৰ প্ৰযুক্তি বিদ্যাৰ ফলত মানুহে চৰাইৰ দৰে উৰিবলৈ শিকিলে, ইউৰোপৰ পৰা মাৰ্কিন যুক্তৰাষ্ট্ৰলৈ আকাশ মাগেদি তিনি ঘণ্টাত যাব পৰা আঁচনি কৰিছে। আৰু যে কত বিকাশ ঘটিছে, কিন্তু আচৰিত কথা কৃষিৰ ক্ষেত্ৰত এতিয়াও বৈজ্ঞানিকসকলে বিশেষ মনোযোগ দিয়া নাই যেন অনুভৱ হয়।

মেট্ৰিকৰ দেওনা পাৰ হোৱাৰ পিছত কলেজ, বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা আৰু ডক্তৰেট ডিগ্ৰী লাভ কৰালৈকে গঙ্গাধৰৰ নিজ গাঁৱৰ লগত সম্বন্ধ ক্ৰমে কমি আহিবলৈ ধৰিলে যদিও সময় সুবিধা পালেই তেওঁ গাঁৱলৈ ঢাপলি মেলে। চাকৰিৰ অজুহাতত বিভিন্ন ঠাইত থাকিব লগা হোৱাত আৰু ল'ৰা-ছোৱালী কেইটা পঢ়ি থকা বাবে গাঁৱলৈ যোৱাটো প্ৰায় কমিবলৈ ধৰিলে যদিও নিজ মাটিৰ কেঁচা গোন্ধ পাহৰিব পৰা নাছিলে।

এদিন গঙ্গাধৰে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলে। ইতিমধ্যে ল'ৰা-ছোৱালীয়েও পঢ়া-শুনা শেষ কৰি চাকৰিৰ সংক্ৰান্ততে বেলেগ বেলেগ ঠাইত থাকিব লগা হৈছে। পৈত্ৰিক মাটি বাৰীতে ফাৰ্ম হাউচ কৰি হাঁহ কুকুৰাৰ লগতে মৎস্য পালনৰ ব্যৱস্থাৰ এক নিৰিবিলি পৰিৱেশত জীৱনৰ বাকীছোৱা সময় কটাবলৈ মনস্থ কৰি গঙ্গাধৰহঁতেও গাঁৱলৈকে উভতি আহিলে। মুকলি আকাশৰ তলত জিৰোৱা আৰু সপোন দেখাৰ বাবে অফুৰন্ত সময় পোৱা যায় অৱসৰৰ পাছত।

গঙ্গাধৰে অৱশ্যে মহানগৰীত থকা তেওঁৰ ল'ৰা-ছোৱালীয়ে গাঁৱলৈ আহি থাকিবহি বুলি আশা কৰা নাই। বন্ধত মাত্ৰ নাতি-পুতিহঁতক লৈ ফাৰ্ম হাউচত কিছুদিন কটাবহি বুলিহে তেওঁ ভাবে।

সৰু পকী ঘৰ এটাৰ আগে-পিছে চোতাল, শাক-পাচলিৰ বাৰী, কোমোৰা লাও, তিতাকেৰেলা আদিৰ হেঁন্দালিবোৰ, অলপ আগত পুখুৰীত মাছ আৰু পুখুৰীৰ সিপাৰে শাল, চেগুন, নাহৰ, কৃষ্ণচূড়া আদি বিভিন্ন গছ-গছনি। মুঠতে এখনি সৰু ফাৰ্ম। হাঁহ কুকুৰা পোহাৰো সু-ব্যৱস্থা।

গঙ্গাধৰৰ নতুন পৰিৱেশটো বেচ ভাল লাগিছে। সন্মুখৰ ৰজাদিনীয়া আলিটো এতিয়া পকা হ'ল আৰু সঘনে তেল কোম্পানীৰ গাড়ীবোৰ চলি থাকে। ঘৰৰ অলপ দূৰতে অৱস্থিত দোকানবোৰত দৈনন্দিন ব্যৱহাৰ হোৱা প্ৰায় সকলো বস্তুৱেই পোৱা যায়। চহৰলৈ অহা-যোৱা সুবিধাও বেচ ভাল মাত্ৰ ২০-২৫ মিনিটৰ বাট গাড়ীৰে। আগবেলাতে দৈনিক কাগজবোৰো নিয়মীয়াকৈ ঘৰতে দিয়েহি। টি. ভি আৰু মবাইলৰ জৰিয়তে দৈনন্দিন খবৰবোৰ পাই থকাত অসুবিধা নহয়।

পুৱা অতি সোনকালে উঠাটো গঙ্গাৰ অভ্যাসয় পৰিণত হৈ পৰিছে। ধাননি পথাৰৰ ওপৰেদি সূৰ্য উদয় হোৱা দৃশ্য চাই কিমান যে আনন্দ লাগে! এৰা, অতবছৰে মহানগৰীত থাকোতে ওখ অট্টালিকাবোৰৰ বাবে পুৱাৰ সূৰ্য উদয়ৰ দৃশ্য দেখি আনন্দ পোৱা মনতেই নপৰে। গঙ্গাই বাৰীলৈ গৈ পুখুৰীৰ পাৰত থিয় হৈ অলপ ধান চটিয়া ই মাছবোৰৰ খলকনি চাই চাই আনন্দত আপ্লুত হৈ পৰে, বাৰীখনত এপাক মাৰি আহে। মুখ হাত ধুই দুয়ো জা-জলপান খায়। তাৰপিছত সাবিত্ৰীয়ে নিজৰ কামত ধৰে আৰু গঙ্গাধৰে কাগজ দুখন পঢ়ি শেষ কৰে। তাৰপিছতে বহা চকীখনত চীল-মিলকৈ এঘুমটি মাৰি মনটো সপোনপুৰীত মেলি দিয়াটো গঙ্গাধৰৰ এতিয়া অভ্যাসত পৰিণত হৈছে।

মাজে সময়ে গাঁৱৰ দুই এজনে গঙ্গাধৰহঁতৰ খবৰ বাতৰি ল'বলৈ আহি গাঁৱৰ কথা আলোচনা কৰেহি আৰু দিহা-পৰামৰ্শ লয়হি। গঙ্গায়ো গাঁৱৰ উন্নতিৰ হকে কেনে ধৰণৰ সমজুৱা কাম কৰিব পৰা, নাইবা গাঁৱৰ মহিলাসকলক স্বাৱলম্বী হ'বৰ বাবে কেনে আঁচনি হাতত ল'ব পাৰি আদি নানা বিষয়ত আলাপ আলোচনা কৰে। পঢ়ি থকা ল'ৰা-ছোৱালীক গঙ্গাধৰে সদায় উপদেশ দিয়ে যে নিজৰ ৰুচি মতে ভালপোৱা বিষয়ত অধ্যয়ন কৰাটো সমীচিন।

গঙ্গাধৰ আৰু তেওঁৰ পৰিবাৰ মাজে-সময়ে বনকৰা পৰিয়ালৰ হাতত ঘৰটোৰ দায়িত্ব গটাই দি কিছুদিনৰ বাবে ফুৰিবলৈ যায়।



Scanned by CamScanner

সেই সময়ছোৱাত তেওঁলোকক লগ নাপাই বহুজনে বিমুখ হৈ ঘূৰি যাব লগা হয়।

এদিনাখন গঙ্গাধৰৰ স্কুল-কলেজৰ সহপাঠীৰ প্ৰবীন আহি তেওঁৰ ঘৰ পায়েই আপত্তিৰ সূৰত ক'বলৈ ধৰিলে "হেৰা তুমি কি মানুহহে। আনৰ মুখেদিহে তুমি গাঁৱৰ ঘৰলৈ অহাৰ কথা গম পালো। খবৰ এটাটো দিব পাৰিলা হয়। কিছু দিনৰ আগতে এবাৰ ইয়ালৈ আহিছিলো, কিন্তু তোমাৰ বন কৰা ল'ৰাই ক'ত গ'লা, কেতিয়া আহিবা ইত্যাদিৰ একোকে ক'ব নোৱাৰিলে। তুমি কালি ঘূৰি আহিলা বুলি আমাৰ স্কুলীয়া বন্ধু ধৰ্ম্মৰ পৰা জানিব পাৰি এয়া তোমাৰ ওচৰ পালোহি।"

প্ৰবীন এখন কলেজৰ প্ৰিন্সিপাল ৰূপে অৱসৰ লৈ ওচৰৰ চহৰখনতে বাস কৰে। তেওঁৰ প্ৰকাশ পোৱা বহু গল্প-প্ৰবন্ধ গঙ্গাধৰে প্ৰায় পঢ়িছে। চাকৰিকালত ঘৰলৈ আহিলে তেৰোঁ প্ৰবীনক লগ নকৰাকৈ নগৈছিল।

"গাঁৱত থাকিবলৈ ঘূৰি অহাত আচৰিত হৈছা কিয়? বাহিৰতনো কিমান থাকিবা আমনি লগা হ'ল। তাতে অৱসৰৰ পিছত ফ্লেটত কিমান থাকিবা, জলকীয়া পুলি এটা ৰুবলৈ মাটি অকণ নাই। ল'ৰা-ছোৱালীৰ পঢ়া-শুনাও শেষ হ'ল, মহানগৰীত এতিয়া আৰু মোৰ কাম নাই। বৰং নিজৰ গাঁৱত সমাজৰ বাবে কল্যাণমূলক কাম কৰাটোহে সমীচিন বুলি ভাবি এনে সিদ্ধান্ত ল'লো।"—গঙ্গাই কৈ গ'ল।

"খুব ভাল পাইছো। পিছে গাঁৱত থাকি ভাল পাবা জানো?"—প্ৰবীনৰ প্ৰশ্ন।

"কিয় ভাল নালাগিব? গাঁৱত মানুহ নাথাকে নেকি? তুমি থকা চহৰ বা মোৰ গাঁৱখনৰ মাজত কি পাৰ্থক্য আছে কোৱা চোন? পকী ৰাস্তা, বিজুলী বাতি, টেলিফোন মবাইল সংযোগৰ ব্যৱস্থা তোমাৰ চহৰটো আছে আমাৰ গাঁৱতো আছে। বিমান বন্দৰ তোমাৰ চহৰতো নাই, আমাৰ গাঁৱতো নাই...।"—গঙ্গাধৰে কৈ গ'ল।

"বাৰু হ'ব দিয়া। মহানগৰীৰ মোহ এৰিব নোৱাৰি পাক এটা মৰি আহিলাগৈ চাগে। মই আগৰবাৰ আহোতে তোমাৰ বন কৰা ল'ৰাই তুমি ক'লৈ গ'লা কেতিয়া আহিবা আদিৰ একো নাজানো বুলিহে জনালে। ক'লৈ গৈছিলানো ইমান মনে মনে।" প্ৰবীনে একে উশাহতে কথাবোৰ ক'লে।

"ক'ত গৈছিলো, কিয় গৈছিলো সবিশেষ বিতং কৰি কম। প্ৰথমে তুমি বহাছোন। বাহিৰতে ভাল হ'ব।"—গঙ্গাই বন্ধুক অনুৰোধ কৰিলে।

"হ'ব দিয়া বাহিৰতে মুকলিতে বহো।" ক্ষন্তেক পিছতে সাবিত্ৰীয়ে চাহ বিস্কুট দুয়োলৈ আগবঢ়াই দি নিজেও একাপ লৈ কথোপকথনত যোগ দিলে।

"আমি ক'তগৈছিলো, কিয়, গৈছিলো কাৰ লগত গৈছিলো, কেনেকৈ গৈছিলো ইত্যাদি মোৰ বাবে এতিয়াও সাঁথৰ যেন লাগি আছে।" গম্ভীৰ হৈ গঙ্গাধৰে ক'লে।

"কি আচৰিত। ক'ত গৈছিলা, কিয় গৈছিলা আদি একো নাজানা, গাজা নামাৰিবা দেই" প্ৰবীনে অলপ খঙৰ সুৰত ক'লে।

"বিশ্বাস কৰা আৰু মোৰ কথাবোৰ বৰ্ণনাবোৰ ধ্যান দি মাত্ৰ শুনি যোৱা, তেতিয়া নিজে বুজিবা আৰু উপলব্ধি কৰিব পাৰিবা"। বুলি কৈ চকু দুটি মুদি ধীৰ স্থিৰ হৈ মৃদু কণ্ঠৰে আৰম্ভ কৰিলে।

"মই স্পষ্টকৈ শুনা পাইছিলো দুৱাৰত টুকুৰিয়াই মতা মিঠা মাতটোৰ "আহা, আহা উঠি আহা"। মই শ্ৰীমতীৰ হাতত ধৰি ব'ঙ্গ ব'লা সোনকালে বুলি কৈ দুয়ো বাহিৰলৈ ওলালো। বতৰটো ফৰকাল আৰু অতি আনন্দদায়ক যেন অনুভৱ কৰিলো। ৰথ নে অন্য কিবা বাহনত আমি উঠি পৰিলো। চালকজৰ ছাঁটোহে দেখা মনত আছে, কিন্তু প্ৰকৃত ৰূপ দেখা নাপালো। হো হো শব্দ কৰি বাহনখন উৰি যোৱা যেন অনুভৱ কৰিলো। কিমান সময় উৰি গৈছিলো তাৰ কোনো উমানকে নাপালো। পিছত কোনোবা এটি পাহাৰৰ ওপৰত বাহনখনে অৱতৰণ কৰিলে। মৃদু বতাহ এজাকে শৰীৰটোক শীতল কৰি পেলালে। পিছত এটি পাহাৰীয়া পথেদি আমি দুয়ো খোজকাঢ়ি আগুৱাই যাবলৈ ধৰিলো। কি যে অপূৰ্ব প্ৰকৃতিৰ দৃশ্য। পাহাৰীয়া পথৰ বাঁওফালে দিগন্তত নীলবৰণীয়া পাহাৰ, পথৰ কাষতে বাঁওফালে বহু তলত নীল বৰণীয়া পানী, মৃদু গতিত সন্মুখৰ ফালে বৈ গৈছে। কিছুদূৰ আগবাঢ়ি যোৱাত সন্মুখৰফালে বহু মানুহে পল জুলুকিৰে অসংখ্য মাছ ধৰা দেখা পাইছিলো।"

গঙ্গাধৰে সেপ এটি ঢুকি ক্ষন্তেক বৈ পুনৰ ক'বলৈ ধৰিলে—"পথেদি আগুৱাই গৈ থাকোতে অকণো ভাগৰ লগা অনুভৱ কৰা নাছিলো। পত্নীয়ে হেলাৰঙে খোজকাঢ়ি যোৱা দেখি আচৰিত হৈছিলো, ভাবিছিলো সচৰাচৰ উঠা ভৰিৰ বিষটো ক'লৈ গ'ল। হঠাৎ পথৰ ভাঁজ এটা পাৰ হোৱাৰ পিছত সোঁফালে হ্ৰদ এটি দেখা পালো। দূৰত ডাৱৰৰ ফাঁকেদি হঠাৎ মানুহৰ প্ৰতিমূৰ্ত্তি দুটি দেখা পোৱা যেন লাগিল। কৌতুহল বাঢ়ি যোৱাত আগুৱাবলৈ ধৰিলো। ক্ষন্তেক পিছত স্পষ্ট ভাৱে যি দেখিলো নিজৰ চকু দুটিকে বিশ্বাস কৰিবলৈ টান পোৱা হ'লো। গাটো যেন কঁপিবলৈ ধৰিছে এনে লাগিলে। হে প্ৰভু, এইৱোৰ কি লীলা!

হ্ৰদৰ পানীৰ ওপৰত স্বয়ং শিৱ পাৰ্বতী যেন উপঙি আছে। শিৱৰ ডিঙিত জীৱন্ত সাপ এটা বিদ্যমান আৰু হ্ৰদৰ পানীত শিৱ-পাৰ্বতীক আগুৰি অসংখ্য সাপ যেন নাচি আছে। সেই মুহূৰ্তত আনন্দত নে ভয়ত নে ভক্তিত অজানিতে আমাৰ দুয়ো গালেদি চকুপানী বাগৰি পৰিছিল। আমি পথৰ পৰাই শিৱ-পাৰ্বতীলৈ বুলি শতকোটি প্ৰণাম যাঁচিলো। শিৱয়ো 'তথাস্তু' বুলি আমাৰফালে হাতখন দেখুৱাই আমাক আশীৰ্বাদ দিয়া যেন অনুভৱ কৰিলো।" এইবুলি কৈ গঙ্গাধৰ মৌন হৈ ৰ'ল। ক্ষন্তেকলৈ এনেকৈ মৌন হৈ পৰাত সাবিত্ৰীয়ে বাহুত ধৰি জোকাৰি জোকাৰি "হেৰি, উঠক, হেৰি কি হৈছে" বুলি কোৱাতহে গঙ্গাধৰে গভীৰ টোপনিৰ পৰা যেন সাৰ পাই উঠিলে।

প্ৰবীনে বন্ধুৰ ধাৰাবাহিকভাৱে কৈ যোৱা কথাবোৰৰ বৰ্ণনাবোৰ একান্ত মনে শুনাৰ পিছত তেৰোঁ ক্ষন্তেকৰ বাবে মৌন হৈ লাহেকৈ মন্তব্য কৰিলে—"হেৰা, গঙ্গা! তুমি দেখোন স্বয়ং শিৱ-পাৰ্বতীৰ অতিথ্য গ্ৰহণ কৰি নিজ গাঁৱলৈ ঘূৰি আহিলা।"■



Scanned by CamScanner



# A crisp commentary on contemporary Assam and its neighbours.

Manoj K Das

When one works for Government, it's obvious that a period of banishment from home is certain. I too was transferred from Delhi to Guwahati on NEDFi duty. Taking the advantage I took a deputation to IIE as Director for three plus years. My sphere of activity encompassed whole of North East and these assignments allowed me to go to almost all corners of the region on work of Advocacy and Consultancy, sustainable development initiatives etc.

Assam is seeing hectic construction activities all over. The policy of the Centre to invest 10% of Gross Budgetary Support in NER has resulted in bringing huge funds into Road, Bridge, Rail, Airports, Oil & NG, River Ports and various social sectors. We saw completion of East West Corridor up to Silchar (barring a small stretch). Completion of 2nd Saraighat Bridge, Completion of Dhola-Sadiya bridge, near completion of Bogibeel Bridge, Imphal-Jiribam Rail link etc. Construction worth Rs. 250000 Cr going on in the vicinity. Guwahati has become the most cosmopolitan city and gone vertical with people from neighbouring states investing in real estate. It's the 5th fastest growing city in India. Recently Advantage Assam investor's summit saw assemblage of galaxy of who is who of India led by PM NaMo at Guwahati. It generated Rs. 60000/- Cr worth of new investment through MoUs. Followed by this NEIDS was announced as a sequel to NEIIPP. A new wave of industries will surely follow. Commissioning of BPCL gas cracker with 220000 MTPA polymer capacity was another milestone.

There is however huge lack of will and capacity to run facilities. For example there are ITIs, Multi Disciplinary Skill Centres, V Type Nursery, Centres of Excellence on Citrus, Vegetables, Flowers, Bulk Milk Chillers, Dairy Plants, Hospitals, etc lying scattered un-run all over the state. Hundreds of Low Floor Buses (Brand New) are rotting at Roopnagar Dump. A Colossal waste of National Resources. A latest fad is in holding mega events like Namami Brahmaputra, Barak and other festivals. Event Management has become a big time business. Mall culture has pervaded the society making the youth trendy. Penetration of FB, Whatsapp through Smartphone has changed the way the society thinks and increased its aspiration level. However lack of skilled manpower is making the youth jobless.

Prolonged insurgency and educated unemployment has increased unrest among youth. Drug and alcohol abuse is rampant. NER must be having the highest per capita ownership of Mobikes. Road accident is one of the top killers today. High speed and mixed traffic of cars, bikes, cows, cycles, goats, and stray dogs has made road travel a nightmare. North East is also no more a safe haven for women. Crime against women of all age groups is rampant. Polygamy is order of the day in Arunachal. Mizoram has the most married person in the world. Most appalling aspect is the incursion of politics and corruption in all spheres of life. Some civil servants were recruited based on the size packet of currency instead of merit. We have RS MP imports from other states who never represent the state's interest.

Liberalism is everywhere. Be it in urban, semi urban or rural groups. Orthodoxy however is also existing in niches. Liberals are mixing vigorously. We have now titles like Gogoi Goswami, Chutia Deka. A new demand has come up from 6 communities to become ST due to attraction of constitutional rights provided by the Republic. Assam's greening is now widespread. Assamese society has become a celebrating society. They are singing all the time. Celebrating festivals around the year. Bihu, Bhelaghor competition, Rongali Bihu, Magh Bihu, Durga Puja, Saraswati Puja, Ratha Yatra, TV Adda, Great Congregations of Srimanta Sankaradeva Sangha, Asom Sahitya Sabha, Bodo Sahitya Sabha, Biswakarma Puja, now even Chaat Puja. Even flood is celebrated in Majuli.

A visit during Christmas will bring surprise. The star lanterns hanging in the sky from bamboo poles will rival Jerusalem. The most populous Nishi tribe took to Jesus through a diktat from the assembly of 'Gams'. Arunachal's has been the fastest modernised society in a matter of four decades. It's certain to become a very prosperous state due to its hydropower potential, landmass and other natural resources.

Meantime in the vicinity, quietly Bhutan has become a middle income country. It leveraged its hydro



Scanned by CamScanner

potential into strength. Much of its spillway water inundates lower Assam. Interestingly, Assam has failed to negotiate its downstream riparian rights. There is lack of visionary, thinking leaders, policy makers who can assert the rights of its inhabitants. On the contrary other states are far more aggressive. They have nibbled into the flat lands around the borders. It is heard that Dimapur was given on 50 years lease to Nagaland.

Most appalling fact is the death of "pothers" – wet paddy fields of Assam. At one time they used to be so huge that horizon used to touch the boundaries with the setting Sun slipping on the edge. Now roads dissect this beautiful cultural landscape and concrete jungles pop up. Assam's rich heritage of more 2000 rice varieties are replaced by few HY varieties like Ranjit, Joya or Boro.

Silver lining is, if the Act East Policy comes through Assam will be the land corridor to connect $400 Bn East Asian/China Market. Then destiny of Assam will change overnight. May it happen soon.■



# In the Avian Company

Deshna Mahanta,
Springdales School, Dhaula Kuan

I generally go with my mother to our terrace in the evenings. My mother fills water in a bowl for the birds. I spread rice everywhere for them. After doing the setting, me and my mother would sit on two chairs at the back to see the birds come and feast on the spread.

Before the birds come a group of cute squirrels. It is so enjoyable to see them have the food. Seeing them I could remember when we went to Agra Fort. When papa, mummy and me were roaming outside the fort. We saw a person was feeding biscuit crumbs to a squirrel which was on his palm. We came closer to see it. Then the person asked me "Do you want to take the squirrel on your hand?" I was quite excited and said "Yes". He put some crumbs on my hand and the squirrel automatically moved towards my hand. I was tickled when it was nibbling the crumbs from my hand. But it was a really exciting moment.

Next a group of pigeons lightly landed on my terrace. Many varieties of birds use to come to my terrace. Many varieties of birds used to come to my terrace- Tiger bird, Bulbul, Mynah, Seven Sister, Parrot, Pigeon and many more.

Days passed like this. Me and my mother would provide food and water to the birds and enjoy the show.

One day, I went alone to the terrace to feed the birds because my mother was busy working in the kitchen. I really love to see the show of the birds having food. When I was spreading the grains, suddenly four pigeons landed to eat the grains. The squirrels came running after them. Then many parrots came. Observing this behaviour of the birds I understood they became friendly with me and not frightened at all.

This proved true when a parrot landed on my hand. Seeing the parrot on my hand I was on cloud nine. Too eager to see him on my hand I said "hello". The parrot mimicked me with the same hello. Then I could understand that it might have been someone's pet bird. I silently thanked the person who released him in the open sky.

Seeing all the birds crowded around me i felt like I am their very good friend. Actually I forgot who I was.

Suddenly, the parrot started to shout in a shrill voice. Once, twice, thrice............. oh! I got annoyed.

Oh no! My alarm clock is constantly ringing near my pillow. I was quite upset.......... it was a dream. But an awesome one. I got up and sat on my bed recalling the dream bit by bit. The time that I spent with the birds in my dreamland is still quite fresh in my mind. ■



Scanned by CamScanner

GAIL (India) Limited

गेल GAIL

# BRING ABOUT A REFRESHING CHANGE

- Switch to Natural Gas, a Greener Fuel
- Use Public Transport
- Ensure Pollution-Free Air

Hawa badlo

#HawaBadlo




#HawaBadlo

www.changetheair.org

Scanned by CamScanner

ऑयल इंडिया लिमिटेड
(भारत सरकार का उद्यम)
**Oil India Limited**
(A Government of India Enterprise)
*Conquering Newer Horizons*

# At the Heart of Our Business is a Nation's Progress



## Our Passion to Energize Moves India Forward

Oil India Limited (OIL) is India's leading Navratna National Oil & Gas Company with strong Pan-India presence and a share of over 9% of the country's crude oil and natural gas production.

OIL's Mission is to be "The fastest growing energy company with global presence providing value to stakeholders."

OIL has been *Conquering Newer Horizons* with:

- Overseas E&P assets and business in Libya, Gabon, Nigeria, Yemen, Venezuela, USA, Mozambique, Myanmar, Bangladesh & Russia.
- Foray into Renewable Energy-Total installed capacity of 150.3 MW (comprising of 136.3 MW Wind and 14 MW Solar Energy Projects).
- International Credit Ratings- Moody's "Baa2" (stable) {higher than sovereign rating} and Fitch Rating "BBB-" (Stable) {equivalent to sovereign rating}.



connect@Oil-India

पहल

#GiveItUp
Feel *the* Joy *of* Giving

स्वच्छ भारत
एक कदम स्वच्छता की ओर

***Corporate Office :*** Oil India Limited, Plot No. 19, Near Film City, Sector 16A, Noida, District - Gautam Budh Nagar, Uttar Pradesh-201301, India, Phone : +91-120-2419000, 2419200
***Registered Office :*** Oil India Limited, Duliajan, Dist. Dibrugarh, Assam-786602, Phone : +91-374-2804510, 2800587, 2804901
Reach us at : www.oil-india.com | Also follow us on : | CIN : L11101AS1959GOI001148

Scanned by CamScanner